খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

সপ্তম সংখ্যা
২০১২-২০১৩ বৰ্ষ

তত্বাৱধায়ক
আব্দুল আউৱাল

সম্পাদক
মাজিদুল হক




DR. PARIMAL KUMAR DATTA

## খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

সপ্তম সংখ্যা

ইং ২০১২—১৩ বৰ্ষ

তত্বাৱধায়ক
আব্দুল আউৱাল

সম্পাদক
মাজিদুল হক

KHARUPETIA COLLEGE MAGAZINE : Volume No. VII, 2012-13, Published by Kharupetia College Students' Union, Kharupetia College, Kharupetia, Darrang (Assam)

## খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী
## সম্পাদনা সমিতি —

মুখ্য উপদেষ্টা : ড° বুদ্ধিন চন্দ্ৰ হাজৰিকা, অধ্যক্ষ
উপদেষ্টা মণ্ডলী : কনকলতা শইকীয়া, মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ
: ড° নুৰুল ইছলাম, মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
: দীপক কলিতা, মুৰব্বী, অধ্যাপক, অৰ্থনীতি বিভাগ
: আব্দুল কৰিম, মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ
: ড° পৰিমল কুমাৰ দত্ত, মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ
: জালাল উদ্দিন আহমেদ, সহযোগী অধ্যাপক, বুৰঞ্জী বিভাগ
তত্ত্বাৱধায়ক : আব্দুল আউৱাল, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ
সম্পাদক : মাজিদুল হক, আলোচনী, সম্পাদক, ছাত্ৰ একতা সভা
সদস্যমণ্ডলী : নুৰ জামান, মুৰব্বী অধ্যাপক, আৰবী বিভাগ
: ড° আচমান আৰা বেগম, সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ
: শিকদাৰ আনোৱাৰুল ইছলাম, মুৰব্বী অধ্যাপক, হিন্দী বিভাগ
: জীৱেন্দ মোহন দেৱ শৰ্মা, গ্ৰন্থাগাৰিক
: খন্দকাৰ দিলোৱাৰ হুছেইন, উচ্চ বৰ্গৰ সহায়ক
: শ্বাহ ছাদিক আহমেদ, উপ-সভাপতি, ছাত্ৰ একতা সভা
: ছোলেমান হক , সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

বেটুপাতৰ পৰিকল্পনা : সম্পাদনা সমিতি
আৰ্হিপাঠ : সম্পাদনা সমিতি

বিশেষ দ্ৰষ্টব্য : শুভেচ্ছাবাণী সমূহ অ-সম্পাদিত ৰূপত প্ৰকাশ কৰা হৈছে। আলোচনীখনৰ কোনো লিখনিয়ে যদি কাৰোবাৰ ব্যক্তিগত জীৱন চুই গৈছে বা অজ্ঞাতবশত কোনো নকল লিখনি প্ৰকাশ পাইছে তাৰ বাবে সম্পাদনা সমিতি দায়ী নহ'ব।

ছপা : পাৰামাউণ্ট অফ্‌চেট, বৰদৌলগুৰি, দৰং (ভ্ৰাম্যভাষ ঃ ৯৮৫৪০৪৬৩৮৩)



## — শ্ৰদ্ধাঞ্জলি —

যি সকল বৰেণ্য ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ
আৰু আশাসুধীয়া প্ৰচেষ্টাত এই মহাবিদ্যালয়খনিয়ে
প্ৰতিষ্ঠা লাভ কৰি বিভিন্ন ঘাত- প্ৰতিঘাতৰ মাজেৰে আহি উন্নতিৰ
এই অৱস্থাত উপনীত হ'ল সেই সকললৈ আমি আলোচনী সম্পাদনা সমিতিৰ
তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।
লগতে বিগত দিনবোৰত এই অনুষ্ঠানৰ শুভাকাংক্ষী যি সকল গুণী,
জ্ঞানী ব্যক্তি ইহ জগতৰ পৰা চিৰ বিদায় ল'লে
সেই সকললৈও অশ্ৰুসিক্ত
শ্ৰদ্ধাঞ্জলি যাঁচিছো।

— সম্পাদনা সমিতি

## — উচৰ্গা —

### খাৰুপেটীয়া মহাবিদ্যালয়খনিক

সৰ্বাঙ্গসুন্দৰভাৱে গঢ়িতোলাৰ ক্ষেত্ৰত
সহায় আগবঢ়োৱা মহানুভৱসকল,
আলোচনীখন প্ৰকাশৰ প্ৰচেষ্টাত
নিঃস্বাৰ্থভাৱে সহায় আগবঢ়োৱা সকল,
মহাবিদ্যালয়ৰ শুভাকাংক্ষী
তথা সমূহ ছাত্ৰ-ছাত্ৰীৰ
হাতত খাৰুপেটীয়া মহাবিদ্যালয়

## আলোচনী

### উচৰ্গা কৰিলোঁ ।

— সম্পাদনা সমিতি






মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ
**ড° বুদ্ধিন চন্দ্ৰ হাজৰিকা**

## FILE PHOTO : EDITORIAL BOARD, COLLEGE MAGAZINE, 2012-13


Dr. Buddhin Ch. Hazarika
Principal
(Chief Advisor)


Dr. Nurul Islam
HoD, Pol.Science
(Advisor)


Dr. Parimal Kr. Dutta
HoD, Sanskrit
(Advisor)


Abdul Karim
HoD, History
(Advisor)


Deepak Kalita
HoD, Economics
(Advisor)


Kanaklata Saikia
HoD, Assamese
(Advisor)


Jalal Uddin Ahmed
Associate Prof.
(Advisor)


Nur Zaman
HoD, Arabic
(Member)


Dr. Asman Ara Begum
Associate Prof.
(Member)


Sikdar Anowarul Islam
HoD, Hindi
(Member)


Jeebendra Mohan Dev Sarma
Librarian
(Member)


K.D. Hussain
UDA
(Member)


**Abdul Awal**
Asstt. Prof.
**( Teacher-in-charge, Magazine)**


**Md. Mazidul Hoque**
**Magazine Secretary**
Students' Union


Shah Sadik Ahmed
V.P, Students' Union
(Member)


Md. Soleman Hoque
G.S., Students' Union
(Member)


গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar, Guwahati
Assam : India, PIN - 781 014
Website : www.gauhati.ac.in

ড° মৃদুল হাজৰিকা
উপাচাৰ্য
Dr. Mridul Hazarika
Vice-Chancellor


### Message

I am happy to learn that Kharupetia College, Kharupetia is going to publish its annual magazine for the session 2012-13 very soon. College magazine is a strong medium for the constituent members of a college for intellectual exercise. It carries, sentiments, emotions, creativity and objectivity to integrate in to a totality of views of a community at a given time.

I hope that the magazine to be published will manifest the hidden potential in literary faculty.

I wish all success in the mission and hope the magazine will be immensely beneficial to all concerned.

Date : 13.05.2014

**( Dr. Mridul Hazarika )**


E-mail : vc_gu@yahoo.in, vc@gauhati.ac.in :: Ph. No.: +91-361-2570412 (O); 2570408 (R) :: Fax : +91-361-2675515

**BASANTA DAS**
Minister of State (Independent)

Government of Assam
Fisheries, Printing & Stationery
and Information & Public Relations
Tel : 0361 - 2237058 (O)



सत्यमेव जयते

### *Message*

I am very happy to know that the 7th issue of the annual Magazine of Kharupetia College is going to be published shortly.

Kharupetia College is playing a major and important roll in Darrang District is leading the student and society and its all round academic developments.

Further this educational institution has a great challenge in future to achieve its ultimate Goal.

I wish all success of Kharupetia College.

(BASANTA DAS)

Block - B, 2nd Floor, Assam Secretariat, Dispur, Guwahati-781006



*Md. Ilias Ali*
Parliamentary Secretary
Irrigation Department
Government of Assam.

Mobile : 094350 87777
Office : 0361-2237061
E-mail : iliasmla@yahoo.com

सत्यमेव जयते



### শুভেচ্ছা বাণী

মই অতি আনন্দিত যে, বিগত বছৰবোৰৰ দৰে চলিত বছৰতো খাৰুপেটীয়া মহাবিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ সমাজৰ প্ৰতিভা বিকাশৰ বাবে সম্পাদনা সমিতিয়ে নতুন আলোচনী প্ৰকাশৰ প্ৰস্তুতি হাতত লৈছে।

দৰং জিলাৰ শৈক্ষিক ক্ষেত্ৰত অনুন্নত বুলি আলোচিত এটি অঞ্চলৰ নতুন প্ৰজন্মক উচ্চ শিক্ষাৰ আকাশলঙঘী বাটেৰে আগবঢ়াই নিবলৈ খাৰুপেটীয়া মহাবিদ্যালয়ে বিগত সময়ত আদৰণিয় প্ৰচেষ্টা চলাই সফলতাৰ সোণোৱালী বাটেৰে আগবঢ়াত আমি গৌৰাৱান্বিত হৈছো। এই মহাবিদ্যাল ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক দিশৰ উত্তৰণৰ বাবে প্ৰকাশ কৰি অহা বাৰ্ষিক আলোচনীখনে আদৰণিয় ভূমিকা লৈ আহিছে।

সম্পাদনা সমিতিয়ে আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হওঁক তাৰে কামনা কৰিলোঁ।

(মঃ ইলিয়াছ আলী)

**Abdul Mazid**, *M.A., B.T.*
***President,***
*Governing Body,*
*Kharupetia College, Kharupetia*

**Address**
***Vill. : Morabhega***
*P.O. : Bhakatpara, Darrang (Assam)*
*PIN - 784190*
*Mobile No. : 9859204579*

*Date : .* ____________



## GOOD WILL MESSAGE

**"Knowledge is virtue and like a pickless mountain"**. It gives me immense pleasure to know that Kharupetia College Students' is going to publish its annual Magazine, which is the mouth piece of the college.

Magazine is the only way to promote and express the hopes and aspiration, creative thinking of the students.

I do hope that the magazine will help the student bringing out inner talents of the students community, as well as to create healthy educational environment.

I convey my best wishes for successful publication of Kharupetia College Magazine.

Abdul Mazid
President, G.B.
Kharupetia College



# তত্বাৱধায়কৰ একলম



শিক্ষানুষ্ঠানৰ আলোচনী এখন হ'ল ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাৰ কঠিয়াতলী স্বৰূপ। ইয়াৰ জৰিয়তে তেওঁলোকে নিজৰ সৃষ্টিশীল প্ৰতিভাৰ প্ৰকাশ ঘটোৱাৰ পৰ্য্যাপ্ত সুযোগ লাভ কৰে। ছাত্ৰ অৱস্থাত ৰচনা কৰা গল্প, কবিতা আদি ছপা আখৰেৰে প্ৰকাশ পালে উদীয়মান লিখক সকলে যথেষ্ট অনুপ্ৰাণিত হয় আৰু ইয়ে তেওঁলোকক ভৱিষ্যতে একোজন খ্যাতনামা সাহিত্যিক হিচাপে প্ৰতিষ্ঠিত হোৱাত সহায় কৰে। প্ৰকৃতপক্ষে আজিৰ ছাত্ৰ-ছাত্ৰী সকলেই ভৱিষ্যতৰ দেশৰ বা জাতিৰ মেৰুদণ্ড স্বৰূপ। জাতি গঠনৰ গুৰু দায়িত্ব তেওঁলোকেই মূৰ পাতি লব লাগিব। এই কথাৰ উল্লেখ নিষ্প্ৰয়োজন যে এটা দায়িত্বশীল যুৱ সমাজৰ ওপৰতে দেশ আৰু জাতিৰ উন্নতি নিৰ্ভৰ কৰে। কিন্তু দুৰ্ভাগ্যৰ কথা যে সম্প্ৰতি এই যুৱ সমাজ এক উচ্ছৃংশল পৰিবেশৰ মাজত আৱদ্ধ হৈ পৰিছে। তাহানিৰ ছাত্ৰ সমাজৰ মাজত থকা নিষ্ঠা, অধ্যৱসায় আৰু কৰ্মস্পৃহা আদি যেন বৰ্তমান ছাত্ৰ সমাজৰ মাজত দেখা পোৱা নাযায়। তেওঁলোকে যেন এই কথা পাহৰি যাব খুজে যে সু-শিক্ষা গ্ৰহণ কৰিলেহে তেওঁলোকে উন্নতিৰ ভেটিটো সুদৃঢ় কৰি লব পাৰিব আৰু নিজৰ লগতে দেশৰো উন্নতিত অৰিহণা যোগাব পাৰিব। ছাত্ৰ তথা যুৱ সমাজৰ এই উচ্ছৃংখলাই যেন সংক্ৰামিত ৰূপ ধাৰণ কৰি এক অবাঞ্ছিত পৰিবেশৰ সৃষ্টি কৰাৰ লগতে মানবীয় তথা নৈতিক মূল্যবোধৰ অৱক্ষয় ঘটোৱাৰ উপৰিও গুৰু শিষ্যৰ সম্বন্ধৰ মাজত ফাট মেলাইছে। এনে উচ্ছৃংখল যুৱ তথা ছাত্ৰ সমাজক সঠিক পথলৈ ঘূৰাই অনাৰ দায়িত্বৰ পৰা আমি শিক্ষক, অভিভাৱক আৰু সমাজৰ সচেতন ব্যক্তি সকলে হাত সাৰি নিশ্চয় থাকিব নোৱাৰো।

মহাবিদ্যালয় এখনৰ আলোচনী প্ৰকাশ কৰি উলিওৱাটো কেনে জটিল কাম সেই কথা নিশ্চয় দোহাৰিবৰ প্ৰয়োজন নাই। আলোচনী এখনৰ গুণগত দিশ অক্ষুণ্ণ ৰাখিবলৈ হ'লে পৰ্য্যাপ্তসংখ্যক গুণগত উচ্চ মানৰ লেখনিৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য্য। মহাবিদ্যালয় পৰ্য্যায়ৰ আলোচনী এখনত প্ৰকাশিত লেখনি সমূহৰ এটি নূন্যতম মানদণ্ড ৰক্ষা কৰাটো অতিকৈ জৰুৰী যদিও আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা তেনে উন্নতমানৰ লেখনি পোৱাটো টান। বিভাগীয় সম্পাদকে বহুবাৰ জাননী দিয়াৰ পিছতো উপযুক্ত মানদণ্ডৰ পৰ্য্যাপ্তসংখ্যক লেখনি হাতত নপৰাৰ বাবেই এই সংখ্যাৰ আলোচনীখন যথা সময়ত প্ৰকাশ কৰি উলিওৱাটো সম্ভৱপৰ হৈ নুঠিল। অৱশেষত আমাৰ হাতত আহি পৰা লেখনি সমূহৰ মাজৰ পৰাই কিছু লেখনি বাছনি কৰি এই সংখ্যাটো প্ৰকাশৰ ব্যৱস্থা কৰা হ'ল। আলোচনীখন প্ৰকাশৰ পথত আৰ্থিক অনাটনেও কিছু বাধাৰ সন্মুখীন নকৰা নহয়। যি নহওক, অৱশেষত সকলোৰে সহযোগিতাৰ ফলত আলোচনীখনে ছপাশালৰ মুখ দেখিবলৈ সক্ষম হ'ল। সম্পাদনা সমিতিয়ে যৎপৰোনাস্তি চেষ্টা কৰাৰ পিছতো এইখন এখন সম্পূৰ্ণ ত্ৰুটিমুক্ত আলোচনী হৈছে বুলি দাবী কৰাৰ দুঃসাহস আমাৰ নাই। আলোচনীখনত বৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে আমি মাৰ্জনা বিচাৰিলো।

সদৌ শেষত আলোচনীখন প্ৰকাশ কৰি উলিওৱাত সম্পাদনা সমিতিকে আদি কৰি বিভিন্নজনে আগবঢ়োৱা সহায়-সহযোগিতা আৰু দিহা পৰামৰ্শৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ।

**মহঃ আব্দুল আউৱাল**
**তত্বাৱধায়ক**

# সম্পাদকীয় —



বৰলুইতৰ বহল পাৰত কেঁচা মাটিৰ গোন্ধত বিয়াকুল অসমী আইৰ স্নেহত বন্দী হৈ অসমবাসীৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শ্বহীদ হোৱা মহান বীৰ সকললৈ তথা খাৰুপেটীয়া মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা বৰ্তমান সময়লৈ আগুৱাই আহোতে যিসকল মহান ব্যক্তিয়ে অশেষ কষ্ট আৰু ত্যাগ কৰিব লগা হৈছে সেই মহান বীৰ সকললৈ মোৰ হৃদয়ৰ নিভৃততম কোণৰ পৰা পৰম শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

**নতুন প্ৰজন্মৰ প্ৰতি ঃ**

আঘোণৰ ধানবোৰ সোণালী হৈ আহিল, আমি পাহৰি যাওঁ শাওণৰ সেউজীয়াখিনি আবেগৰ বন্যাত, আমি পাহৰি যাওঁ বিবেকৰ মমতাখিনি। হিংসা, ঘৃণা, অপ্ৰীতি আৰু কাৰো ধৰ্মৰ নামত ৰাজনীতি, আমিবোৰ অভ্যস্ত হওঁ তেজৰ ফাঁকু খেলি ইয়াকে জীৱনৰ সূত্ৰ বুলি মানি লওঁ আৰু পাহৰি যাওঁ জন্মৰ সময়ত সৃষ্টিকৰ্তাক দি অহা প্ৰতিশ্ৰুতি।

সঁচা অৰ্থত যি সময়ত আমাৰ চাৰিওকাষে হত্যা ধৰ্ষণ আদিৰ লুণ্ঠিত সেই সময়তো সাহিত্যৰ গতি স্তব্ধ হোৱা নাই। সাহিত্য মানৱ জাতিৰ দৰে সদায় গতিশীল। মানুহৰ জীৱন পৰিক্ৰমাৰ তথা প্ৰয়োজনীয় বিভিন্নতাই যুগে যুগে সাহিত্যৰ ওপৰত প্ৰভাৱ পেলাই আহিছে। কিন্তু ন-প্ৰজন্মৰ আড্ডাত সোমাবলৈ সাহিত্য তথা সৃষ্টিশীল কৰ্মৰাজীয়ে ঠাই নোপোৱাটো আমি এক ভয়ানক ভৱিষ্যতৰ পিনে ধাবিত হোৱাৰ ইংগিত বহন কৰিছে। আমাৰ স্বকীয়তা আৰু বাস্তৱতাক খামুচি ধৰি ক্ষয়িষ্ণু সমাজ ব্যৱস্থাত শাৰীৰিক আৰু মানসিক পংগু হৈ যাব ধৰা কেঁচা যৌৱনবোৰক প্ৰকৃত সত্বাৰ সৈতে পৰিচয় কৰোৱাৰ দায়িত্ব সাহিত্যৰো আছে। সেয়ে সময়ৰ প্ৰাসংগিকতাত সাহিত্যত নতুন সুৰৰ প্ৰয়োজন অপৰিহাৰ্য আৰু তাৰ বাবে নবীন-প্ৰবীণ সকলো সাহিত্য সেৱীৰ অক্লান্ত পৰিচৰ্যা নিঃসন্দেহে কাম্য।

এই উদ্দেশ্যে আগত ৰাখিয়েই খাৰুপেটীয়া মহাবিদ্যালয়ে সাহিত্যৰ সমল হিচাপে আপোনালোকৰ হাতত তুলি ধৰাৰ আপ্ৰাণ চেষ্টা ৰাখিছো। এই মহাবিদ্যালয়ৰ বৃহৎ পৰিয়াল হিচাপে থকা শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষী সকলৰ সৃষ্টিশীল মনৰ কল্পনা, আবেগ, অনুভূতি, অভিজ্ঞতা আদিকে মনোগ্ৰাহী আৰু আকৰ্ষণীয় ভাৱে বিভিন্ন ৰূপত প্ৰকাশ কৰাৰ প্ৰচেষ্টা কৰা হৈছে। এই সকল লোকৰ মাজতে হয়তো পাঠকে বিচাৰি পাব সাহিত্য সত্বাক। আশা আৰু কামনা হয়তো ইয়াৰে বহুতে নিজক সাহিত্য ক্ষেত্ৰৰ একোজন অবিৰত যোদ্ধা হিচাপে থকা শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা



শুভকাংক্ষী সকলৰ সৃষ্টিশীল মনৰ কল্পনা, আবেগ, অনুভূতি, অভিজ্ঞতা আদিক মনোগ্ৰাহী আৰু আকৰ্ষণীয় ভাৱে বিভিন্ন ৰূপত প্ৰকাশ কৰাৰ প্ৰচেষ্টা কৰা হৈছে। এই সকল লোকৰ মাজতে হয়তো পাঠকে বিচাৰি পাব সাহিত্য সত্বাক। আশা আৰু কামনা হয়তো ইয়াৰে বহুতে নিজক সাহিত্য ক্ষেত্ৰৰ একোজন অবিৰত যোদ্ধা হিচাপে ভৱিষ্যত প্ৰতিষ্ঠিত কৰিব পাৰিব। আলোচনীখনৰ কলেবৰ তথ্য আনুসংগিক অসুবিধাৰ বাবে যি সকলৰ লেখনি সম্পাদনা সমিতিয়ে প্ৰকাশ কৰিব নোৱাৰিলে সেইসকলৰ প্ৰতি ক্ষমা প্ৰাৰ্থী।

আলোচনী সম্পাদক ৰূপে যোৱা ১৯-১০-২০১২ তাৰিখে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক এটি জটিল আৰু গুৰুদায়িত্ব অৰ্পণ কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মোৰ অসীম কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰা সকলৰ ওচৰত মই কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। ইয়াত বৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিছাৰিলোঁ।

আলোচনীখনৰ সফলভাৱে সম্পাদনা কৰি উলিয়াবলৈ প্ৰতিটো দিশতে গঠন মূলক পৰামৰ্শ আগবঢ়াই অনুপ্ৰাণিত কৰা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মাননীয় ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰ, তত্বাৱধায়ক মঃ আব্দুল আওৱাল ছাৰ, ভাৰপ্ৰাপ্ত উপাধ্যক্ষা শ্ৰীমতী কনকলতা শইকীয়া বাইদেউ, ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি মঃ জালাল উদ্দিন আহমেদ ছাৰ, প্ৰমুখ্যে নূৰুল ইছলাম ছাৰ (মুৰব্বী অধ্যাপক ৰাজনীতি বিজ্ঞান), আব্দুল কৰিম (মুৰব্বী অধ্যাপক বুৰঞ্জী বিভাগ), দীপক কলিতা ছাৰ (মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ), আব্দুল ৰহিম (মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ), আব্দুৰ ৰহমান (মুৰব্বী অধ্যাপক, গণিত বিভাগ) আৰু জীবেন্দ্ৰ মোহনদেৱ শৰ্মা দেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতিৰ সমূহ উপদেষ্টা সদস্য-সদস্যাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, বন্ধু-বান্ধৱী লগতে মুক্তাৰ আলী, মুস্তাফা ছাবিৰ আহমেদ, মতিউৰ ৰহমান, ছহিদুল ইছলাম, হাকিম আলী, নাজিৰুল হক, সাহেব আলী, গিয়াছ উদ্দিন, ছফিকুল ইছলাম (মেদিপাৰা), মুজাম্মেল হক, মইনুল হক, নন্দ দুলাল সাহা, বিকাশ দেৱনাথ, গোপাল বিশ্বাস, গোবৰধন সৰকাৰ, ছাৰ্জিনা ইয়াছমিন (নদীৰ মুখ), জেছমিনা বেগম (কলাইগাঁও), আজিজা বেগম, নুৰেদা বেগমলৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

যিসকল লেখক-লেখিকাৰ দ্বাৰা আলোচনীখন সমৃদ্ধ হ'ল তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে মঃ হানিফ আলী (খুড়া), মঃ ছফিউল্লাহ আহমেদ (দাদা) লৈ এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ। কাৰ্যালয়ৰ তৰফৰ পৰা সহায় আগবঢ়োৱা মঃ শ্বহিদ আলী, আবুবক্কৰ ছিদ্দিক, আব্দুছ ছামাদ খন্দকাৰ, কিনাল আলীলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত যি সকল মহান ব্যক্তিৰ মহান চিন্তা তথা স্পৰ্শত প্ৰকাশৰ বাট দেখিছিল এই আলোচনীখনে সেই সকল ব্যক্তিলৈ মই সশ্ৰদ্ধ সেৱা যাঁচিলো। লগতে মোৰ প্ৰতিটো ক্ষেত্ৰত যাৰ পৰশে অধিক উৎসাহিত কৰিছিল, তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ তথা ঋণী। শেষত এটি আহ্বান —

মৃত্যু যদি দেখিছা ভয় নাখাবা  
সাগৰৰ নীলা দুচকুত  
এই সংগ্ৰাম অপৰাজেয়।।

— শ্ৰদ্ধা আৰু সেৱাৰে

মঃ মাজিদুল হক  
আলোচনী সম্পাদক  
২০১২-১৩

# সূচীপত্ৰ

## প্ৰবন্ধ—

পথৰুঘাটৰ ৰণ ঃ ঐতিহাসিক তাৎপৰ্য । জালাল উদ্দিন আহমেদ। ১৫।। — বন্ধুৰ প্ৰয়োজনীয়তা। খালিদা জীয়া। ২১।। — যাকাত — এটা অৱহেলিত স্তম্ভ। তাৰাভানু বেগম। ২২।। — শিহু। নূৰজামাল হক। ২৪।। — মহাকবি ভাৰবি সম্বন্ধীয় এক উপাখ্যান। অপৰাজিতা দেৱী। ২৫।। — স্মৃতিৰ খিৰিকীয়েদি। হাছেন আলী। ২৬।। — অসমৰ চৰ-চাপৰিৰ জীৱন বীথিকা। আব্দুল আজিজ। ২৮।। — ইতিহাস কি। ৰেকিবুৰ ৰহমান। ৩০।। — শিক্ষা। ইমৰান আলী। ৩২।।

## গল্প—

প্ৰেম আৰু কিছু অনুভৱ। ছাদ্দাম হুছেইন। ৩৪।। — হেৰুৱা সুবাস। চহৰবানু বেগম। ৩৬।। — প্ৰণামিকাৰ কথাৰে। কনকলতা শইকীয়া। ৩৯।। — শ্বজনাৰ প্ৰেম। নুৰেদা বেগম। ৪০।। — অচিনাকী আত্মীয়তা। খন্দকাৰ দেলোৱাৰ হুছেইন। ৪২।। — অনুতাপ। চুলতানা ৰেজিয়া খাতুন। ৪৩।।



## কবিতা—

শ্ৰদ্ধাঞ্জলি। নুৰেদা বেগম। ৪৫।। — প্ৰেমৰ কঠিনতা। ওৱাইছ কাৰনী। ৪৬।। — পৰীক্ষা। আশ্ৰাফুল সৰকাৰ। ৪৬।। — সন্ধিক্ষণ। প্ৰণতি দত্ত। ৪৭।। — সতৰ্ক। ছাবিনা ইয়াছমিন। ৪৭।। — মোৰ দেশ। গোবিন্দ ৰবিদাস। ৪৮।। — সৃষ্টিকৰ্তা। শ্বেইখ মইজুদ্দিন। ৪৮।। — আমাৰ স্বৰ্গভূমি। হাচিনা পাৰবিন। ৪৯।। — জন্মভূমি। ছাহিদা বেগম। ৪৯।। — অতীতে মোক আজিও ৰিঙিয়াই। ছাইমা বেগম। ৫০।। — সপোন। শ্বৰিফুল ইছলাম। ৫০।। — পাতিবানে মা মোৰ জন্মদিন। আছমিনা খাতুন। ৫১।। — স্মৃতি বিচাৰি। ছাইদুল্লাহ আলী আহমেদ। ৫১।। — অন্ত। হাতেম আলী। ৫২।। — পোহৰ বিচাৰি যাওঁ। মুৰগপ আলী। ৫২।। — আশা। নাজিমা খাতুন। ৫৩।। — প্ৰেম অঞ্জলি। হকিবুল হুছেইন। ৫৩।। — আহ্বান। ছামচুন নেহাৰ পাৰবিন। ৫৪।। — উতলা মন। ৰানাজ উদ্দিন আহমেদ। ৫৪।। — প্ৰেমৰ আশা। ইউচুফ আলী। ৫৫।। — তোমাক লগ নোপোৱা হ'লে ভাল আছিল। চুলতানা ৰেজিয়া। ৫৫।। — ভাৱৰীয়া। নছমিন নেহাৰ ছেলী। ৫৬।। — জীৱনৰ এটি ভুল পথ। মৌচুম আলী। ৫৬।। — পখিলা। ছাহিদা বেগম। ৫৭।। — পোহৰ। ফৰিদা বেগম। ৫৭।। — এপাহি ৰঙা গোলাপ কলি। শ্বাহজাহান আলী। ৫৮।। — কোন তুমি। নুৰুল আমিন। ৫৮।। — মহামন্ত্ৰ। নুৰেদা বেগম। ৫৯।। — ধৈৰ্য। আলী হুছেইন। ৫৯।। — শৰতৰ খেদ। বুৰহানা ইয়াচমিন। ৬০।। — মা। মোজাহাৰ আলী। ৬০।। — খেতি। শ্বাহ মাহমুহ ইমৰান আলী। ৬১।। — জীৱনৰ তিনিটা স্তৱক। আৰজিনা বেগম। ৬১।। — মৃত্যু। মইনুল হক। ৬২।। — লিমাৰিক। শ্বাহেদ আলী। ৬২।। — মা-দেউতা। ফৰিদা ইয়াচমিন। ৬২।। — হে খাৰুপেটীয়া মহাবিদ্যালয় তোমাৰেই জয়গান। গুণেন কুমাৰ নাথ। ৬৩।। — হিন্দু-মুছলিম। বুলবুল হুছেইন। ৬৪।। — মা। ইস্ৰাফিল হক। ৬৪।। — খাৰুপেটীয়া মহাবিদ্যালয়। শ্বাহালম চৌধুৰী। ৬৫।। — অ' ধুনীয়া ফুল। মুনচুৰ আলী। ৬৫।। — মোৰ মন যায়। দিন ইছলাম। ৬৬।। — তোমাৰ মৰম। জিল্লুল হক। ৬৬।। — অচিনাকি ভালপোৱা। আবুল কালাম আজাদ। ৬৭।। — দুখ। চেমিমা ইয়াচমিন। ৬৭।।

## ENGLISH SECTION

Foreign Direct Investment (FDI) in Retail and India : Abdullah Al Mamun : 68 —
Communalism in India : Nazir Hussain Sarkar, Dr. Parimal Kr. Dutta : 72 — Emer-
gence of Regional Political Parties and their Role : Habibur Rahman : 77 — N-List
Programs of INFLIBNET for Study and Research: Jeebendra Mohan Devsarma : 80 –
– Life: Jiarul Hoque: 83 — Aunt in the guise of Mother : Ilias Ahmed : 83

## HINDI SECTION

घमण्ड। शाहालम छौधुरी। 84 — अमीर-गरीव। सेलिना इयासमिन। 85 — अहिन्दीभाषी बिद्यालयों में हिन्दी-
शिक्षण की समस्या, चुनौनियाँ तथा समाधान (हिन्दी प्रचार-प्रसार के संदर्भ में)। सिकदार आनवारुल इसलाम। 86 –
– नारी। जाहिदा सुलताना। 89 — इस जग की प्राकृतिक शोभा हु मैं। शाहालम छौधुरी। 90 — मा। छाया
उ प ा ि य ा य ।
90 — दोस्ति। खालिदा इयासमिन। 91 — दुनिया का गम। छबिदुर रहमान। 91 — मा। मुहम्मद हसेन अली। 92

## অন্যান্য—


| | |
|---|---|
| মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰতিযোগিতাৰ ফলাফল। | ৯৩ — ৯৫ |
| ছাত্ৰ একতা সভাৰ সম্পাদকীয় প্ৰতিবেদন। | — ৯৬ |
| ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ বাৰ্ষিক প্ৰতিবেদন। | — ৯৭ |
| ক্ৰীড়া বহিঃ খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন। | — ৯৮ |
| ক্ৰীড়া আন্তঃ খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন। | — ৯৯ |
| সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন। | — ১০০ |
| ছাত্ৰ জিৰণী কোঠা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন। | — ১০২ |
| ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন। | — ১০৩ |
| তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন। | — ১০৩ |
| আলোকচিত্ৰ । | ১০৫ — ১০৮ |




## প্ৰবন্ধ —

# পথৰুঘাটৰ ৰণ ঃ ঐতিহাসিক তাৎপৰ্য

জালাল উদ্দিন আহমেদ
সহযোগী অধ্যাপক, বুৰঞ্জী বিভাগ

**বৰ্তমান** দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত 'পথৰুঘাট' এখনি ইতিহাস প্ৰসিদ্ধ ঠাই। দৰং জিলাৰ সদৰ মঙলদৈ নগৰৰ পৰা ১৬ কিলোমিটাৰ পশ্চিমে অৱস্থিত এই ঠাইখন ব্ৰিটিছ সকলৰ শাসনকালত ১৮৯৪ খ্ৰীষ্টাব্দৰ ২৮ জানুৱাৰীত কৃষক বিদ্ৰোহৰ পৰিণতিত হোৱা 'ৰণ'ৰ পৰাই অসম তথা ভাৰতবৰ্ষৰ ইতিহাসত এখন গুৰুত্বপূৰ্ণ স্থান হিচাপে চিহ্নিত হৈছে। কেতিয়াৰ পৰা ঠাইখিনিৰ নাম 'পথৰুঘাট' বুলি পৰিচিত হ'ল সঠিককৈ জনা নাযায়। জনশ্ৰুতি অনুসৰি দ্বিগজ নৈৰ ইপাৰে-সিপাৰে দুখন বিশাল পথাৰ আছিল। দ্বিগজৰ যিটো ঘাটেৰে মানুহ পাৰ হৈছিল, সেই ঘাটটোৱেই পথৰুঘাট বুলি পৰিচিত হৈছিল। আন এটা জনশ্ৰুতি মতে পথৰুহিৰা (পথৰু চেখ) নামৰ ঘাটুৱৈ এজনে এইটো ঘাটত নৌকাৰে মানুহ পাৰ কৰিছিল। তেওঁৰ নাম অনুসৰিয়েই পথৰুঘাট হোৱা বুলি কোৱা হয়। যিয়েই নহওক, দুয়োটা জনশ্ৰুতিৰে ভিত্তি নথকা নহয়। পিছলৈ পথৰুঘাট নামটিয়েই পাথৰিঘাট হিচাপে জন সমাজত প্ৰচলিত হয়।

বৃহত্তৰ পথৰুঘাট অঞ্চলৰ ইতিহাস অধ্যয়নৰ বাবে যে কেৱল কিংবদন্তি আৰু জনশ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় এনে নহয় ইয়াৰ ইতিহাসৰ স্পষ্ট তথ্য পোৱা যায়। উদাহৰণ স্বৰূপে কোঁচ আহোম (১৬১৬-১৮২৬) আৰু (১২২৮-১৮২৬) ৰাজত্ব কালতো এই অঞ্চলৰ গুৰুত্বপূৰ্ণ ইতিহাস আছে। নৰ নাৰায়ণৰ (১৫৩৩-১৫৮৭) ৰাজসভাৰ সঙ্গীতজ্ঞ পণ্ডিত সৰ্বানন্দ ব্যাস কলাইৰ ঘৰ পথৰুঘাটৰ ওচৰত ব্যাসপাৰাত আছিল। কিন্তু সময়ৰ গতিত দৰঙী ৰজা সকলৰ ক্ষমতা হ্ৰাস পাই আহিছিল। ইয়াণ্ডাবু সন্ধিৰ (১৮২৬ খ্ৰীঃত) পিছতো ১৮৩৩ খ্ৰীষ্টাব্দলৈ দৰঙী ৰজা সকলে কোনোমতে স্বাধীন হৈ আছিল।

ইংৰাজসকলে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধিৰ চৰ্তনুসাৰে আহোম ৰাজ্যৰ নিজ দখললৈ নিয়াৰ লগে লগে দৰঙী কোঁৱৰ সকলোৰো ৰাজত্ব ব্ৰিটিছৰ অধীনলৈ গৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম অংশক চাৰিখন জিলাত ভাগ কৰাৰ ফলত গোৱালপাৰা,

কামৰূপ, নগাঁওকে ধৰি দৰঙো (বিশ্বনাথক ভিতৰ কৰি) পূৰ্বৰ দৰঙী ৰাজ্যৰ নামনুসৰি মঙলদৈক সদৰ কৰি জিলাৰূপে স্বীকৃত হয়। পিছলৈ ব্ৰহ্মপুত্ৰৰ বানপানীৰ আশংকাত মঙলদৈৰ পৰা জিলা সদৰ তেজপুৰলৈ স্থানান্তৰ হয়।

অৰ্থনৈতিকভাৱে অনগ্ৰসৰ ঊনবিংশ শতিকাৰ অসমীয়া কৃষকে অন্যায় আৰু প্ৰণালীবদ্ধ ভাৱে ৰাজহ বৃদ্ধিৰ বিৰুদ্ধে সংগ্ৰামৰ পাতনি মেলা বিষয়টোৱে এক বিশেষ তাৎপৰ্য বহন কৰি আহিছে। অসমৰ প্ৰায় ৮০ শতাংশ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিৰ সমৃদ্ধি আৰু পতনৰ লগত কৃষকৰ জীৱন ধাৰণৰ মানদণ্ড নিৰ্ভৰ কৰে। অতীতত কৃষক সকলেই আছিল ভূমিৰ প্ৰকৃত মালিক। জনগোষ্ঠীয় একতাৰে আবদ্ধ গ্ৰাম্য সমাজ ভূমিৰ যৌথ তথা উমৈহতীয়া মালিক আছিল। আনুগত্যৰ চিনস্বৰূপে মাত্ৰ জীৱন আৰু সম্পত্তিৰ ৰক্ষা কৰ্তাজনক উৎপাদিত ফচলৰ নিৰ্ধাৰিত একাংশ দিব লাগিছিল। মনু সংহিতাৰ মতে এক ষষ্ঠমাংশৰ পৰা এক দশমাংশ হিন্দু ৰজাসকলৰ ৰাজত্বত ৰাজঘৰীয়া খাজনা নিৰ্ধাৰিত হৈছিল। মোগল ৰাজত্বকালত (১৫২৬-১৭০৭) খাজনা বৃদ্ধি হাৰ এক তৃতীয়াংশ আছিল। অৱশ্যে মোগল সাম্ৰাজ্যৰ পতনৰ পিনে খাজনাৰ পৰিমাণ বৃদ্ধিৰ হৈ ফচলৰ আধালৈ নিৰ্ধাৰিত হৈছিলগৈ। ভাৰতত ১৭৫৭ চনৰ পলাচী যুদ্ধৰ দ্বাৰা শাসনৰ দায়িত্ব ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়, যদিও ব্ৰিটিছ প্ৰশাসনে মোগলৰ খাজনাৰ শেষ হাৰকেই বাহাল ৰাখিছিল। লগতে আদায়ৰ পদ্ধতিৰো যথেষ্ট সালসলনি ঘটায়। ই কৃষক অৰ্থনীতিত আহুকালৰ সৃষ্টি কৰিছিল বুলি ক'ব পাৰি। ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধত দেখা দিয়া কৃষক বিদ্ৰোহৰ বাবে ব্ৰিটিছৰ সাম্ৰাজ্যবাদী ৰাজস্ব নীতিক মূলতঃ দোষাৰোপ কৰিব পাৰি।

কৃষক বিদ্ৰোহ বুলি কলে মূলতঃ বিভিন্ন শ্ৰেণীৰ কৃষকে ভোগ কৰি অহা উৎপীড়ন তথা শোষণৰ বিৰুদ্ধে কৰা ঐক্যবদ্ধ সংগ্ৰামকে বুজা যায়। অৱশ্যে ইয়াৰ দ্বাৰা তেওঁলোকে সমগ্ৰ ব্যৱস্থাটোকে ওফৰাব নিবিচাৰিছিল। তেওঁলোকে কেৱল নিজৰ ক্ষোভ প্ৰকাশ কৰি তাৰ পৰা পৰিত্ৰাণ বিচাৰিছিল।

অসমত ব্ৰিটিছ সাম্ৰাজ্যবাদী শোষণৰ পথ প্ৰশস্ত কৰে ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিয়ে। এই সন্ধিয়ে পিছত নামনি অসমৰ শাসনৰ দায়িত্ব এগৰাকী ব্ৰিটিছ ৰাজনৈতিক এজেন্টৰ হাতত অৰ্পণ কৰিছিল। প্ৰাৰম্ভিক পৰ্যায়ত ব্ৰিটিছে অসমত একে ধৰণৰ ৰাজহ ব্যৱস্থা প্ৰৱৰ্তন কৰা নাছিল। জিলা ভেদে ইয়াৰ পৰিমাণ বেলেগ বেলেগ আছিল। পূৰ্বৰ গা খাটি দিয়া আৰু ফচলৰ যোগেদি খাজনা দিয়াৰ পৰিৱৰ্তে নগদ ধনেৰে খাজনা আদায়ৰ ব্যৱস্থা গ্ৰহণ কৰে।

আহোম কোঁচ সকলৰ আমোলত দৰঙৰ জনসাধাৰণে লাভ কৰি অহা সা-সুবিধাবোৰ ইংৰাজ প্ৰশাসনে বন্ধ কৰি দিয়াত জনসাধাৰণ ক্ষোভিত, নিৰাশ আৰু অসন্তুষ্ট হ'ল। ব্ৰহ্মপুত্ৰ উপত্যকাত ইংৰাজ শাসনৰ আৰম্ভণিৰ পৰাই ভূমিৰ খাজনা আৰু অন্যান্য কৰ কাটলৰ বোজা জনগণৰ বাবে অসহনীয় হৈ পৰিছিল। ইংৰাজ চৰকাৰে দৰঙত প্ৰথমে নাঙল কৰ প্ৰতিখনে তিনি টকাকৈ লগাইছিল। ১৮৩২-৩৩ চনত সেই শিতানত আদায় হোৱা ধন প্ৰায় ৪০,০০০/- (চল্লিশ হাজাৰ) টকা আছিল। বিশেষকৈ ডেভিদ স্কট, ৰবাৰ্টছন আৰু জেনকিন্সৰ দ্বাৰা প্ৰৱৰ্তিত ৰাজহ ব্যৱস্থাই অসমীয়া জনসাধাৰণক অসন্তুষ্ট কৰিছিল। ইংৰাজ সকলৰ আমোলত পৰ্যায়ক্ৰমে প্ৰৱৰ্তন কৰা নতুন ভূমি ব্যৱস্থা আৰু টকাৰ মাধ্যমত মাটিৰ খাজনা নিৰ্দ্ধাৰণ নীতিয়ে তীব্ৰ ক্ষোভৰ জন্ম দিছিল। ১৮৪৯ চন পৰ্যন্ত এইদৰেই কৰ আদায় হৈ আছিল, কিন্তু তাৰ পিছত এটি পৰিবৰ্তন আহিল যিটো আছিল এক নতুন পিয়ল। ইংৰাজ চৰকাৰে মাটি জৰীপ কৰি মাটিৰ তিনিটা শ্ৰেণীত বিভাগ কৰিছিল আৰু সেইদৰে মাটিৰ খাজনা ধাৰ্য কৰিছিল।

(ক) বস্তি মাটি ঃ ঘৰবাৰী কৰাৰ উপযুক্ত।

(খ) ৰূপিত মাটি ঃ দ আৰু খেতিৰ উপযোগী।

(গ) ফৰিঙ্গতি মাটি ঃ বাম খেতিৰ যোগ্য।

চাৰি বিঘা মাটিৰে এপূৰা হিচাপে ধৰা হয়। এপূৰা মাটিৰ খাজনা নিৰ্দ্ধাৰণ কৰা হৈছিল এনে ধৰণৰ ঃ এটকাকৈ। সেই সময়ৰ আয়ুক্ত হপকিন্সে ১৮৬১ চনত তিনি প্ৰকাৰৰ মাটিৰ কৰ বৃদ্ধিৰ পৰামৰ্শ দিছিল আৰু ১৮৬৮-৬৯ চনত কৰ বৃদ্ধিৰ প্ৰস্তাৱত চৰকাৰে সন্মতি প্ৰকাশ কৰিছিল।

নিম্নলিখিত তালিকাত পাঁচখন



| জিলা | পূৰ্বৰ নিৰিখ | | | প্ৰস্তাৱিত নিৰিখ | |
|---|---|---|---|---|---|
| | ৰূপিত | অৰূপিত | বস্তি | ৰূপিত | অৰূপিত |
| কামৰূপ | ১ টকা ৮ আনা | ১ টকা | ৩ টকা | ১ টকা ১৪ আনা | ১ টকা ৮ আনা |
| দৰং | ১ টকা ৬ আনা | ১ টকা ২ আনা | ৩ টকা | ১ টকা ১৪ আনা | ১ টকা ৮ আনা |
| নগাঁও | ১ টকা ৬ আনা | ১ টকা ২ আনা | ৩ টকা | ১ টকা ১৪ আনা | ১ টকা ৮ আনা |
| শিৱসাগৰ | ১ টকা ৪ আনা | ১ টকা | ৩ টকা | ১ টকা ১৪ আনা | ১ টকা ৪ আনা |
| লখিমপুৰ | ১ টকা ৪ আনা | ১ টকা | ৩ টকা | ১ টকা ৪ আনা | ১ টকা ৮ আনা |

জিলাৰ পূৰ্বৰ ৰাজহৰ হাৰ আৰু ১৮৬৫ চনৰ প্ৰস্তাৱিত বৃদ্ধিৰ হাৰ দেখুওৱা হ'ল

আয়ুক্ত হপকিন্সৰ পৰামৰ্শৰ ভিত্তিত ১৮৬৪-৬৫ চনৰ সৰ্বমুঠ ১০,০১,৭৭৩.০০ টকাৰ ঠাইত ১৮৭২-৭৩ চনত খাজনা দুগুণতকৈ অধিক বাঢ়ি ২১,৬৫,১৫৭.০০ টকা হৈছিলগৈ। (Guha, Amalendu, "Planter Raj to Swaraj; Freedom Struggle and Electoral Polities is Assam, 1826-1947" Delhi, 1977).

হৰকান্ত সদৰামিনে তেখেতৰ আত্মজীৱনীত লিখামতে ১৮৫৪-৫৫ চনত ৰূপিত মাটিৰ প্ৰতি পুৰাই প্ৰতি ডেৰ টকা আৰু বাকীবোৰ মাটিৰ পুৰাই প্ৰতি এটকাকৈ থকা খাজনাৰ ঠাইত ১৮৭০-৭১ চনত ৰূপিত মাটিৰ আঢ়ৈ টকা, বস্তি মাটি চাৰি টকা আৰু বাকী মাটিৰ পুৰাই প্ৰতি দুটকাকৈ খাজনা নিৰ্দ্ধাৰণ কৰা হৈছিল।

অত্যধিক কৰৰ হেঁচাত সৰ্বস্বান্ত হোৱা কৃষক সকলৰ কুলাই পাঁচিয়ে নধৰা অৱস্থা হয়। প্ৰথম অৱস্থাত কৃষক সকলে আবেদন নিবেদন কৰিও কোনো সুফল নোপোৱাত ১৮৬১ চনৰ ফুলগুৰি বিদ্ৰোহৰ নিচিনাকৈ ১৮৬৮ চনতে মঙলদৈ মহকুমাৰ পথৰুঘাটৰ কৃষক সকলেও চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠে কিন্তু কৃষক সকলৰ তেনে অৱস্থাৰ বিষয়ে তথা কৃষকসকলৰ বিদ্ৰোহী মনোভাৱৰ কথা বুজিব পাৰিও পুনৰ ১৮৯৩ চনৰ খাজনা বৃদ্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰাটো চৰকাৰৰ পক্ষে এক হটকাৰী (ভুল) সিদ্ধান্ত আছিল বুলি ক'ব পাৰি। উল্লেখযোগ্য যে, ১৮৯২ চনৰ জুন মাহত অসমৰ চিফ কমিচনাৰ উইলিয়াম আৰ্চকাইন ৱাৰ্ডে ভূমিৰ নতুন শ্ৰেণী বিভাজনৰ ভিত্তিত। ১৮৯৩-৯৪ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ ভূমি ৰাজহ বৃদ্ধিৰ প্ৰাৰম্ভিক প্ৰস্তাৱ দাঙি ধৰিছিল। নিম্নলিখিত তালিকাখনে ১৮৬১ চনৰ আৰু ১৮৯৩ চনৰ খাজনাৰ নিৰিখৰ ব্যৱধান দাঙি ধৰে। (Assam Valley Re-Assessment Report, 1893, State Archives, Dispur)

১৮৯২-৯৩ চনৰ দৰং জিলাৰ সংগৃহীত ৰাজহৰ পৰিমাণ আছিল ৪,৯৬,৬৪২.০০ টকা। ১৮৯৩-৯৪ চনত এই পৰিমাণ হৈছিল ৬,৪৮,৮২০.০০ টকা। মুঠ বৃদ্ধিৰ পৰিমাণ আছিল ১,৫২,১৩৮.০০ টকা। আনহাতে জৰীপকৃত মাটিৰ পৰিমাণ আছিল কেৱল ১৪৬৬ একৰ। (Allen B.C., "Assam District

| মাটিৰ | ১৮৯৩ চনৰ নিৰিখ | | | ১৮৬১ চনৰ নিৰিখ | | |
|---|---|---|---|---|---|---|
| প্ৰকাৰ | বস্তি | ৰূপিত | ফৰিঙতি | বস্তি | ৰূপিত | ফৰিঙতি |
| ১ম শ্ৰেণী | ২ টকা | ১ টকা ৪ আনা | ১ টকা | | | |
| ২য় শ্ৰেণী | ১ টকা ৮ আনা | ১ টকা | ১২ আনা | ১ টকা | ১০ আনা | ৮ আনা |
| ৩য় শ্ৰেণী | ১ টকা ৪ আনা | ১২ টকা | ১০ আনা | | | |

Gazatters, Darrang", Calcutta, 1905).

চৰকাৰে বৰ্ধিত হাৰত খাজনা আদায়ৰ সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছিল যদিও সফল হৈছিল বুলি ক'ব নোৱাৰি। কাৰণ ১৮৯১ চনৰ ১ এপ্ৰিলত দৰং জিলাৰ মুঠ ৪,৮৫,৬৭৩.০০ টকা বিপৰীতে আদায় হৈছিল মুঠ ৪,৮৫,৪৯৩.০০ টকা। মুঠ অনাদায় আছিল ১৮০.০০ টকা। এই পৰিমাণ বৃদ্ধি হৈ ১৮৯২-৯৩ চনত হৈছিল ৪৩,৬৪৮.০০ টকা। এনেদৰে অনাদায় হৈ ৰোৱা ৰাজহৰ বাবে একমাত্ৰ চৰকাৰৰ কৰ বৃদ্ধিয়েই যে মূল কাৰণ আছিল এইটো জিলা উপায়ুক্তই অকপট ভাৱে স্বীকাৰ কৰি লৈছিল। (Annual Revenue Administration Report, 1893-94, P-18, State Archives, Dispur)

দৰং জিলাৰ পথৰুঘাট তহচিলৰ কৃষক সকলে চৰকাৰৰ বৰ্ধিত হাৰত খাজনা নিদিবলৈ ৰাইজমেলত সিদ্ধান্ত কৰে। উল্লেখযোগ্য যে অসন্তুষ্ট কৃষকসকলে ৰাইজমেলত মিলিত হোৱাৰ লগতে তেওঁলোকৰ আপত্তি সমূহ চৰকাৰক লিখিতভাৱে দাখিল কৰিছিল। এই পত্ৰ সমূহ ১৮৯৩ চনৰ নৱেম্বৰ মাহত অসম চৰকাৰে ইংৰাজ চৰকাৰৰ মাটি খাজনা বৃদ্ধিৰ বাবে চূড়ান্ত প্ৰস্তাৱ দাখিল কৰাৰ বহুত পূৰ্বেই দাখিল কৰা হৈছিল। কিন্তু এনে আপত্তি দৰ্শোৱা সত্বেও কৃষকৰ ন্যায্য দাবীক আওকাণ কৰি খাজনা বৃদ্ধি কৰা হয়। ১৮৯৩ চনৰ শেষৰ ভাগত ৰাইজমেলত বৰ্ধিত হাৰত খাজনা নিদিয়াৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। ৰাইজমেলৰ নিৰ্দেশ অমান্য কৰি চৰকাৰৰ বৰ্ধিত হাৰত খাজনা দিয়া লোকৰ জৰিমনা কৰাৰ লগতে সামাজিক ভাৱে এঘৰীয়া কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। তথ্যমতে জানিব পাৰি যে, ৰাইজ মেলত লোৱা সিদ্ধান্তৰ বিষয়ে সেই সময়ৰ তহচিলদাৰ ৰায় বাহাদুৰ ভৱানীচৰণ ভট্টাচাৰ্য্য, সহকাৰী তহচিলদাৰ দিদাৰুদ্দিন শ্বেখৰ ওপৰিও মহকুমাধিপতি মিঃ ৰেমচনক অৱগত কৰা হৈছিল। মিঃ ৰেমচনে ৰাইজমেলৰ সিদ্ধান্ত শুনি মন্তব্য কৰিছিল যে তেওঁ চৰকাৰৰ নিৰ্দ্ধাৰণ কৰা খাজনা কমাব নোৱাৰে, কিন্তু তেওঁ ৰাইজমেলৰ সিদ্ধান্ত জিলাৰ উচ্চ খাপৰ বিষয়া উপায়ুক্তক অৱগত কৰিব। উক্ত মেলতে সিদ্ধান্ত লোৱা হৈছিল যে, পৰৱৰ্তী ৰাইজমেল (২৬,২৭,২৮ জানুৱাৰী ১৮৯৪) অনুষ্ঠিত হ'ব আৰু তাত দৰং জিলাৰ উপায়ুক্ত জে.ডি. এণ্ডাৰচন (J.D. Anderson) উপস্থিত থাকিব।

পথৰুঘাট ৰাইজমেলৰ খবৰ জিলা উপায়ুক্তই মহকুমাধিপতি মিঃ ৰেমচনৰ জৰিয়তে পাইছিল। ৰাইজমেলৰ আন্দোলনৰ প্ৰস্তুতিৰ ভিতৰুৱা খবৰ নিতৌ ৰাখিছিল প্ৰশাসনে। পৰিস্থিতিৰ সন্মুখীন হ'বলৈ বিশদ পুলিচ বন্দবস্ত পুংখানুপুংখ ৰূপে পৰিচালিত নিৰাপত্তা ব্যৱস্থা কৰিছিল। তহচিলদাৰৰ ৰিপৰ্ট মৰ্মে দৰং জিলাধিপতি মিঃ জে. ডি. এণ্ডাৰচন আৰক্ষী অধীক্ষক মিঃ বেৰিংটন আৰু মঙলদৈৰ মহকুমাধিপতি মিঃ ৰেমচন চাহাবসকলে সিদ্ধান্ত ল'লে যে তেওঁলোকৰ সশস্ত্ৰ বাহিনীলৈ ২৮ জানুৱাৰীৰ দিনা পথৰুঘাটলৈ আহিব আৰু সেইমতে ৰাইজক খবৰ দিয়া হ'ল।

২৮ জানুৱাৰী তাৰিখে ৰাতিপুৱাই আৰক্ষী অধীক্ষক মিঃ বেৰিংটন তহচিলদাৰৰ সৈতে পুলিচ আৰু সামৰিক বাহিনীৰ লোকসহ খাজনা নিদিয়া ৰায়তৰ সম্পত্তি ক্ৰোক কৰিবলৈ যায়। প্ৰথমাৱস্থাত তেওঁলোকে এগৰাকী লোকৰ সম্পত্তি ক্ৰোক কৰিবলৈ সমৰ্থ হয়। এই খবৰ পাই ৰাইজমেলৰ প্ৰায় ২০০ মান লোক সেই গাঁৱলৈ গৈ খাজনা সংগ্ৰহ তথা সম্পত্তি ক্ৰোক কৰা কাৰ্যক তীব্ৰ ভাৱে বাধা প্ৰদান কৰে।

পুলিচ-মিলিটাৰীৰ সহযোগত খাজনা আদায় নিদিয়া কৃষকৰ সম্পত্তি ক্ৰোক কৰি অনাৰ ঘটনাই ৰাইজমেলত সমবেত কৃষকৰ মাজত চৰকাৰৰ তীব্ৰ বিষাদগাৰৰ সৃষ্টি কৰিছিল। সেয়ে দিনৰ এক মান বজাত ৮০০ ৰ পৰা ১০০০ মান কৃষকে জিলা উপায়ুক্ত জে.ডি. এণ্ডাৰচনে থিতাপি লোৱা কেম্পলৈ "আল্লাহু আকবাৰ" আৰু "হৰিবোল" ধ্বনিৰে আগবাঢ়ি গৈছিল। কৃষকসকলে দ্বিগজ নদীৰ কাষত থকা মুকলি ঠাইখিনিত সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে সমৱেত হয়। উপায়ুক্তই ৰেষ্ট কেম্পৰ পৰা ওলাই আহি কৃষকসকলক তাৰ পৰা আৰু ৰাইজ মেলৰ পৰা উভতি যাবলৈ নিৰ্দেশ দিয়ে। আনকি নিৰ্দেশ অমান্য কৰিলে শক্তি প্ৰয়োগ কৰি হ'লেও তেওঁলোকক ৰাইজমেলৰ পৰা খেদি পঠিওৱা হ'ব বুলি জনাই দিছিল। জিলাধিপতিয়ে খাজনা হ্ৰাস কৰাৰ বাৰ্তা দিব বুলি অধীৰ অপেক্ষাৰে বৈ থকা কৃষকসকলে নিজৰ সিদ্ধান্তত অটল থাকি সেই ঠাই ত্যাগ কৰিবলৈ অমান্তি হয়। ইতিমধ্যে প্ৰায় ২০০০ মান কৃষকে সেই ঠাইখিনিত সমৱেত হৈছিল আৰু তেওঁলোক লাঠি, টাঙোন আৰু বাঁহৰ



ফলা কামি আদি লৈ সু-সজ্জিত হৈছিল। বিদ্ৰোহী কৃষক সকলে পুলিচ আৰু সামৰিক বাহিনীক ৰেষ্ট কেম্পলৈ খেদি পঠিয়ায়। চৰকাৰী পক্ষই কৃষকসকলক তাৰ পৰা ছত্ৰভংগ দিয়াবলৈ চেষ্টা কৰাত তেওঁলোকে জিলা প্ৰশাসনৰ বিষয়াসহ পুলিচ আৰু সামৰিক বাহিনী লোকৰ ওপৰত আক্ৰমণ কৰিবলৈ ধৰে। কৃষকসকলে লাঠি, টাঙোন, দলি চপৰা আদিৰে আক্ৰমণ কৰি চৰকাৰী পক্ষক ব্যতিব্যস্ত কৰি তোলে। মিঃ বেৰিংটন আৰু জে. ডি. এণ্ডাৰচন এই আক্ৰমণত আঘাত প্ৰাপ্ত হৈছিল। এনে অৱস্থাত এণ্ডাৰচনে কৃষক সকলৰ ওপৰত গুলীচালনাৰ নিৰ্দেশ দিয়ে আৰু লগে লগে ৰেষ্ট কেম্পলৈ উভতিবলৈ নিৰ্দেশ দিয়ে। কৃষক সকলে গুলিচালনাৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰি চৰকাৰী পক্ষক খেদি গৈছিল। কৃষক আৰু চৰকাৰী পক্ষৰ মাজত তয়াময়া ৰণত অনেক সংখ্যক কৃষকৰ মৃত্যু হয় আৰু এয়েই "পথৰুঘাট ৰণ" নামে জনাজাত। পথৰুঘাট ৰণত বিদ্ৰোহী কৃষক আৰু চৰকাৰী পক্ষৰ মাজত সংঘৰ্ষত প্ৰকৃততে কিমান বিদ্ৰোহীৰ মৃত্যু হৈছিল এই লৈ বিতৰ্ক থকা দেখা যায়। পুলিচ অধীক্ষক বেৰিংটনে চৰকাৰৰ ওচৰত দাখিল কৰা প্ৰতিবেদনৰ পৰা জনা যায় যে, পুলিচৰ গুলীত অনেক কৃষক মৃত্যু হৈছিল। আনহাতে চৰকাৰী পক্ষৰ কোনো লোক হতাহত হোৱা নাছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাসমূহৰ কমিছনাৰ জি. গডফ্ৰেৰ মতে পুলিচ মিলিটাৰী আক্ৰমণত কৃষক সকলৰ ১৫ জনৰ মৃত্যু হৈছিল আৰু ৩৭ জন আহত হৈছিল। আনহাতে 'দলি পুৰাণ' আৰু অসমৰ্থিত বেচৰকাৰী তথ্যৰ মতে মৃত্যু হোৱা কৃষকৰ সংখ্যা আছিল ১৪০ আৰু প্ৰায় ১৫০ জন মান কৃষক আহত হৈছিল। বিদ্ৰোহত পুলিচৰ গুলিত মৃত্যুবৰণ কৰা আটাইবোৰ কৃষককে ওচৰৰে পুখুৰী এটাত পেলাই পুতি থোৱা হৈছিল। অৱশ্যে আঘাতপ্ৰাপ্ত হোৱা কৃষকৰ সংখ্যা আৰু অধিক হোৱাটো স্বাভাৱিক আছিল বুলি ক'ব পাৰি। কাৰণ আঘাতপ্ৰাপ্ত হোৱা কৃষকৰ লগৰীয়া সকলক বিশেষ পুলিচসকলে মঙলদৈ চিকিৎসালয়লৈ চিকিৎসা কৰিবলৈ নিয়াৰ বাবে হেঁচা দিছিল (The Hindu Patriot, 5th February, 1894, Calcutta, Assam District, Gazetteer by B.C. Allen, Vol. V, Darrang 1905) আৰু চিকিৎসা কৰি জেললৈ পঠিয়াইছিল। বহু সময়ত চৰকাৰী ৰোষত পৰাৰ ভয়ত বহুতো আঘাতপ্ৰাপ্ত কৃষকে নিজৰ আঘাত লুকুৱাবৰ চেষ্টা কৰিছিল বুলি চৰকাৰী তথ্যত পোৱা যায়।পথৰুঘাটৰ ১৮৯৪ চনৰ বিদ্ৰোহক "দলি ৰণ' নামেও জনাজাত। পথৰুঘাটৰ এই শিহৰণকাৰী ঘটনাক সেই সময়ৰ জনৈক নৰোত্তম দাস নামৰ কবিয়ে সম্পূৰ্ণ দৰঙীয়া উপভাষাত "পুৰাণ"ৰ আৰ্হিত লিপিবদ্ধ কৰি সজীৱ কৰি ৰাখিছে।

পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ নেতৃত্বৰ ক্ষেত্ৰত চৰকাৰী পক্ষই এইটোক সম্পূৰ্ণ ভাৱে মুছলমান লোক সকলৰ দ্বাৰা সংগঠিত হৈছিল বুলি ক'ব খোজে। সম্ভৱত ব্ৰিটিছ বিষয়াসকল সন্মুখ সমৰত দীঘল দাড়িৰ লোকৰ উপস্থিতিৰ পৰা ইয়াক অনুমান কৰা যেন লাগে। কিন্তু নিঃসন্দেহে এইটো ক'ব পাৰি যে বিদ্ৰোহ সংঘটিত হোৱা ঠাইখিনিত মুছলমান লোকৰ বসতি ঘন। কিন্তু পৰৱৰ্তী সময়ত লিখনিৰ পৰা জনা যায় যে পথৰুঘাট ৰাইজমেলত মুছলমান সম্প্ৰদায়ৰ উপৰিও আন আন সম্প্ৰদায়ৰ লোকেও অংশগ্ৰহণ কৰিছিল আৰু দলি পুৰাণত সন্নিৱিষ্ট কৰা মৃতকৰ অসম্পূৰ্ণ তালিকাত বিভিন্ন জাতিৰ হিন্দু সম্প্ৰদায়ৰ লোকৰ নাম উল্লেখ আছে। উল্লেখযোগ্য যে ব্ৰিটিছ সকলে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ আৰু উনবিংশ শতিকাৰ শেষলৈকে হোৱা ব্ৰিটিছ বিৰোধী বিদ্ৰোহ সমূহ মুছলমান সকলৰ সৃষ্টি আছিল বুলি ক'ব খোজে। কাৰণ ব্ৰিটিছসকল ভাৰতৰ শাসনভাৰ মুছলমানসকলৰ পৰা কাঢ়ি লৈছিল আৰু মুছলমান সকলক বহু সময়ত শত্ৰু জ্ঞান কৰি আহিছিল। অৰ্থাৎ পথৰুঘাটৰ ৰণক মুছলমান সকলৰ সৃষ্টি বুলি নকৈ সকলো শ্ৰেণীৰ লোকৰ প্ৰচেষ্টাত গঢ়ি উঠা এক ঐক্যবদ্ধ সংগ্ৰাম আছিল বুলি কোৱাটোৱে সমীচিন হ'ব।

মুঠতে বৰ্ধিত হাৰত ৰাজহৰ হেঁচাত কঁকাল পোন কৰিব নোৱাৰা কৃষকসকলৰ বিদ্ৰোহ দমনৰ নামত চৰকাৰী পক্ষই "সন্ত্ৰাসৰ ৰাজত্ব" (Reign of Terror) চলাইছিল। এই কথাৰ প্ৰমাণ পোৱা যায় ১৮৯৪ চনৰ ফেব্ৰুৱাৰীৰ "বংগবাসী পত্ৰিকা"ৰ লিখনিত। তাত উল্লেখ কৰা হৈছে যে "..................... great oppressions are being still committed on the raiyats. They are being sent to jail in numbers on the charge of having been implicated in the riots. Respectable people are being enlisted as special constables and employed in collecting rents. The people do not any longer dare

refuse rent ........" চৰকাৰী নথি পত্ৰৰ পৰা জনা যায় যে, ৰাইজমেল বিদ্ৰোহত অংশ গ্ৰহণ কৰাৰ অপৰাধত মুঠ ৩৭ জন কৃষকক গ্ৰেপ্তাৰ কৰি বিচাৰ কৰা হৈছিল। ইয়াৰে ৭ জনক দোষী সাব্যস্ত কৰি শাস্তি দিয়া হৈছিল আৰু বাকী ৩০ জনক নিৰ্দোষী বুলি মুকলি কৰি দিছিল। দীনেশ্বৰ শৰ্মাৰ "পথৰুঘাটৰ ৰণ" শীৰ্ষক গ্ৰন্থৰ মতে দোষী সাব্যস্ত কৰা লোক সকলক দুই তিনি মাহ জেলত ৰাখি ৬০/৭০ টকাৰ জৰিমনা বিহ হৈছিল।

যিয়েই নহওঁক কিয় পথৰুঘাটৰ কৃষক বিদ্ৰোহ ব্যৰ্থ হ'ল সঁচা। কিন্তু ইয়াৰ কিছুমান দিশ বৰ্তমানেও জীৱিত হৈ আছে। পথৰুঘাটৰ কৃষক বিদ্ৰোহ অত্যন্ত শক্তিশালী আৰু সু-সংগঠিত আছিল। "Indian Nation" কাকতৰ ২১ এপ্ৰিল, ১৮৯৪ চনৰ সংখ্যাত কৃষক সকলৰ দাবী ন্যায় সংগত আছিল আৰু আবেগৰ বশৱৰ্তী হৈ কৰা বিদ্ৰোহ নাছিল বুলি মন্তব্য কৰিছে "People complain not of loss of rights and privileges, not of lowering of status, but of a material wrong in the shape of enhancement of revenue" আনকি Imperial Legislative Assembly ত ৰাস বিহাৰী ঘোষে বিষয়টো উপস্থাপন কৰি ব্ৰিটিছ চৰকাৰক বিপাণ্ডত পেলাইছিল। এনে পৰিস্থিতিত ভাৰত চৰকাৰে প্ৰথম অৱস্থাত ৫৩ শতাংশ আৰু পিছলৈ ৩২.৭ শতাংশ ৰাজহৰ হাৰ কমাবলৈ বাধ্য হৈছিল।

পথৰুঘাট কৃষক বিদ্ৰোহৰ কেইটামান উল্লেখযোগ্য দিশ তলত উল্লেখ কৰা হ'ল —

১। বিদ্ৰোহী প্ৰজাসকলৰ অধিক সংখ্যকেই আছিল হাড়ভঙা পৰিশ্ৰম কৰা কৃষক। সেয়ে এই বিদ্ৰোহক আমি ভাৰতৰ স্বাধীনতা আন্দোলনৰ সশস্ত্ৰ সংগ্ৰামৰ প্ৰথম কৃষক বিদ্ৰোহ হিচাপে ক'ব পাৰো। এই বিদ্ৰোহ সম্পূৰ্ণ স্বতঃস্ফূৰ্ত আছিল আৰু ই কৃষকসকলৰ সাহসৰ পৰিচয় দাঙি ধৰে। তদুপৰি এই বিদ্ৰোহ কৃষকসকলৰ ন্যায্য অধিকাৰৰ প্ৰতি থকা সজাগতাৰ কথা প্ৰকাশ কৰে। পথৰুঘাটৰ কৃষকসকলৰ কোনো নিৰ্দিষ্ট নেতা অবিহনে সংঘবদ্ধ হোৱাটো এক উল্লেখযোগ্য দিশ।

২। পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ আন এক তাৎপৰ্য আছে সেয়া হৈছে সম্প্ৰীতিৰ ঐতিহ্য। মুছলমান অধ্যুষিত পথৰুঘাটত হিন্দু-মুছলমানে হাতত ধৰা-ধৰিকৈ দুয়োটা সম্প্ৰদায়ে পৰস্পৰক জাতি, ধৰ্ম আৰু বৰ্ণ সংকীৰ্ণতাৰ উৰ্ধত থকা নিৰ্দিষ্ট লক্ষ্য ৰাজহ বৃদ্ধিৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈছিল। সেয়ে আজিকোপতি পথৰুঘাট, ছিপাঝাৰ আদি অঞ্চলে সাম্প্ৰদায়িক সম্প্ৰীতিৰ ক্ষেত্ৰত আদৰ্শ হিচাপে অসম ইতিহাসত নিজৰ নাম অক্ষুণ্ণ ৰাখিব পাৰিছে।

৩। প্ৰকৃততে পথৰুঘাটৰ কৃষক বিদ্ৰোহ আছিল সম্পূৰ্ণ অহিংসা পন্থাৰে কৰা আন্দোলন। কিয়নো কৃষক বিদ্ৰোহী সকলৰ বহুতৰে মৃত্যু হৈছিল যদিও তেওঁলোকে কোনো বৃটিছ বিষয়াৰ প্ৰাণ হানি কৰা নাছিল।

৪। পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ অন্যতম দিশ এয়ে যে ই কৃষকসকলৰ নিজৰ অধিকাৰ সম্পৰ্কে যে তেওঁলোক সজাগ আছিল তাক প্ৰমাণ কৰিছিল। কৃষকসকলে মাটিৰ ওপৰত খাজনা আৰোপ কৰাৰ বিৰোধী নাছিল। মাথোঁ অত্যধিক আৰু অন্যায় হাৰত খাজনা আৰোপ কৰাৰহে বিৰোধী আছিল।

৫। পথৰুঘাটৰ কৃষক বিদ্ৰোহত ৰাইজমেল সামৰিক আৰু মানসিক বল যোগোৱাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু বিদ্ৰোহত অভিজাত শ্ৰেণীৰ সমৰ্থন পোৱাত সম্পূৰ্ণ ব্যৰ্থ হৈছিল বুলি ক'ব পাৰি।

তদুপৰি পাথৰিঘাটৰ ৰণৰ লগে লগে ইংৰাজ সাম্ৰাজ্যবাদ বিৰোধী ঊনবিংশ শতিকাৰ অসমৰ কৃষক বিদ্ৰোহৰ অন্ত পৰিছিল। ইয়াৰ লগে লগে ৰাইজমেলৰ ভূমিকাও অন্ত পৰে আৰু তাৰ ঠাইত নতুনকৈ গঠন হোৱা ৰায়ত সভা সমূহে প্ৰাধান্য লাভ কৰিবলৈ ধৰে। এই ৰায়ত সভা সমূহৰ নেতৃত্ব গ্ৰহণ কৰিছিল পাশ্চাত্য শিক্ষাৰে শিক্ষিত অভিজাত লোকসকলে।

কেৱল ঐতিহাসিক দিশৰ পৰাই নহয়, অসমৰ সাম্প্ৰতিক পৰিস্থিতিত তথা ভৱিষ্যতেও 'পথৰুঘাটৰ ৰণ'ৰ ত্যাগ, সম্প্ৰীতি, সাহস আৰু প্ৰেৰণা আৰু আদৰ্শৰ তাৎপৰ্য্য আছে আৰু ভৱিষ্যতলৈয়ো থাকিব। নিজৰ নাঙল, মাটি আৰু দেশৰ মানুহৰ বাবে আত্মোৎসৰ্গৰ এনে উদাহৰণ ভাৰতৰ ইতিহাসতেই বিৰল।


**<u>সহায় লোৱা পুথি সমূহঃ</u>**

১। Barpujari , H.K.- Assam in the days of company.

২। Barpujari , H.K.(ed)- Political History of Assam, Vol-1

৩। নান্দনিক সাহিত্য চ'ৰা, পথৰুঘাট, ইতিহাস গৰকা পথৰুঘাট।

৪। নান্দনিক সাহিত্য চ'ৰা, পথৰুঘাট, ঊনবিংশ শতিকাৰ অসমৰ কৃষক বিদ্ৰোহ।

৫। দৰং জিলা সাহিত্য সভা- 'দৰঙৰ ইতিহাস'।


■■■



প্ৰবন্ধ —

# বন্ধুৰ প্ৰয়োজনীয়তা


খালিদা জীয়া

বি.এ. (প্ৰথম ষাণ্মাসিক)


**'বন্ধু'** এই শব্দটিয়েই কিজানি মানৱ সমাজৰ জীয়াই থকাৰ একমাত্ৰ প্ৰেৰণা। যাৰ অভাৱত মানুহে হাহাকাৰ কৰি ফুৰে আৰু জীৱনটো হৈ পৰে অৰ্থহীন, সীমাহীন আৰু অন্ধকাৰাছন্ন। 'বন্ধু' এনে এটি সুমধুৰ শব্দ যিটোৰ উচ্চাৰণত অনুভূত হয় এক অনাবিল শিহৰণ। ইয়াৰ মাজত সোমাই থাকে মৰম ভালপোৱা, বিশ্বাস, আন্তৰিকতা, ত্যাগ আৰু একাত্মবোধ। বন্ধুৱেই শিকায় প্ৰেম, ধৈৰ্য্য আৰু প্ৰশান্তি। সঁচাকৈয়ে বিশ্বাসী আৰু অন্তৰংগ বন্ধু থাকিলে জীৱনটো বুজিবলৈ আৰু উপলব্ধি কৰিবলৈ, জীৱনৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ বৰ সহজ। কিন্তু যাৰ অন্তৰংগ বন্ধু নাই তেওঁৰ জীৱন মৰু সদৃশ অচল মুদ্ৰাৰ দৰে পৰি থকা শামুকৰ খোলাৰ দৰে। অন্তৰংগ বন্ধু নথকা জনৰ হৃদয় বোলা কোনো বস্তু নাই। আচলতে বন্ধুত্ব গঢ়িবলৈ লাগে এক সুলভ মন। বন্ধুৰ পৰা একো বিচাৰিব নালাগে, মাথো বিচাৰিব লাগে হৃদয় জোখা এক যন্ত্ৰ। এজন বন্ধু বা বান্ধৱী একে লগে ফুৰা-চকা, খোৱা-বোৱা, হাঁহি -ধেমালি কৰি থাকিলেই বন্ধুত্ব গঢ়া বুলি ক'ব নোৱাৰি। দুজনৰ মাজত প্ৰায় বিলাক ক্ষেত্ৰত মিল থাকিলেও তেওঁলোকৰ মনৰ গোপন কক্ষত অনুভূতিৰ সাদৃশ্য নাথাকিবও পাৰে। যি বন্ধুত্বৰ মাজত স্বৰ্গীয় প্ৰেম, বিশ্বাস আন্তৰিকতাৰ দৰে মিঠা অনুভূতি সমূহৰ অভাৱ য'ত কেৱল স্বাৰ্থপৰতা বিৰাজমান, পাৰস্পৰিক বুজাপৰাৰ অভাৱ তেনে বন্ধুত্ব এদিন সময়ৰ সোঁতত নদীৰ গৰা খহাৰ দৰে খহি যাব পাৰে। কিন্তু প্ৰকৃত বন্ধুৰ মাজত থকা অকৃত্ৰিম স্নেহ আনুগত্যৰ মনোভাৱে জীৱন সুন্দৰ কৰি তোলে। বৰ্তমান যান্ত্ৰিক যুগত যিজনে প্ৰকৃত বন্ধু বিচাৰি পাইছে তেওঁতকৈ সৌভাগ্যবান ব্যক্তি যেন এই পৃথিৱীত আন কোনো নাই। বন্ধু হ'ল সেইজন যিজনৰ ওচৰত মুক্তভাৱে প্ৰকাশ কৰা হয় হৃদয়ৰ অন্তঃকৰণত সাঁচি ৰখা আশা আকাঙ্খা-সুখ-দুখৰ কথা। এজন প্ৰকৃত বন্ধুৰ সৰলতা, উদাৰ, মনোভাৱে জীৱনৰ গতি, প্ৰেম, সংঘাটক জয় কৰাৰ সাহস আৰু অনুভূতি যোগায়। কিন্তু বৰ্তমান কিছুমান বাহ্যিক আৰু আভ্যন্তৰীণ কাৰকে বন্ধুত্ব শব্দটোক কলুষিত কৰিছে। কিছুমান মানুহে স্বাৰ্থজনিত কাৰণতহে বন্ধুত্ব গঢ়ে। কোনোবাই 'জন'ৰ বাবে আৰু কোনোবাই মনৰ বাবে বন্ধুত্ব গঢ়ে। প্ৰতিজনৰে ইচ্ছা সুকীয়া এনেবোৰ কাৰণে 'বন্ধুত্ব' শব্দটোৰ পবিত্ৰতা নষ্ট কৰিছে। যিদিনা এই 'বন্ধুত্ব' নামৰ সুন্দৰ শব্দটোৰ ঠাইত 'হিংসা' নামৰ শব্দটো বহিব তেতিয়াই কিজানি পৃথিৱীখন ধ্বংশ হ'ব। বন্ধুত্ব জীয়াই থাকে বিশ্বাসৰ ভেটিত। বিশ্বাস হেৰুৱালে বন্ধুত্বৰ তাৰতম্য ঘটে। বন্ধুত্ব কেতিয়াও ধ্বংশ হৈ নাযায়। কিন্তু ইয়াৰ ৰূপ সলনি হয়। বন্ধুত্ব গঢ়াৰ দুটা গুণ থাকিলে বন্ধুত্বৰ এনাজৰীডাল চিৰদিনৰ বাবে অটুট ৰাখিব পাৰে। বন্ধুত্বৰ প্ৰয়োজনীয়তা অনুভূত হয় হৃদয়ৰ নিভৃত কোণৰ পৰা বন্ধুত্বই জীৱন ৰঙীণ আৰু জীপাল কৰি তোলে। মনত নতুন উদ্যম যোগায় আৰু জীয়াই থকাৰ প্ৰেৰণা দিয়ে। সেই কাৰণে আমাৰ প্ৰকৃত বন্ধুৰ প্ৰয়োজন। যিজনক বিশ্বাস কৰিব পাৰি আৰু যিজনৰ আগত নিজৰ চিন্তা লুক-ঢাক নকৰাকৈ ব্যক্ত কৰিব পাৰি তেওঁৱেই প্ৰকৃত বন্ধু।

■■■

# যাকাত— এটা অৱহেলিত স্তম্ভ

**তাৰাভানু খাতুন**
**বি.এ (দ্বিতীয় ষাণ্মাসিক)**

**সকলো** প্ৰশংসা মহান আল্লাহৰ বাবে যিজন পাক, মহান আৰু ক্ষমাশীল। তেওঁ বিশ্বৰ শ্ৰেষ্ঠ ধৰ্ম ইছলামক আমাৰ সকলোৰে কাৰণে মনোনীত কৰিছে আৰু আমাৰ সকলোকে শ্ৰেষ্ঠ নবী হজৰত মুহাম্মদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ উম্মত হিচাপে পৃথিৱীত পঠাইছে। তেওঁ আমাক ভাল পায়। সেই কাৰণে আমাৰ মুক্তিৰ বাবে কিছুমান উপদেশ পালন কৰিবলৈ কৈছে। সেই উপদেশবিলাক প্ৰিয়নবী হুজুৰ পাক (স্বাঃ)ৰ ত্বৰীকা (নিয়ম) অনুযায়ী পালন কৰিলে আমি ইহকাল আৰু পৰকালত সফলতা লাভ কৰিব পাৰিম।

'ইছলাম' আল্লাহ ৰাব্বুল আ'লামিনৰ মনোনীত ধৰ্ম। এই ধৰ্মৰ পাঁচটা মূল স্তম্ভ হ'ল — ঈমান বা কলিমা, নামাজ, ৰোজা, হজ্ব আৰু যাকাত। প্ৰথম তিনিটা স্তম্ভ সকলো মুছলমানৰ পক্ষে অৱশ্যে পালনীয় কৰ্তব্য। হজ্ব আৰু যাকাত পালন সকলোৰে বাবে ফৰজ নহয়। কেৱল মাত্ৰ সম্পদশালী মুছলমানৰ বাবে ফৰজ।

আল্লাহ তাআ'লাই পবিত্ৰ কুৰ্‌আনত বহু ঠাইত ঘোষণা কৰিছে— "আকিমুছ স্বালাতা ওৱাতুয যাকাত।" অৰ্থাৎ-"নামাজ কায়েম কৰা আৰু যাকাত দিয়া। আন ঠাইত আছে — "নামাজ কায়েম কৰা, যাকাত দিয়া আৰু যিসকলে আমাৰ সন্মুখত মূৰ দোৱাই সিহঁতৰ লগত মূৰ অৱনত কৰা।" (ছুৰা বাকাৰা) "যিসকলে সোণ ৰূপ সঞ্চয় কৰি ৰাখে আৰু সেইবোৰ আল্লাহৰ পথত ব্যয় নকৰে, সিহঁতক এক কঠিন পীড়াদায়ক আজাবৰ সংবাদ দিয়া.......।" (ছুৰা তওবা) কিন্তু দুঃখৰ বিষয় সকলো মুছলমান ঠিকমতে নামাজ আদায় কৰিলেও ঠিকমতে যাকাত আদায় কৰা দেখা নাযায়। ফলত আমাৰ নামাজ, ৰোজা দুৰ্বল হৈ পৰে। 'যাকাত' আদায় নকৰাৰ ফলত বহুতেই আল্লাহ পাকৰ অপ্ৰিয় বান্দা হৈ পৰে। 'যাকাত' আদায়কাৰী সকল আল্লাহৰ বন্ধু। আল্লাহ পাকে পবিত্ৰ কুৰ্‌আন শ্বৰীফৰ বহু ঠাইত 'যাকাত' দিয়াৰ নিৰ্দেশ দিছে। সেই নিৰ্দেশ যিসকলে পালন কৰিছে সেইসকলে নিঃসন্দেহে আল্লাহৰ প্ৰিয় বান্দা হ'ব পাৰিছে। প্ৰিয়নবী হুজুৰ ৰহ্‌মতে আ'লম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে কৈছে— "তোমালোকে বাৰ্ষিক প্ৰয়োজনীয় সংসাৰ খৰচৰ বাবে উদ্ধৃত অৰ্থ অৰ্থাৎ গচ্ছিত অৰ্থৰ পৰিমাণ চাৰে সাত ভৰি সোণ অথবা চাৰে বাৱন্ন তোলা ৰূপ অথবা সমমূল্যৰ অৰ্থ, সম্পদ জমা থাকিলে যাকাত দিব লাগে। যিসকলৰ বাবে যাকাত ফৰজ সেই সকলক 'চাহেবে নিচাব' বোলা হয়। উপৰোক্ত সম্পদ বা অৰ্থ নাথাকিলে সেইসকল ব্যক্তিয়ে যাকাত দিব নালাগে।

আল্লাহৰ এটা নাম 'ৰচিদ' অৰ্থাৎ- সৎপথ প্ৰদানকাৰী। আল্লাহ পাকৰ নিৰ্দেশ যিসকলে পালন কৰিছে সেইসকল সৎপথপ্ৰাপ্ত। সেইসকলে আল্লাহ ৰাব্বুল ইজ্জতৰ হেদায়ত লাভ কৰিছে। যিসকলে ঈমান আনিছে, চাহিবে নিচাবৰ তালিকাভূক্ত সেইসকলে যদি যাকাত প্ৰদান নকৰে সেইসকল আল্লাহৰ শত্ৰু হিচাপে গণ্য হ'ব।

আল্লাহ পাকে কালাম পাকত ঘোষণা কৰিছে — 'ইয়া আইয়্যুহাল লাজীনা আমানুদ খুলু ফিছ ছিল্‌মি কাফ্‌ফাতা ওৱালী তাত্তাবিউ' খোতোৱাতিশ্ব শ্বায়তান ইন্নাহু লাকুম আদুউম মুবিন।" অৰ্থাৎ- হে মু'মিনসকল তোমালোকে পৰিপূৰ্ণভাৱে ইছলামত প্ৰৱেশ কৰা আৰু অভিশপ্ত শ্বয়তানৰ পদাংক অনুসৰণ নকৰিবা নিশ্চয় শ্বয়তান তোমালোকৰ প্ৰকাশ্য শত্ৰু। এই পবিত্ৰ আয়াতটিত সম্পূৰ্ণভাৱে ইছলামত প্ৰৱেশ কৰাৰ কথা কৈছে। ইয়াৰ অৰ্থ এইটো নহয় যে, নামাজ পঢ়িলো, ৰোজা নাৰাখো, ৰোজা ৰাখো যাকাত নিদিও কিম্বা যাকাত দিলো হজ্ব নকৰোঁ — এইটো নহয়। নামাজ, ৰোজা, হজ্ব আৰু যাকাত সঠিকভাৱে পালন কৰিলেই পূৰ্ণভাৱে ইছলামৰ মাজত প্ৰৱেশ কৰা যাব। যিসকলৰ পক্ষে যাকাত ফৰজ সেইসকলে যদি হিচাপমতে যাকাত প্ৰদান কৰে তেনেহ'লে আল্লাহ পাক গফুৰুৰ ৰহিমে গুণাহ মাৰ্জনা কৰি দিব বুলি ৱাঅ'দা কৰিছে।

আল্লাহ পাক চিৰ পবিত্ৰ। অপবিত্ৰ দ্ৰব্য তেওঁ ক্বুবুল নকৰে। যিসকল চাহেবে নিছাব অৰ্থাৎ যাকাত দানৰ আওতাভূক্ত সেইসকলে যদি যাকাত নিদেয়ে তেনেহ'লে তেখেত সকলৰ সমস্ত অৰ্থ সম্পদ অপবিত্ৰ হৈ যায় আৰু এই অপবিত্ৰ সম্পদ ভোগ কৰিলে সেইসকলৰ ৰুজিও অপবিত্ৰ হৈ যায়। ফলত তেখেতৰ ইবাদতো অপবিত্ৰ হৈ পৰে। এনে ইবাদত আল্লাহে নাকচ কৰে। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ইৰ্শ্বাদ কৰিছে- "আল্লাহে যাকাত ফৰজ কৰিছে এইবাবে যাতে যাকাত দিয়াৰ পিছত বাকী ধন সম্পদ মালিকৰ বাবে পবিত্ৰ আৰু পৰিশুদ্ধ হয়।" (আবু দাউদ শ্বৰীফ) হজৰত আব্দুল্লাহ ইবনে উমৰ (ৰাঃ)এ কৈছে— মই ৰছুলে আকৰম (স্বাঃ)এ কোৱা শুনিছো, "যদিও তোমালোকে নামাজ পঢ়ি পঢ়ি ধনুৰ দৰে বক্ৰ হৈ যোৱা আৰু ৰোজা ৰাখি ৰাখি যদি কাঠৰ দৰে শুকান হৈ যোৱা কিন্তু যদি হালাল খাদ্য গ্ৰহণ নকৰা তেন্তে আল্লাহ তাআ'লাই তোমালোকৰ দুআ' ক্বুবুল নকৰে।" হালাল ৰুজিৰ অন্যতম চৰ্ত হ'ল হিচাপমতে যাকাত প্ৰদান কৰা। পবিত্ৰ কুৰ্‌আনৰ বহু ঠাইত যাকাত দিয়াৰ নিৰ্দেশ আছে আৰু যাকাত অমান্যকাৰী সকলৰ বাবে কঠোৰ শাস্তিৰ উল্লেখ আছে। যাকাত ছয় প্ৰকাৰৰ আছে — ১। অৰ্থৰ যাকাত, ২। সোণ-ৰূপৰ যাকাত, ৩। ব্যৱসায়-মালৰ যাকাত, ৪। ওসৰৰ যাকাত, ৫। প্ৰাপ্ত খনিজ সম্পদৰ যাকাত আৰু ৬। ফিৎৰা হিচাপে যাকাত।

**তিনিপ্ৰকাৰৰ সম্পত্তিৰ ওপৰত যাকাত আদায় কৰা ওৱাজিবঃ**

১। নগদ সোণ, ৰূপ আৰু টকা পইচা, ২। ব্যৱসায়ৰ বাবে কিনা সামগ্ৰী (মালে তিজাৰত), ৩। বেহা বেপাৰৰ বাবে কিনা উট, গৰু, মহ, ছোৱালী, ভেড়া আদি চাৰিঠেঙীয়া জন্তু (চামিয়াহ জন্তু)। ৭.৫ তোলা সোণ বা ৫২.৫ তোলা ৰূপ বা যিকোনো এবিধৰ মূল্যৰ সমান নগদ টকা বছৰ পূৰ্ণ হোৱাৰ পিছত জমা থাকিলে ৪০ ভাগৰ ১ অংশ যাকাত দিব লাগিব। উট ৫টাৰ পৰা, গৰু-মহ ৩০টা, ছাগলী-ভেড়া ৪০ টাৰ পৰা যাকাত দিব লাগিব। সংখ্যা বাঢ়ি যোৱাৰ লগে লগে জন্তুৰ যাকাতৰ মাপ সলনি হোৱাৰ বাবে জন্তুৰ ক্ষেত্ৰত অভিজ্ঞ আলীম-উ'লামাৰ লগত পৰামৰ্শ কৰিহে যাকাত দিব।

**উছৰঃ**

কৃষি উৎপাদিত দ্ৰব্যৰ পৰা ফৰজ দান হিচাপে আদায় কৰিবলৈ নিদ্ধাৰণ কৰি দিয়া অংশক উছৰ বোলে। কুৰ্‌আন পাকত আছে- "হে ঈমানদাৰসকল তোমালোকে যিবোৰ উপাৰ্জন কৰিছা আৰু যিবোৰ আমি তোমালোকৰ বাবে মাটিৰ পৰা উৎপন্ন কৰিছো তাৰ পৰা উৎকৃষ্ট অংশ আল্লাহৰ পথত খৰছ কৰা..." (ছুৰা বাকাৰা)। হজৰত ইমাম আবু হানিফা (ৰহঃ)ৰ মতে "ইন্ধন, বাহ, ঘাঁহ আৰু যিবোৰ গছে ফল নিদিয়ে সেইবোৰৰ বাহিৰে বাকী সকলো কৃষিজাত উৎপাদিত দ্ৰব্যৰ উছৰ দিব লাগিব।" উছৰৰ মাপঃ প্ৰাকৃতিক উৎসৰ পৰা পানী ব্যৱহাৰ কৰিলে উৎপাদনৰ ১০ ভাগৰ ১ ভাগ আৰু কৃত্ৰিমভাৱে জলসিঞ্চন কৰিলে ২০ ভাগৰ ১ ভাগ উছৰ আদায় দিব লাগিব।

সেইজন মুছলমানৰ ওপৰত যাকাত ওৱাজিব যিজনৰ ঘৰত ঈদ উল ফিটিৰৰ দিনা ৰাতিৰ আৱশ্যকীয় খাদ্য খোৱাৰ পিছতো অতিৰিক্ত থাকে। এটা হাদীচত কোৱা হৈছে— "যিজন ব্যক্তিৰ যিমান বেছি অৰ্থ থাকিব ক্বিয়ামতৰ দিনা সেইজন ব্যক্তিৰ হিচাপ-নিকাচ সিমানেই বেছি বিলম্বিত হ'ব। গচ্ছিত অৰ্থ সোণ, ৰূপ ইত্যাদিৰ যাকাত নিদি যি ব্যক্তিৰ মৃত্যুবৰণ কৰিব ক্বিয়ামতৰ দিনা তাক কঠিন শাস্তি দিয়া হ'ব। বিচাৰ শেষ নোহোৱা পৰ্যন্ত এনেকুৱা শাস্তি দিব যে সমস্ত সম্পদ দোজোখৰ জুইত উত্তপ্ত কৰি তেওঁৰ শৰীৰত তাপ দিয়া হ'ব। সময়মতে সঠিকভাৱে যাকাত দিলে আমাৰ অৰ্থ পৰিশুদ্ধ হ'ব আৰু ৰুজি হালাল (সিদ্ধ) হ'ব।

'যাকাত' দিয়া ফৰজ। যাকাত আপোনালোকৰ অৰ্থক পৰিশুদ্ধ কৰে। যাকাত গোপনে নহয় প্ৰকাশ্যে সকলোকে জনাই অন্য যাকাত দাতাসকলৰ অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যেৰে দিলে অধিক চাৱাব (পূণ্য) হাস্বিল কৰা হয়।

■■■

প্ৰবন্ধ —

# শিহু (Dolphin)

নূৰজামাল হক
বি.এ. (প্ৰথম ষাণ্মাষিক)

১। মোৰ নাম শিহু। মই এবিধ নদী ডলফিন। মই ভাৰত, নেপাল আৰু বাংলাদেশৰ গংগা, ব্ৰহ্মপুত্ৰ, মেঘনা, কৰ্ণফুলি নদীতন্ত্ৰত থাকোঁ। ইংৰাজীত মোৰ নাম গেঞ্জেটিক ডলফিন (Gangetic dolphin) অসমীয়াত শিহু (Hihu) হিন্দীত চিচু (Sisu) নেপালীত শুশু (Susu) আৰু মিচিংসকলে আমাক কয় পেটুকাৰী। মোৰ বৈজ্ঞানিক নাম হ'ল Planfanista gan।

২। যদিও আমি বহু কালৰ পৰাই পৃথিৱীত আছো কিন্তু বিজ্ঞানীসকলে আমাক প্ৰথম আৱিষ্কাৰ কৰে ............ চনতহে উইলিয়াম ৰুক্সবাৰ্গ নামৰ বিজ্ঞানীজনৰ জৰিয়তে।

৩। প্ৰাণী জগতত চিটাচিয়া (Cetacea) নামৰ বৰ্গটোৰ আমি সদস্য। চিটাচিয়াৰ্কাত মুঠ তিনিপ্ৰকাৰৰ প্ৰাণী আছে— তিমি, পৰপইজ আৰু ডলফিন। পৃথিৱীত মুঠ প্ৰায় ৪০ টা প্ৰজাতিৰ তিমি, ৬টা প্ৰজাতিৰ পৰপইজ আৰু প্ৰায় ৪০টা প্ৰজাতিৰ ডলফিন আছে। এই ৪০টা প্ৰজাতিৰ ডলফিনক দুটা দুটা ভাগত ভাগ কৰিছে। সাগৰীয় ডলফিন আৰু নদী ডলফিন।

৪। পানীত বসবাস কৰিব পৰাকৈ মোৰ শৰীৰটো গঠিত। দুই মূৰ ক্ৰমাৎ সৰু হোৱাৰ উপৰি দেহৰ মাজ অংশ যথেষ্ট বহল আৰু মগুহাল। ইয়াৰ শৰীৰৰ দৈৰ্ঘ্য প্ৰায় ২.৬ মিটাৰলৈ আৰু ওজন ৮৫ কেজি. মানলৈকে হয়। মাইকীবোৰ মতাবোৰতকৈ ডাঙৰ আৰু গধুৰ। ইয়াৰ গাৰ বৰণ ডাঠ মটীয়া ৰঙৰ। ইয়াৰ গড় আয়ুস ৩০ বছৰ। মুখখন জোঙা, নাকটো মূৰৰ ওপৰত দেখা পোৱা যায় যাক Blow-hole বুলি কোৱা হয়। ই স্তন্যপায়ী প্ৰাণী বাবে পানীৰ পৰা বাহিৰলৈ নাক উলিয়াইহে উশাহ ল'ব পাৰে। যাৰ বাবে ই সঘনাই পানীৰ ওপৰলৈ ওলাব লাগে। ইয়াৰ দুখন ডেউকা আকাৰৰ flipper আছে আৰু এডাল বহল নেজ আছে যাক fluke বুলি কোৱা হয়। আৰু ই অন্ধ। ইয়াৰ দুটা চকু আছে চকুৰে নেদেখে। ই পোৱালি জন্ম দিয়ে। পোৱালীক গাখীৰ খুৱায়, ডাঙৰ দীঘল কৰে। ই হাওঁফাওঁৰ সহায়ত উশাহ-নিশাহ লয় আৰু ই উশাহ ল'বৰ বাবে বাৰে বাৰে পানীৰ ওপৰলৈ ওলাই আহে।

৫। ঘোলা পানীত থকাৰ ফলত মোৰ চকুৰ দৃষ্টিশক্তি ক্ৰমাৎ কমি গৈ মই অন্ধ হৈ পৰিলো। প্ৰকৃতিয়ে পিছে মোক খাদ্য আহৰণ কৰিবলৈ, চলাচল কৰিবলৈ আৰু শত্ৰুৰ পৰা ৰক্ষা পাবলৈ বাদুলিৰ দৰে শব্দ অনুসৰণ পদ্ধতি (Ecolocation) প্ৰদান কৰে। এই পদ্ধতিৰ দ্বাৰা মই শব্দ কৰোঁ, নিতৌ সন্মুখত থকা, মাছ, জাল আদিত খুন্দা খাই প্ৰতিধ্বনিত হৈ মোৰ কাষলৈ ওভতি আহে। এই ওভতি অহা শব্দ কম্পনাঙ্কৰ পৰা মই বহুতো কথাৰ অনুমান কৰিব পাৰো।

৬। অসম চৰকাৰে ২০০৮ চনত আমাক ৰাজ্যিক জলচৰ প্ৰাণী হিচাপে মৰ্যাদা দিছে। ভাৰত চৰকাৰে ২০০৯ চনত আমাক ৰাষ্ট্ৰীয় জলচৰ প্ৰাণী হিচাপে মৰ্যাদা দিছে। বন্যপ্ৰাণী সংৰক্ষণ আইন, ১৯৭২ৰ মতে আমি ১নং তালিকাভূক্ত সংৰক্ষিত প্ৰাণী। সেইমতে আমাক বধ কৰা সম্পূৰ্ণ বে-আইনী। বিশ্ব পৰিবেশ সংৰক্ষণকাৰী সংস্থা (IUCN)এ ২০০৪ চনতে আমাক বিপদাপন্ন (Endangerd) প্ৰাণী হিচাপে স্বীকৃতি দিছে। সেয়েহে ৰাজ্যিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত আমি যথেষ্ট গুৰুত্বপূৰ্ণ প্ৰাণী।

৭। ব্ৰহ্মপুত্ৰ নদীতন্ত্ৰ পৃথিৱীৰ ভিতৰতেই আমাৰ এটা মুখ্য বাসস্থান। তিনি দশকমান আগলৈকে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাজুৰি আমাৰ সংখ্যা যথেষ্ট আছিল যদিও মানুহৰ অত্যাচাৰৰ বাবে আমাৰ সংখ্যা যথেষ্ট হ্ৰাস পালে। ভাৰত চৰকাৰৰ দ্বাৰা স্বীকৃত বৈজ্ঞানিক অনুষ্ঠান তথা উত্তৰ পূৱ ভাৰতৰ পৰিবেশ সংৰক্ষণৰ লগত জড়িত। আৰণ্যকৰ শিহু গৱেষণা আৰু সংৰক্ষণ কাৰ্যসূচীয়ে ২০০৮ চনত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাজুৰি জৰীপমতে ব্ৰহ্মপুত্ৰত নদীতন্ত্ৰত আমাৰ ৩০০টা মানহে বাচি আছেগৈ। ২০১৩ চনৰ ১৮ ফেব্ৰুৱাৰীৰ মাৰ্চৰ ৮ তাৰিখলৈ সমগ্ৰ ব্ৰহ্মপুত্ৰ জৰীপ কৰা মতে কিমানটা শিহু বাচি আছে এতিয়াও নিৰ্ধাৰিত হোৱা নাই। ডলফিন বিশেষজ্ঞ ডঃ আব্দুল বাকিদ ছাবে সমগ্ৰ ব্ৰহ্মপুত্ৰৰ কাষত থকা প্ৰকৃতিপ্ৰেমী ৩০ জন যুৱকক DCN (Dolphin conservation Network)ৰ সদস্যক অন্তভূক্ত কৰিছে তাৰ ভিতৰত দৰং জিলাৰ জীয়া ধনশিৰি আৰু ব্ৰহ্মপুত্ৰ মুখৰ ঠাই ২০০৯ চনত DCN ৰ সদস্যত মই অন্তভূক্ত কৰিছো। মোৰ নাম ডলফিন।

■■■



প্ৰবন্ধ —

# মহাকবি ভাৰবি সম্বন্ধীয় এক উপাখ্যান

অপৰাজিতা দেৱী
সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ

**মহাকবি** ভাৰবি সংস্কৃত সাহিত্য জগতৰ এক উজ্বল নক্ষত্ৰ। ভাৰবি সম্বন্ধে সংস্কৃত পণ্ডিতসকলৰ মাজত বহুতো উপাখ্যান পোৱা যায়। তেনে এক উপাখ্যান হ'ল — ভাৰবিৰ পিতৃ আছিল শ্ৰীধৰ আৰু মাতৃৰ নাম আছিল দুশীলা। সৰুকালতেই তেখেতে যথেষ্ট খ্যাতি লাভ কৰিছিল। কিন্তু তেওঁৰ পিতৃয়ে তেওঁৰ গুণবোৰ ৰাজহুৱা ভাৱে নিন্দা কৰিছিল। দেউতাকৰ এনে বিকৃত মনোভাৱ সহিব নোৱাৰি এদিন ৰাতি কবিজনাই গোপনে দেউতাকৰ অপমান ৰোধ কৰিবলৈ সংকল্প কৰিলে। কিন্তু যেতিয়া গোপনে দেউতাকৰ শোৱনী কোঠাৰ ভিতৰত সোমাল, তেতিয়া তেওঁৰ পিতৃ-মাতৃ উভয়ে পাতি থকা কথাখিনি শুনি আচৰিত হ'ল যে তেওঁৰ দেউতাক তেওঁক খুব ভাল পায় আৰু ভাৰবি সম্পৰ্কে কৰা বিপৰীত সমালোচনাবোৰ ইচ্ছাকৃতভাৱে কবিজনাৰ গাত আৰোপ কৰি তেওঁৰ মনৰ পৰা অনুচিত অহংকাৰ দূৰ কৰিবলৈহে চেষ্টা কৰিছিল। কথাখিনি শুনি অনুশোচিত হৈ কবিয়ে পিছদিনা ৰাতিপুৱা দেউতাকক সুধিলে পিতৃ-মাতৃক বধ কৰিবৰ বাবে এজন মানুহৰ প্ৰয়োজনীয় প্ৰায়শ্চিত্তৰ বিধি কি কি আছে? ভাৰবিৰ পিতৃয়ে পুত্ৰৰ মনত থকা গোপন অভিপ্ৰায়ৰ কথা জনা নাছিল আৰু বিদ্ৰুপাত্মক ভাৱে পৰামৰ্শ দিলে যে তেনে মনোভাৱ থকা ব্যক্তিয়ে ছয় মাহৰ বাবে ইচ্ছাকৃত ভাৱে শহুৰেকৰ ঘৰত নিৰ্বাসন ল'ব লাগে। তেতিয়া ভাৰবিয়ে স্তম্ভিত হৈ পৰি দেউতাকৰ ভৰিত পৰি আগদিনা ৰাতিৰ কুবুদ্ধিৰ কথা প্ৰকাশ কৰিলে আৰু তাৰ পিছত পিতৃ-মাতৃৰ মৰম লগা আওকানকো প্ৰতিবাদ কৰি শহুৰেকৰ ঘৰলৈ গ'ল। তেওঁৰ পত্নী সেই সময়ত পিতৃৰ ঘৰত আছিল। শহুৰৰ ঘৰৰ পৰিয়ালে ঘটনাতো সবিশেষ জানি লৌকিকতাবিহীন ভাৱে সেই ঠাই এৰিলে। শহুৰৰ ঘৰৰ গৰু চৰোৱা কামটো স্বাভাৱিক ভাৱে কবিৰ গাত পৰিল। প্ৰত্যেক দিনা তেওঁ মুকলি ঠাইত গৰুবোৰ চৰাবলৈ লৈ যায় আৰু গৰুবোৰ ওচৰে-পাজৰে ঘূৰি ফুৰোতে কবিয়ে গছৰ পাতত 'কিৰাতাৰ্জুনীয়ম' মহাকাব্যখন লিখে।

এদিন কবিৰ পত্নীয়ে চৰম দৰিদ্ৰতাৰ কথা ব্যক্ত কৰোঁতে তাইক ভাৰবিয়ে গছৰ পাতত লিখি এটা শ্লোক দিলে। পত্নী ৰমিকাই এজন বণিকৰ পত্নীক পাতখিলা বিক্ৰী কৰিলে। সেই পাতখিলা বণিকজনক নোকোৱাকৈ পত্নীয়ে খাটৰ ওপৰত বেৰাত আঁৰি থলে।

কিছুদিন পিছত বণিকজনে ব্যৱসায় কৰিবলৈ বিদেশলৈ গ'ল। সেই সময়ত তেওঁৰ পত্নী গৰ্ভৱতী আছিল। প্ৰায় পোন্ধৰ বছৰৰ পিছত বণিকজন ঘৰলৈ ঘূৰি আহিল। ইতিমধ্যে পত্নীয়ে জন্ম দিয়া পুত্ৰ সন্তানটোও এজন সুন্দৰ সুঠাম যুৱক হৈ উঠিল। আগতে খবৰ নিদিয়াকৈ বণিকজনে হঠাতে ঘূৰি আহি দেখিলে যে তেওঁৰ পত্নী এজন যুৱকৰ লগত শুই আছে। বণিকজনে পত্নীৰ চৰিত্ৰত সন্দেহ কৰি মাতৃ-পুত্ৰ দুয়োকে বধ কৰিবলৈ উদ্যত হোৱাৰ সময়তে খাটৰ ওপৰত থোৱা ভাৰবি ৰচিত শ্লোকটোৰ আধা অংশই তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিলে। শ্লোকটো আছিল "মহনা বিদধীত ন ক্ৰিয়াম্ অবিবেকঃ পৰমাপদাং পদম্" (কিৰাতাৰ্জুনীয়ম্ ২য় মাৰ্গ, শ্লোক নং ২০)। তেতিয়া বণিকজনে তৎক্ষণাত সংযত হৈ অনুসন্ধান কৰি গম পালে যে তেওঁৰ পত্নীৰ লগত শুই থকা যুৱকজন তেওঁৰ পুত্ৰহে। বণিকজনে এই অমূল্য শ্লোকাংশ শুনি মুগ্ধ হ'ল যাৰ বাবেই তেওঁৰ পত্নী-পুত্ৰৰ প্ৰাণ বাচিল। বণিকজনে কবি ভাৰবিক প্ৰচুৰ ধন দি মৌন ভাৱে কৃতজ্ঞতা প্ৰকাশ কৰিলে। সেয়েহে কোৱা হয় - মানুহে যি কাম কৰে তাক ভাবি চিন্তি কৰিব লাগে। হঠাতে কোনো সিদ্ধান্ত ল'ব নালাগে।

■■■

# স্মৃতিৰ খিৰিকীয়েদি

হাছেন আলী
প্ৰাক্তন ছাত্ৰ

(১)

**জন্মিলে** মানুহ এদিন মৰিবই লাগিব। এই চিৰসত্য কথাষাৰি বিশ্বজগত সৃষ্টিৰ দিনৰ পৰাই প্ৰচলিত হৈ আহিছে। পৃথিৱীৰ অস্তিত্ব যিমান দিনলৈ বৰ্তি থাকিব সিমান দিনলৈ এই ধৰাধামত জন্ম লাভ কৰা সকলো প্ৰাণীৰ মৃত্যুও অৱধাৰিত ভাবে হৈয়ে থাকিব। কাৰোবাৰ বাবে ই হ'ব অপ্ৰত্যাশিত, যথেষ্ট পিড়াদায়ক। স্বাভাৱিকভাৱে হোৱা মৃত্যুৱে মানুহৰ মনত ক্ষন্তেকৰ বাবে ক্ৰিয়া কৰিলেও 'জন্মিছে এদিন মৰিবই' বুলি কৈ মানুহে আত্মসন্তুষ্টি লভাৰ পৰিবৰ্তে অস্বাভাৱিক বা অকাল মৃত্যুৱে মানুহক ভবাই তোলে। হলেও মৃত্যুতো মৃত্যুৱেই! ইয়াক বাধা দিয়াৰ শক্তি জানো আমাৰ আছে? তথ্য-প্ৰযুক্তিৰে পৃথিৱীখনকে হাতৰ মুঠিলৈ আনি অসম্ভৱকো সম্ভৱ কৰি তোলাৰ সময়তো মৃত্যুৰূপী দুৰন্ত ৰথক জানো ৰখাব পাৰিছে কোনোবাই?

২০১৩ চনৰ ১৫ জানুৱাৰী দিনটো মোৰ বাবে অতিকৈ স্মৰণীয় তথা বেদনাদায়ক দিন হিচাপে চিহ্নিত হৈ ৰ'ব। এই দিনটোতে মোৰ অতিকৈ আপোন, সুখ-দুখৰ লগৰী, বাল্যবন্ধু মুকুট আলীক এক বাইক দুৰ্ঘটনাত আমি অকালতে হেৰুৱাব লগা হৈছিল। খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ মুকুট আলীক মই প্ৰথমে ১৯৯৩ চনত লগ পাই ছিলো। গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা চতুৰ্থ শ্ৰেণীৰ দেওনা পাৰ হৈ মহম্মদ আলী হাইস্কুলত পঞ্চম শ্ৰেণীত নাম লগাবলৈ আহোতে সিওঁ দলগাঁও শিয়ালমাৰী প্ৰাথমিক বিদ্যালয়ৰ পৰা মোৰ লগতে একে শ্ৰেণীতে নাম লগাবলৈ আহিছিল। কিচকিচীয়া ক'লা বৰণৰ শান্ত-শিষ্ট ল'ৰাটো পিছৰ জীৱনত যথেষ্ট জেদী তথা দৃঢ়মনা মই লক্ষ্য কৰিছিলো। মোৰ স্পষ্ট মনত আছে মহম্মদ আলী হাইস্কুলৰ পৰা ৩৫জন ল'ৰা-ছোৱালীয়ে মেট্ৰিক পৰীক্ষা দিওঁতে তাৰ লগতে আমি চাৰিটা ল'ৰাই মেট্ৰিকত উত্তীৰ্ণ হৈছিলো। লগ বন্ধুৰ সৈতে সময় কটাবলৈ ভালপোৱা মুকুটে খাৰুপেটীয়া মহাবিদ্যালয়ত নাম লগায়েই ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্ব্বাচিত হৈছিল। স্নাতক শ্ৰেণীত পঢ়ি থকাৰ সময়তো তেওঁ এবাৰ ছাত্ৰ একতা সভালৈ আলোচনী সম্পাদক হিচাপে নিৰ্ব্বাচিত হৈছিল। বন্ধু হিচাপে সততে তাৰ ছাঁটোৰ দৰে লাগি থাকোঁতে মই লক্ষ্য কৰিছিলো দুয়োবাৰেই যথেষ্ট সংখ্যক ভোটত সি প্ৰতিদ্বন্দ্বিক হৰুৱাই ছাত্ৰ একতা সভালৈ নিৰ্ব্বাচিত হৈছিল। অসমীয়া গুৰু বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী অৰ্জন কৰা মুকুটে পিছৰ সময়ত আইনৰ ডিগ্ৰী ল'বলৈ মন মেলিছিল যদিও নানা কাৰণত ই সম্ভৱ হৈ উঠা নাছিল।

আমি ভালদৰে বুজা-শুনা হোৱা দিনৰে পৰা মৃত্যুৰ কিছুদিন আগলৈকে তাৰ এটাই লক্ষ্য আছিল প্ৰতিৰক্ষা বাহিনীত চাকৰি কৰা। তাৰ বাবে সি আগতীয়াকৈ অসম গৃহৰক্ষী বাহিনীত ভৰ্তি হৈ প্ৰশিক্ষণ পৰ্যন্ত লৈ থৈছিল। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আনকি অসমৰ বাহিৰত ক'ৰবাত ইন্টাৰভিউ থকা বুলি শুনিলে সি তালৈকে ঢাপলি মেলিছিল। কিন্তু ভাগ্যৰে বিড়ম্বনা নে আন কিবা কাৰণৰ বাবেই তাৰ উক্ত আশা আমৃত্যু অপূৰ্ণ হৈ থাকিল!

কিন্তু সি হাৰ মনা নাছিল। আচলতে সি জীৱন যুদ্ধত হাৰি পলাই যোৱা বিধৰ লোক নাছিল। যথেষ্ট জেদী তথা দৃঢ়মনা হোৱাৰ লগতে সকলো কামতে মনোবল লৈ কাম কৰা বাবে মৃত্যুৰ আগলৈকে পত্নী ফৰজুন নাহাৰ তথা একমাত্ৰ পুত্ৰ ফাৰদিনৰ সৈতে তিনিজনীয়া পৰিয়াল এটি স্বচ্ছলতাৰে চলাইছিল। সৰুৰে পৰা অভাৱ অনাটনৰ পৰিবেশ নোপোৱা মুকুটে মৃত্যুৰ সময়তো অভাৱ অভিযোগৰ মুখামুখি হোৱা নাছিল। যথেষ্ট চৌখিন, কথা-বতৰাত সৰলতা, সমাজৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত মুকুটৰ পঢ়া-শুনাৰ লগতে সকলো দিশতে নজৰ ৰখা তাৰ ককায়েক মোজাম্মিল হকৰ কথা সি সকলো সময়তে মোৰ আগত কৈছিল।

বিপদে-আপদে, সুখে-দুখে, চিন্তাক্লিষ্ট- হৰ্ষোল্লাস আদি প্ৰায় প্ৰতিটো মুহূৰ্ততে লগ পোৱা মুকুটক মই পাহৰিব নোৱাৰো। অগণন বন্ধু-বান্ধৱ থকা স্বত্বেও সুখে-দুখে মোৰ ওচৰলৈ দৌৰি অহা, মোক লগ পালেই হাজাৰ অসুবিধা থাকিলেও তাৰ সৈতে কিছুসময় কথা-বতৰা পাতিবলৈ জোৰ-জবৰদস্তি কৰা, ৰ'দে-বৰষুণে, ঈদে-বিহুৰে, পূজাই-পাৰ্বণে নানান ঠাই ঘূৰি ফুৰা, বাৰে বাৰে এটা কথাই-পেঘেনিয়াই পেঘেনিয়াই সুধি মোক ব্যতিব্যস্ত কৰি তোলা দ্বিতীয়জন বন্ধু হয়তো মই আৰু কেতিয়াও নাপাওঁ। মুকুট আলীৰ মৃত্যু বন্ধু-বান্ধৱ তথা পৰিয়ালৰ বাবেই নহয় খাৰুপেটীয়া অঞ্চলৰ বাবেওঁ এক অপূৰণীয় ক্ষতি হৈ ৰ'ব। তাক দিবলৈ মোৰ একো নাই। এই ক্ষুদ্ৰ লেখনীৰ জৰিয়তে তালৈ মই অশ্ৰু-অঞ্জলি যাঁচিলো। সি য'তেই আছে কুশলে থাকক, শান্তিৰে থাকক নেদেখাজনৰ ওচৰত তাকে কামনা কৰিলোঁ।

(২)

**চিন্তনীয় ঃ** সময় এতিয়া দুঃসময়। চৌদিশে হত্যা, হিংসা, লুণ্ঠন, অপহৰণ তথা প্ৰতিশোধৰ দাবানল। মানুহৰ জীৱনৰ যেন কোনো দামেই নাই। নিমিষতে ধ্বংস হৈ যাব পাৰে ঘৰ-দুৱাৰ, সা-সম্পত্তি তথা আপোনাৰ জীৱন-জীৱিকা। অসম্ভৱ বোলা শব্দটো এতিয়া অভিধানৰ পাততে হামিয়াই হিকটিয়াই মৃত্যুৰ বাবে ক্ষণ গনাৰ দিন সমাগত। মানুহে নকৰিবলগীয়া কাম এতিয়া একোৱেই নাই। মানুহ যিমান শিক্ষিত হৈছে হৈছে, জ্ঞান বুদ্ধিৰ বিকাশ হৈছে, তথ্য-প্ৰযুক্তিৰে পৃথিৱীখনকে হাতৰ মুঠিলৈ আনিছে, গ্ৰহ-নক্ষত্ৰলৈ যাব পৰা হৈছে, সমান্তৰালভাৱে মানুহে নীচ কামৰ প্ৰতিও ধাৱিত হৈছে। আচলতে মানুহৰ এই নীচাত্মিকাবোধৰ অন্তৰালত এটি কাৰণ লুকাই আছে। মানুহক সুখ লাগে, সেয়া যিকোনো মূল্যৰ বিনিময়ত আহিব পাৰে। সুখী হ'বলৈ আমাক ধনৰ প্ৰয়োজন। ধনৰ দ্বাৰাই পাৰ্থিৱ সকলো সা-সুবিধা আহৰণ কৰিব পাৰি। ধন আৰ্জিবলৈ কষ্টৰ প্ৰয়োজন। কিন্তু কষ্ট....। না তেনেকুৱা কথা নক'ব। পাৰ্থিৱ ভোগ বিলাসত মত্ত আমি আৰামপ্ৰিয় মানুহবোৰ কষ্ট কৰিবলৈ মুঠেই ৰাজী নহয়। ডাল-দৰিদ্ৰৰ উন্নয়নৰ বাবে আবন্টিত পইচা-ছান কাঢ়ি, ঠগ-প্ৰবঞ্চনা কৰি আপোনাৰ ধন হস্তগত কৰি, সাঁচতীয়া ধন প্ৰাপ্তিৰ বাবে কাৰোবাক হত্যা কৰি, কাৰোবাৰ পুত্ৰ-জীয়ৰী-বোৱাৰীক পণবন্দী কৰি, সম্পত্তিৰ লোভত বৃদ্ধ পিতৃ-মাতৃক ৰাজপথত এৰি দি নিজৰ বংশ পৰিয়ালৰ মান মৰ্যাদাক বন্ধকীত ৰাখি 'ইজিমানী' প্ৰাপ্তিৰে আমি সুখী হ'বলৈ আগবাঢ়িছো। চিনেমাৰ ডায়লগত কোৱাৰ দৰে ব্লেক মানি হোৱাইট মানিৰতো কোনো বেলেগ ছাপ নাই। টকা টকায়েই। সেয়া যি পথেৰেই নাহক কিয়!

বহুদিন আগতে ক'ৰবাত এটি কাহিনী পঢ়িছিলো। ক'ত পঢ়িছিলো ঠিক মনত পেলাব পৰা নাই। ভাৰতকে ধৰি বিভিন্ন দেশৰ কেঁকোৰাৰ এটি প্ৰদৰ্শনী পতা হৈছিল। কেঁকোৰাবোৰ পৃথকে পৃথকে পাত্ৰত ৰাখি ঢাকনি মাৰি দিয়া হৈছিল। কিন্তু ভাৰতৰ কেঁকোৰা ৰখা পাত্ৰৰ ঢাকনি মৰা হোৱা নাছিল। উপস্থিত সকলোৱে কেঁকোৰাবোৰ ওপৰলৈ উঠিব নাহিব নেকি বুলি সোধাত ভাৰতৰ প্ৰতিনিধিজনে অতি উচ্চাসেৰে কৈছিল যে- সেইবোৰ কোনোটোৱে ওপৰলৈ উঠি আহিব নোৱাৰে। কোনোবাটো ওপৰলৈ উঠি আহিব ধৰিলেই বাকী কেইটাই তাক তললৈ নমাই আনিব। আমাৰ তথাকথিত সুখৰ পৃথিৱীতো ঠিক একেই অৱস্থা। নিজে সম্পত্তিৰ পাহাৰ গঢ়ি তথাকথিত সুখী হৈ কেনেদৰে ভোগ-বিলাসত কটাব পাৰিব তাৰে যেন সকলোৰে মাজত প্ৰতিযোগিতা। প্ৰতিযোগিতা বুলি নকৈ অঘোষিত যুদ্ধ বুলি ক'লেহে শুদ্ধ কোৱা হ'ব। সমাজৰ দৰিদ্ৰ নিঃস্ব, দিনৰ দিনটো লঘোণে ভোকে পাৰ কৰা, অন্ন-বস্ত্ৰ আশ্ৰয়ৰ বাবে হাহাকাৰ কৰা মানুহবোৰকো আমি অকণমান সহায়-সহানুভূতি প্ৰদৰ্শন কৰি তেওঁলোককো অকণমান সহায়ৰ হাত আগবঢ়াব পৰাটোতহে আচল সুখ-শান্তি লুকাই আছে যদিওঁ এই মানসিকতা আমাৰ সমাজৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে। ভাৰতৰ প্ৰাক্তন মহামহিম ৰাষ্ট্ৰপতি ডঃ এ, পি, জে আব্দুল কালামে কোৱাৰ দৰে "I am not 'Handsome' But I can give my 'Hand' to 'Some' one who needs help." কেঁকোৰাই চেপি তললৈ নমাই অনাৰ দৰে আমিওঁ আমাৰ তলখাপৰ মানুহবোৰক ওপৰলৈ উঠিবলৈ নিদিয়াৰ মানসিকতা পৰিত্যাগ কৰাৰ সংকল্প লোৱাৰ সময় সমাগত হৈছে। পিছে আপুনি আৰু মই মিলি এই চিন্তা কৰাৰ সময়ত এটাই কথা চাৰিওঁফালৰ পৰা আপোনাৰ কৰ্ণগোচৰ হ'ব 'এওঁলোকৰ দৰে মানুহৰ কাম নাই।' সঁচাই মানৱতাহীন, দয়া-মমতাহীন, ভোগসৰ্বস্ব কংক্ৰিটৰ পৃথিৱীত আমিবোৰ 'কাম' নোহোৱা মানুহ নেকি?

■■■

**প্ৰবন্ধ —**

# অসমৰ চৰ-চাপৰিৰ জীৱন বীথিকা

**আব্দুল আজিজ**
**মুৰব্বী প্ৰবক্তা, বাণিজ্য শাখা**

**অসমৰ** চৰ-চাপৰি বুলিলে অসমী আইৰ বুকু জুৰি বৈ যোৱা বৰ লুইতৰ দুই পাৰে শদিয়াৰ পৰা ধুবুৰীলৈ বিস্তৃত বিশাল আৰু বালিৰে পৰিপূৰ্ণ অঞ্চলটোকে বুজায়। যাৰ বুকুত থকা প্ৰতিটো মৰীচিকাই প্ৰতিফলিত কৰি থাকে প্ৰকৃতিৰ নানা ৰং বিৰঙৰ দৃশ্যবোৰ। অথবা বাৰিষাত যাৰ প্ৰবাল সোঁতে মচি লৈ যায় কিছু নাৰীৰ সিৰৰ সেন্দুৰ অথবা উদং কৰি থৈ যায় আন কিছু মাতৃৰ চেনেহী বুকু আৰু নহ'লে যাৰ বুকুৰেদি বৈ যায় বিৰহী বেউলাৰ কেঁচা কল গছৰ ভেলখন। তাহানিৰ দিনৰ পৰাই হৰিবিলাস মুদৈৰ নাতি-পুতিৰ ডিঙাবোৰ কিন্তু এই অঞ্চলৰ মাজেদিয়েই আজিকোপতি বৈ আহিছে।

যি কি নহওক, অসমৰ চৰ-চাপৰিৰ জীৱন বীথিকা লৈ আলোকপাত কৰিবলৈ গ'লে দেখা যায় যে, এই বিস্তীৰ্ণ ভূমিখণ্ডত বাস কৰে এটি নিপীড়িত আৰু পৰিভ্ৰমী জাতিয়ে। কৰ্ম তেওঁলোকৰ জীৱনৰ পণ। তেওঁলোকে সভ্যতাৰ একেবাৰে নিম্ন স্তৰতেই লুটি বাগৰি জীৱন কটাবলগীয়া হৈছে। প্ৰগতিৰ দুৱাৰদলিত উপনীত হ'বলৈ তেওঁলোকৰ জীৱনত কত যে সংগ্ৰাম! এই সংগ্ৰামত দুই এজন ভাগ্যবানে জয়ী হোৱাৰ বাদে বাকীবোৰ আজিও এন্ধাৰৰ ওৰণি ফালি ওলাই আহিবলৈ সক্ষম হোৱা নাই। ৰূঢ়-বাস্তৱৰ প্ৰাত্যহিকতাত জ্বলি উঠিব খোজা আশাৰ বন্তি গছি যেন বাৰে বাৰে নুমাই যায় আৰু মনবোৰ ছানি ধৰে কোনেও নিবিচৰা অমানিশাৰ এক ঘনঘোৰ এন্ধাৰে। তথাপিতো তেওঁলোক ক্লান্ত নহয়। কাৰণ 'প্ৰগতি' যে তেওঁলোকৰ জীৱনৰ কাম্য!!

এই দৰে অসম মাতৃৰ গৰ্ভধাৰিণী এই সন্তান-সন্ততিবোৰে চৰ-চাপৰিত বাস কৰা স্বত্ত্বেও মাতৃ মঙ্গলৰ প্ৰতিটো অৰ্ঘতেই ব্ৰত পালন কৰি অহা দেখিবলৈ পোৱা যায়। এওঁলোকে অসমী আইৰ ভাষাৰেই কথা ক'বলৈ শিকে। আইজনীৰ কোলাত থাকোঁতেই নিচুকনি গীত গাবলৈ শিকে। আইৰ পৰশত ডাঙৰ দীঘল হৈ আইৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ বলি দিবলৈ অকণো কৃপণালি নকৰে। অসমী আইৰ ভাষা-সংস্কৃতিৰ ভেঁটি মজবুত কৰিবলৈ উচৰ্গা কৰে বিভিন্ন ধৰণৰ সুৰীয়া গীত, প্ৰবন্ধ, ঠাচ্ আৰু এক নিজস্ব কথন শৈলী। এই খিনিতেই ক্ষান্ত নাথাকি আইজনীৰ ক্ষুধা নিবাৰণৰ বাবে আন একো নহ'লেও মূৰৰ ঘাম মাটিত পেলাই অক্লান্ত পৰিশ্ৰমেৰে আগবঢ়ায় এমুঠি অন্ন আৰু নহ'লে এপাচী তজবজীয়া সেউজীয়া সেউজীয়া পাচলি। বছৰৰ ছমাহ কাল বানত ভাহি আৰু ছমাহ কাল তপ্ত বালিত পুৰি ঠন ধৰি উঠে নতুন আশা, নতুন সমাজ, নতুন গাঁও আৰু নতুন কৰ্মোদ্যম। তাতেই জন্ম লয় নতুন পুৰুষ আৰু শেষত গৈ অলংকৃত কৰে ভাৰতবৰ্ষৰ নাগৰিক তালিকাৰ শীৰ্ষতম স্থান। এনে ধৰণৰ দৃষ্টান্তমূলক আৰু বহু কথা নতুন সাহিত্য পৰিষদৰ নৱম দফাই প্ৰকাশ কৰা 'চৰ-চাপৰিৰ জীৱন চৰ্যা' সংকলনখনতো পোৱা যায়।

কিন্তু দুঃখৰ বিষয় যে, অসমৰ চৰ-চাপৰি এলেকাত বাস কৰা এই লোকসকলৰ জীৱন আৰু শ্ৰমৰ যেন আজিও সঁচা অৰ্থত মূল্যায়ন হোৱা নাই। দক্ষ সংগঠন অবিহনে তেওঁলোকৰ শ্ৰমবোৰ হৈ পৰে অনুৎপাদনশীল। মাতৃৰ মূৰত ছাঁ দিবলৈ আঁৰি ধৰা শতৰঞ্চিখনকো 'শুকুলা মেঘৰ ছাঁ' বুলি ইতিকিং কৰা হয়। মাত্ৰ সেয়াই নহয়, বৰলুইতেও বাৰে বাৰে তেওঁলোকৰ আশাত জঁয় পেলাই বিশাল শস্য ভূমিৰ সৈতে সপোনৰ বালিঘৰবোৰ ধুই নি নিঠৰ কৰি পেলাই থৈ যায় মাথোঁ বালি আৰু বালি। বাস্তৱ জীৱনত বিজুলীৰ পোহৰ, মৃত্যুক্ষণত এখনি চিকিৎসালয়, প্ৰস্তুতিৰ প্ৰয়াসত এটি সুন্দৰ বাট, থাকিবলৈ এখনি আলাসৰ ঘৰ, দৃষ্টি পোহৰাবলৈ এখনি পঢ়াশালি আৰু বিনিময় পাবলৈ এখনি উপযুক্ত বজাৰ তেওঁলোকৰ বাবে যথেষ্টই অভাৱ। নিমাতী আইজনীয়েও যুগ যুগ ধৰি অনাভুৱা হৈ আছে এইসকল সতি-সন্ততিৰ পৰা। তাৰোপৰি বৰভূঞা সকলৰ কথাতো আছেই দুৱাৰদলিত দেখিলেই তেওঁলোকক খেদি আঁতৰাই পঠোৱা হয়। মানৱীয় মৰ্যদাকণো তেওঁলোকৰ বাবে কিমান যে দুষ্প্ৰাপ্য! তথাপিও তেওঁলোকে নোপোৱাৰ বেদনাত হাবাথুৰি নাখাই জননীৰ ভাগ্য ফলিওৱাৰ নামত নিজৰ ভৰিত নিজে থিয় দিবলৈ চেষ্টা কৰে।

এইখিনিতে প্ৰশ্ন কৰিবলৈ মন যায় — নোপোৱাৰ বেদনা আৰু পোৱাৰ আনন্দ জানো একে হ'ব পাৰে? ইয়াৰ বেদনা ভুক্তভোগীজনৰ বাদে কোনেও অনুভৱ কৰিব নোৱাৰে। বৰ অসমত কিন্তু ই একেবাৰেই বিপৰীত কথা। চকুত চচ্মা- দৃষ্টিশক্তি নাই, পকেটত কলম- বিদ্যাজ্ঞান নাই, বৰ বৰ বুৰঞ্জী পুথি-চন-তাৰিখ নাই আৰু ডক্টৰেট উপাধি কিন্তু গৱেষণা নাই — তেনে কিছুমান বৰপাত্ৰ গোঁহাইয়ে অসমৰ চৰ-চাপৰিত বাস কৰা লোকসকলক পোনে পোনে 'বিদেশী' বুলি অভিহিত কৰে। পাণ্ডৱ খেদা দি কৌৰৱৰ ৰূপ ধাৰণ কৰি অসম মাতৃৰ উত্তৰাধিকাৰীৰ পৰা তেওঁলোকক বাৰে বাৰে উচ্ছেদ কৰাৰ সংগ্ৰাম চলায়। অসমৰ চৰ-চাপৰিয়াসকলে যি বুলিয়েই পৰিচয় নিদিয়ক কিয়, বৰবংশধৰসকলে কিন্তু তেওঁলোকক 'বিদেশী' বুলিয়েই কয়। সেই বৰভূএগুৰ পো-নাতি সকলে ডঃ অমলেন্দু গুহ আৰু ডঃ তাহাজুদ্দিন সেখ দেৱৰ চন-বাৰ থকা আৰু যুক্তিনিষ্ঠ তথ্যৰে পৰিপূৰ্ণ ১৯৭১ চনৰ ভাৰত চৰকাৰৰ জনপিয়লৰ ওপৰত চলোৱা গৱেষণাৰ সংকলনবোৰ এবাৰ পঢ়ি নাচায়নে? একে মাতৃৰ সন্তান হৈ এজনে মুক্তভাৱে বিচৰণ কৰি ফুৰে, আনজনে সজাত বন্দী হৈ ছট্ফটাই মৰে, এয়া জানো এটা আদৰ্শ সভ্যতাৰ চিন? তেওঁলোককো অসম মাতৃৰ সন্তান হিচাপে একেখন গণতান্ত্ৰিক দেশৰ সংবিধানে দিয়া অধিকাৰৰ আবেষ্টনিত অনাটো আৰু একেখন সমাজত সমানে ঠাই দিয়াটো আমাৰ নৈতিক কৰ্তব্য নহয়নে বাৰু?

■■■

> "Dream is not that you see while sleeping, it is something that doesnot let you sleep." - A.P.J. Abdul Kalam

প্ৰবন্ধ —

# ইতিহাস কি ?

**ৰেকিবুৰ ৰহমান**
**স্নাতক তৃতীয় ষাণ্মাসিক (বুৰঞ্জী বিভাগ)**

**সাধাৰণতে** সূত্ৰ বা সংজ্ঞাই কোনো এটা বিষয়ৰ পৰিসৰ সম্পৰ্কে আভাস দিয়ে। ইয়ে বিষয়টোৰ অন্য বিষয়ৰ সৈতে সীমা নিৰ্দ্ধাৰণ কৰে। 'ইতিহাস' সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মতবাদ আগবঢ়াইছে যদিও এতিয়ালৈ ইয়াৰ প্ৰকৃত নিৰ্ভৰযোগ্য সূত্ৰ ওলোৱা নাই, সম্ভৱত ই কাহানিও নোলাব।

'ইতিহাস'ৰ ব্যাখ্যা আগবঢ়োৱাত গ্ৰীকসকল আছিল বাটকটীয়া। ইতিহাসৰ ইংৰাজী প্ৰতিশব্দ 'History' শব্দটো গ্ৰীক শব্দ। 'Istoria'ৰ পৰা আহিছে। ইয়াৰ অৰ্থ হৈছে অনুসন্ধান বা গৱেষণা বা অনুসন্ধানৰ দ্বাৰা জ্ঞান আহৰণ কৰা। গ্ৰীক সকলৰ পৰাই ৰোমান সকলে 'ইতিহাস'ৰ অৰ্থ বুজি পাইছিল। তাৰ পিছৰে পৰাই পৃথিৱীৰ অন্য ভাষালৈ তাক প্ৰেৰণ কৰা হয় আৰু ক্ৰমান্বয়ে ইয়াৰ প্ৰয়োজনীয়তা তথা গুৰুত্ব বাঢ়িবলৈ ধৰে।

খৃষ্ট্ৰীয় পূৰ্ব ৫০০ শতিকাৰ মধ্যভাগত গ্ৰীক আৰু পাৰ্চিয়ান সকলৰ মাজত হোৱা যুদ্ধৰ বিৱৰণ লিপিবদ্ধ কৰি হিৰোডটাচে ইতিহাসৰ পিতৃ হিচাপে গোটেই পৃথিৱীতে আত্মপ্ৰকাশ কৰে। তেওঁৰ বিৱৰণীক হিৰোডটাচৰ ইতিহাস (Histories of Herodotus) বুলি উল্লেখ কৰি গৈছে। ইয়াৰ দ্বাৰাই হিৰোডটাচে গ্ৰীক আৰু পাৰ্চীয়ান সকলৰ যুদ্ধৰ কাৰণ আৰু পৰিস্থিতিৰ অনুসন্ধানৰ অৰ্থ এটা ইতিহাসবিদসকলে বুজাব বিচাৰিছিল।

ভাৰতীয় পৰম্পৰা মতে 'ইতিহাস' শব্দৰ অৰ্থ হৈছে 'এনেদৰে ঘটিছিল' (It happend so) যিয়েই নহওঁক, এইটো সত্য যে সেয়া অতীত। কিন্তু অতীতক প্ৰত্যক্ষভাৱে অধ্যয়ন কৰিব নোৱাৰি। যদি জনা যায়, সেয়া মানুহে সঞ্চয় কৰি থোৱা পূৰ্বৰ অৱস্থা, ঘটনা, সময় আৰু মানুহৰ দৃষ্টিভঙ্গীৰ ওপৰত নিৰ্ভৰ কৰিহে জনা যায়। সেই বাবেই অতীতৰ ঘটনাৰ যিকোনো সন্দেহেই ইতিহাস গঢ়াত সহায় কৰে। লৰ্ড একচনে মন্তব্য কৰে 'যদি অতীত এটা বাধা আৰু সমস্যা, তেন্তে অতীতৰ জ্ঞান হৈছে সবাতকৈ সুৰক্ষিত আৰু পাৰ্থক্যহীন।' যদিও আমি বিভিন্ন ক্ষেত্ৰত উদ্ভিদৰ ইতিহাস, জীৱৰ ইতিহাস, বিজ্ঞান আৰু প্ৰযুক্তিৰ ইতিহাস আদি শব্দৰ প্ৰয়োগ কৰোঁ দৰাচলতে ইতিহাসৰ সাধাৰণ ধাৰণা বুলিলে আমি মানুহৰ ইতিহাস অৰ্থাৎ মানুহৰ অতীতৰ ক্ৰিয়া কৰ্মকেই বুজোঁ।

বিভিন্ন পণ্ডিতে ইতিহাস সম্পৰ্কে তেওঁলোকৰ নিজস্ব কিছুমান সূত্ৰ দাঙি ধৰা বাবেই ইতিহাসৰ সৰ্বগ্ৰহণযোগ্য কোনো সূত্ৰ নাই। সাধাৰণতে ইতিহাসক সমাজ বিজ্ঞানৰ 'ৰাণী' বা 'মাতৃ' বুলি কোৱা হয় আৰু ই হৈছে বিভিন্ন বিষয়ৰ ভেঁটি স্বৰূপ। লক্ষ্যণীয় ভাৱে ইতিহাস মানুহৰ সম্পূৰ্ণ শিক্ষাৰ এক অবিচ্ছেদ্য বিষয়।

ইতিহাসৰ কাৰ্যাৱলী সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱা প্ৰথম ব্যক্তিগৰাকী হ'ল Dionysis of Halicarnassus. তেওঁ কৈছে "History is Philosophy drawn from examples." এই ক্ষেত্ৰত উল্লেখযোগ্য যে তেওঁৰ জীৱনৰ প্ৰকৃত 'Example'ৰ কথাহে কৈছে।

বিভিন্ন পণ্ডিতৰ ইতিহাসৰ ব্যাখ্যা অধ্যয়ন কৰিলে দেখা যায় যে ইতিহাস হৈছে মানৱক লৈ সৃষ্টি হোৱা অধ্যয়ন। এই অধ্যয়ন হৈছে মানুহৰ উন্নতিৰ সৈতে জড়িত কিছুমান ঘাত-প্ৰতিঘাতৰ কাহিনী। পৰিৱৰ্তন হৈছে ইতিহাসৰ এক অবিচ্ছেদ্য অংগ আৰু এই পৰিৱৰ্তনেই হ'ল মানৱ জীৱনৰ নীতি। 'ইতিহাস' হ'ল মানুহৰ অন্য আৰু পৰিবেশৰ লগত সংঘটিত কিছুমান ঘটনা প্ৰৱাহ। মানৱ জীৱনৰ কিছুমান সাধাৰণ প্ৰয়োজন আছে। যেনে- খাদ্য, পোছাক যোগেদি পৰিৱেশৰ পৰা এজন মানুহে ইয়াৰ উপলব্ধতা সম্পৰ্কে শিক্ষা লাভ কৰে।

'ইতিহাস' মানুহৰ জীৱনৰ অতীত। প্ৰকৃততে সেয়া হৈছে অতীতৰ আলমত নতুনকৈ মানুহৰ দ্বাৰা সৃষ্টি হোৱা শতিকাৰ এক বৃত্তান্ত আৰু ইয়াৰ আৰম্ভণি হৈছে Neibuhr আৰু Rankeৰ সময়ৰ পৰাই। এই প্ৰচেষ্টা হৈছে সুন্দৰ আৰু সাৱলীল ভাৱে কিছুমান নিৰ্দিষ্ট নিয়মৰ মাধ্যমেৰে অতীত বৰ্ণনা কৰা য'ত ঘটনাৰ সত্যতা আৰু প্ৰমাণৰ সত্যতা সম্পৰ্কে স্পষ্ট বিশ্লেষণ থাকে।

'ইতিহাস' সম্পৰ্কে বিভিন্ন পণ্ডিতৰ বিভিন্ন মন্তব্যৰ গুৰুত্ব আৰোপ কৰি ক'ব পাৰি যে প্ৰত্যেকৰ দৃষ্টিত ইতিহাসৰ ক্ষেত্ৰ ৰেখা বেলেগ বেলেগ। সকলোৱে বুজিব পৰা প্ৰকাৰো আছিল ভিন্ন। সেয়েহে প্ৰত্যেকজনে নিজৰ দৃষ্টিভংগীৰে ইতিহাসক বিশ্লেষণ কৰিব বিচাৰিছিল। ইয়াৰ কাৰণ বা কি? সেয়া হৈছে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। উত্তৰত ক'ব পাৰি যে প্ৰায় দুহেজাৰ বছৰ ধৰি বিভিন্ন লক্ষ্য আৰু অভিপ্ৰায়েৰে ইতিহাস ৰচনা কৰা হৈছিল। প্ৰত্যেকটো অভিপ্ৰায়ৰে এটা পুৰ্বানুমান আছিল আৰু এই পুৰ্বানুমানে নিৰূপন কৰিছিল ইতিহাসৰ চৰিত্ৰ। যিয়েই নহওঁক, সকলো সূত্ৰই এইটো স্পষ্ট কৰিছে যে 'ইতিহাস' হৈছে মানুহৰ উন্নতিৰ এক বিস্তৃত কাহিনী। ইতিহাসে পৃথিৱীত মানুহৰ কাৰ্যকলাপৰ এক সম্পূৰ্ণ বিৱৰণী দাঙি ধৰে। এই পৃথিৱীখন মানুহৰ বাসস্থান আৰু ইতিহাসে তাৰ চিন্তা বা কৰ্মৰাজি আৰু আৱৰ্তন সম্পৰ্কে আলোচনা কৰে। ইতিহাসে বিভিন্ন সময়ত মানুহে সন্মুখীন হোৱা বিভিন্ন সংকট আৰু জীয়াই থকাৰ বাবে কৰা প্ৰচেষ্টাৰ বিষয়ে গুৰুত্ব সহকাৰে আলোচনা কৰে।

■■■

**"শিক্ষক হ'ল এডাল মমবাতিৰ দৰে যিয়ে নিজেই জ্বলি জ্বলি আনক পোহৰ দিয়ে।"**
**ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ**

প্ৰবন্ধ —

# শিক্ষা

মঃ ইমৰান আলী
সহযোগী অধ্যাপক, আৰবী বিভাগ

**সাম্প্ৰতিক** সময়ত শিক্ষাৰ প্ৰাসঙ্গিকতাৰ বিষয়ে বৰ্ণনা কৰাৰ আগতে উল্লেখ কৰিব লাগিব, শিক্ষা কি? সংক্ষেপে ক'বলৈ হ'লে- শিক্ষা এনে এবিধ মহৌষধ যাৰ জৰিয়তে মানুহে ভাল আৰু বেয়াৰ চিনাক্ত কৰিব পাৰে, শুদ্ধ-অশুদ্ধৰ প্ৰভেদ ধৰিব পাৰি, সেয়ে শিক্ষা। শিক্ষা হৈছে মানুহৰ জীৱন জোৰা সাধনা। উপযুক্ত সময়ত সময়োপযোগী শিক্ষা আহৰণ কৰাটো প্ৰত্যেক মানুহৰে কৰ্তব্য। এই ক্ষেত্ৰত এযাৰ কথা ক'বই লাগিব যে হজৰত মুহাম্মদ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে শিক্ষা আহৰণৰ প্ৰতি গুৰুত্ব দি এনেদৰে কৈছিল - "তোমালোকে শিক্ষা লাভৰ বাবে সুদূৰ চীন দেশলৈ গৈ হ'লেও শিক্ষা আহৰণ কৰা।"

সাম্প্ৰতিক সময়ত প্ৰকৃত শিক্ষাৰে শিক্ষিত মানুহ চিনি পোৱা বৰ কঠিন হৈ পৰিছে। কিয়নো শিক্ষিত বা জ্ঞানী আৰু অজ্ঞানীৰ মাজত কিছুমান কৃত কৰ্মৰ ক্ষেত্ৰত পাৰ্থক্য বিচাৰি পোৱা নাযায়। তেনেকৈ ল'ৰা নে ছোৱালী সেয়াও আজিৰ এই বৰ্তমান সময়ত বাছি উলিওৱা কঠিন হৈ পৰিছে। ছোৱালীবোৰেও ল'ৰাৰ দৰে পোছাক পৰিধান কৰে, চুলি কোছাও চুটিকৈ ৰাখে। ঠিক তেনেকৈ ল'ৰাবোৰৰ ক্ষেত্ৰতো সম্পূৰ্ণ ওলোটা ছবি পৰিলক্ষিত হয়।

মুঠতে শিক্ষা হৈছে এটা প্ৰক্ৰিয়া যাৰ জৰিয়তে মানুহে শাৰীৰিক, মানসিক, আধ্যাত্মিক, সামাজিক আদি বিভিন্ন দিশৰ বিকাশৰ জৰিয়তে নিজকে খাপ-খুৱাই ল'ব পাৰে। শিক্ষা হৈছে এক গতিশীল ধাৰণা। সেয়েহে বিশ্বৰ মহান ব্যক্তিসকলে শিক্ষাৰ বিভিন্ন দৃষ্টিভঙ্গী আগবঢ়াইছে। প্ৰখ্যাত গ্ৰীক দাৰ্শনিক চক্ৰেটিছ্ৰ মতে - ভুল আঁতৰ কৰি সত্যৰ আৱিষ্কাৰ কৰাই হৈছে শিক্ষাৰ মূল উদ্দেশ্য। প্লেটোৰ মতে- উপযুক্ত সময়ত সুখ-দুখ অনুভৱ কৰিব পৰা ক্ষমতাই হৈছে শিক্ষা। ই মানুহৰ দেহ আৰু আত্মাৰ সকলো সৌন্দৰ্যৰ পূৰ্ণ বিকাশ ঘটায়। এৰিষ্টটলৰ মতে - শিক্ষাই সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে।

আনহাতে ব্যাপক অৰ্থত শিক্ষা ক্ষেত্ৰখন মানুহৰ শিশুকালৰ পৰা পৰিপক্ক অৱস্থালৈ চলা বিকাশৰ এক প্ৰক্ৰিয়া। ই মানুহৰ মনত বা অস্তিত্বত প্ৰভাৱ বিস্তাৰ কৰা এক অভিজ্ঞতা। এই ফালৰ পৰা কোনো মানুহৰ সতে কথা বতৰা পতা, খেল-ধেমালি, কল-কাৰখানা, ধৰ্মানুষ্ঠান আদিত অংশগ্ৰহণৰ যোগেদি আহৰণ কৰা অভিজ্ঞতাই শিক্ষাৰ তাৎপৰ্য হ'ব পাৰে।

ইছলাম ধৰ্মৰ পবিত্ৰ ধৰ্মগ্ৰন্থ 'কুৰ্আন'ৰ শ্লোক বিলাকৰ পৰা অৱতৰণ হোৱা ১ম শ্লোকটোৱেই হৈছে - 'ইক্ৰা' অৰ্থাৎ পঢ়া, গতিকে ইয়াৰ পৰাই আমি সহজে অনুধাৱন কৰিব পাৰো যে, শিক্ষাৰ গুৰুত্ব কিমান। প্ৰতিপালকৰ তৰফৰ পৰা সমগ্ৰ বিশ্ব জগতৰ গুৰু হজৰত মুহাম্মদ মুস্তাফা (স্বাঃ)ৰ ওচৰলৈ সৰ্বপ্ৰথমে যিটো 'অহী' (ঐশী বাণী) অৱতীৰ্ণ হৈছিল সেইটো আছিল 'ইক্ৰা' শব্দৰে আৰম্ভ হোৱা পবিত্ৰ কুৰ্আনৰ ৯২ নং ছুৰা আলাকৰ ১ৰ পৰা পাঁচলৈ প্ৰথম পাঁচটা আয়াত। ইয়াৰ অৰ্থ হ'ল, "(হে বন্ধু) পঢ়ক আপোনাৰ প্ৰতিপালকৰ নামত, যিয়ে মানুহক গোটমৰা ৰক্ত বীজৰ পৰা সৃষ্টি কৰিছে। পঢ়ক, আপোনাৰ প্ৰতিপালক জন বৰ দয়ালু। তেওঁ কলমৰ দ্বাৰাই মানুহক লিখিবলৈ শিকাইছে আৰু সেই সমস্ত জ্ঞান শিকাইছে যিবোৰৰ পৰা (মানুহ) অজ্ঞান আছিল।" প্ৰথম অহীৰ এই পাঁচটা আয়াতত আল্লাহ পাকে মানৱ সৃষ্টিৰ বৰ্ণনাৰ লগতে শিক্ষা আৰু কলমৰো বৰ্ণনা কৰিছে। যাৰ দ্বাৰা শিক্ষা আৰু কলমৰ প্ৰয়োজনীয়তাৰ বিষয়ে জনা যায়।



সাম্প্ৰতিক সময়ত শিক্ষাই যথেষ্ট অগ্ৰগতি লাভ কৰিছে। এইটো সঁচা, বহু সংখ্যক অৰ্থনীতিবিদ, ৰাজনীতিবিদ, স্বনামধন্য চিকিৎসক, ইঞ্জিনিয়াৰ আদিৰ সংখ্যা বাঢ়িছে কিন্তু ইয়াৰ বিপৰীতে সমাজত কিছুমান অপসংস্কৃতি, কু-সংস্কাৰ, উশৃঙ্খল যুৱ মানসিকতা, ভ্ৰান্ত ধাৰণাই গা কৰি উঠিছে। ফলস্বৰূপে এখন সমাজ, এটা জাতি তথা এখন দেশৰ সৰ্বাঙ্গীন প্ৰগতিত বাধা আহি পৰিছে। বৰ্তমান বিজ্ঞানৰ যুগতো মানৱ সমাজত কিছুমান অন্ধ বিশ্বাসৰ বশৱতী হৈ জীৱশ্ৰেষ্ঠ মানুহক হত্যাৰ দৰে ঘৃণনীয় কাৰ্যও সংঘটিত হৈছে। উশৃঙ্খল যুৱ মানসিকতাত উটি ভাহি নিজৰ মা-ভনী সদৃশ মহিলা সকলৰ শালিনতা নষ্ট কৰা হৈছে। অজ্ঞানতাৰ যুগত সংঘটিত হোৱাৰ দৰে "জোৰ যাৰ মুলুক তাৰ" নীতি সাম্প্ৰতিক সময়তো পৰিলক্ষিত হোৱা দেখা যায়। আনহাতে সাম্প্ৰতিক সময়ত এটা বিশেষ চিন্তনীয় বিষয় হৈ পৰিছে যে, কিশোৰ-কিশোৰী সকলে ব্যৱহাৰ কৰা ম'বাইল, হেড ফ'নবোৰ যিবোৰৰ উপযুক্ত ব্যৱহাৰ নোহোৱাৰ ফলস্বৰূপে , সমাজত নানা উচ্ছৃংশলতাই দেখা দিছে। এই সকলোবোৰ একমাত্ৰ উপযুক্ত শিক্ষা আহৰণ নকৰাৰ বাবেই সংঘটিত হয় বা হৈ থাকে।

প্ৰকৃততে জ্ঞানক পোহৰৰ লগত তুলনা কৰা হয়। পোহৰৰ প্ৰভাৱত যেনেকৈ আন্ধাৰ আঁতৰি যায় ঠিক তেনেকৈ উপযুক্ত শিক্ষাৰে জ্ঞানী হৈ সমাজৰ পৰা বিভিন্ন কু-সংস্কাৰবোৰ আঁতৰ কৰিবলৈ সক্ষম হ'ব পাৰি।

যিহেতু শিক্ষা হৈছে সমাজ তথা দেশৰ প্ৰতিজন নাগৰিকে জীৱন জুৰি বৰ্তী থকা কাৰ্যপন্থা বিশেষৰ লগতে শিক্ষা মানুহৰ জন্মলগ্নৰে পৰা মৃত্যু পৰ্যন্ত চলি থকা এক বিকাশশীল অভিজ্ঞতা। এনে অভিজ্ঞতা লাভ কৰি ভিন ভিন পৰিবেশত নিজকে খাপ খুৱাই জীৱন পথত অগ্ৰসৰ হয়। গতিকে শিক্ষা সমগ্ৰ জীৱনত লাভ কৰা অভিজ্ঞতাৰ সমষ্টি আৰু এনে অৰ্থত জীৱনেই শিক্ষা, শিক্ষাই জীৱন। মানুহৰ জীৱনে বিভিন্ন স্তৰ অতিক্ৰম কৰি থাকে, যেনে শৈশৱ কাল, বাল্যকাল, কৈশোৰ কাল, বৃদ্ধ কাল আদি আৰু স্তৰ সমূহত উপলব্ধ হোৱা বিভিন্ন জ্ঞানৰ সমষ্টিয়েই হ'ল শিক্ষা।

সাম্প্ৰতিক সময়চোৱাত এই শিক্ষা ব্যৱস্থাৰ উপযুক্ত ব্যৱহাৰিক প্ৰয়োগৰ অভাৱত সমাজ তথা দেশত সৃষ্টি হোৱা সীমাহীন কু-সংস্কাৰ, উশৃঙ্খল যুৱ মানসিকতা আদি নানান অপসংস্কৃতি, অন্ধবিশ্বাসবোৰৰ প্ৰভাৱত দেশখন বহু শতিকা পিছ পৰি যোৱাৰ প্ৰাক্মুহূৰ্তত সমাজ সচেতন যুৱ চাম তথা প্ৰতিগৰাকী নাগৰিকে উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ সমাজ তথা মাতৃভূমিক সৰ্বাঙ্গীণ উন্নতিৰ পথত আগবঢ়াই নিয়াটোই প্ৰধান কৰ্তব্য।

■■■

"শাৰীৰিক সক্ষমতাৰ পৰা প্ৰকৃত শক্তি নাহে; ই আহে অদম্য ইচ্ছা শক্তিৰ পৰা।"
— মহাত্মা গান্ধী

# প্ৰেম আৰু কিছু অনুভৱ

ছাদ্দাম হুছেইন
স্নাতক ৪ৰ্থ ষাণ্মাসিক

**কোনোবা** এটা দিনৰ কথা। লাইব্ৰেৰীৰ ৰিডিং ৰুমত কিবা এখন বাহিৰা কিতাপ পঢ়ি আছিলো। মই ৰিডিং ৰুমত কোনো দিনেই কোৰ্চৰ কিতাপ পঢ়া নাছিলো। সৰুৰে পৰাই মোৰ বাহিৰা কিতাপৰ প্ৰতি আগ্ৰহ বেছি। অলপ আচৰপ গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি লিখা মেলাও কৰোঁ। স্বীকৃতিতকৈ মই মোৰ মনৰ স্বীকৃতিকহে আগস্থান দিওঁ। মই লিখিবলৈ ভাল পাওঁ, পঢ়িবলৈ ভাল পাওঁ। সেইবাবেই মই সদায় সময় উলিয়াই এখন কিতাপ মেলি লওঁ। ঘৰতেই হওঁক নাইবা কলেজৰ অফ পিৰিয়ডতেই হওঁক একেদৰে সেই দিনাও দুটামান পৃষ্ঠা পঢ়াৰ পিছতেই..... "Excuse Me" আপোনাৰ লগত চিনাকি হ'বলৈ পাৰিম নে? কাৰণ আপোনাৰ লেখনি বিলাক বিশেষকৈ আপোনাৰ গল্পবোৰ মোৰ খুব প্ৰিয়। "অ' মোৰ নামটো আপোনাক কোৱাই নাই। মোৰ নাম অঞ্জলি। স্নাতক প্ৰথম বাৰ্ষিকত এই বাৰ নামভৰ্তি হৈছো।" (অঞ্জলি) ছোৱালীজনীৰ কথাখিনি শুনি মই থৰ হৈ ৰ'লো কিছু সময়ৰ বাবে ......। বাৰু মোৰ লগত চিনাকি হ'বলৈ কিয় মন গৈছে তোমাৰ? অ' তাৰ মানে মোৰ গল্পৰ বাবেহে চিনাকি হ'বলৈ মন গৈছে, মই মানুহটোৰ বাবে নিশ্চয় নহয়। নহয়, নহয়, আপুনি কিয় তেনেকৈ ভাবিছে, আচলতে আপোনাৰ গল্পবোৰৰ নিগেটিভ্ ধৰ্মিতাৰ অন্তৰালত থকা মানুহজনৰ বিষয়ে জানিবলৈ মোৰ খুব মন যায়। অৰ্থাৎ ...।

অ' মোক ক্ষমা কৰিব দেই মই আপোনাৰ ব্যক্তিগত কথাত হাত দিছো। নাই, নাই মই বেয়া পোৱা নাই। তুমি মোক ফ্ৰিলি সুধিব পাৰা। আপোনাৰ গল্পৰ আঁৰত থকা নিগেটিভ্ ধৰ্মিতা আপোনাৰ জীৱনৰ প্ৰতিফলন নেকি? তুমি ভাবা নেকি? আগতে ভাবিছিলো। কিন্তু এতিয়া আপোনাক লগ পাই তেনেকুৱা অভিজ্ঞতা আপোনাৰ জীৱনত হোৱা নাই যেন লাগিছে। তুমি ভবা কথাটোৱেই ঠিক। বৰ্তমানলৈ মই তেনেকুৱা কঠোৰ বাস্তৱৰ সন্মুখীন হোৱা নাই। কিন্তু কিয় যে মোৰ গল্পবোৰ নিগেটিভ্ অৰ্থ সূচক হৈ পৰে নিজেই নাজানো। ৰিব্ ৰিবকৈ বৈ থকা মলয়া বতাহত অঞ্জলিৰ চুলি কোচাই তাইৰ পূৰ্ণিমাৰ জোনটোৰ দৰে উজ্বল মুখ মণ্ডলত সিঁচৰিত হৈ পৰিছে। কোমল অথচ মোহময়ী লাহী আঙুলি কেইটাৰে তাই চুলি কোচা ঠিক কৰি লৈছে। চকু যুৰিৰে তাইৰ পদুমৰ পাহিৰ যেন সোণত সুবগা চৰাৰ দৰে তিলফুলীয়া নাকটোৰে তাইক বিতোপন দেখাইছে।

দিনবাৰ আগবাঢ়ে কলেজত অঞ্জলিক প্ৰায়েই লগ পাওঁ। কিয় জানো দিন বাগৰাৰ লগে লগে অঞ্জলি লাহে লাহে গহীন হৈ পৰিছে। তাইৰ এই পৰিৱৰ্তনে মোৰ অন্তৰত কোনো দিনে নুফুলা এপাহ ফুল ফুলাই দিলে। হয়তো সেই ফুল পাহৰ নামেই 'প্ৰেম।'

দুটি আখৰেৰে গঠিত এটি মিঠা শব্দ 'প্ৰেম'। 'প্ৰেম' নামৰ এই মধুৰ শব্দটিত যেন নিহিত হৈ আছে পৃথিৱীৰ সমস্ত সৌন্দৰ্যৰ ভাণ্ডাৰ যিয়ে প্ৰতি অযুত স্বপ্নৰে ভৰপূৰ মিঠা মিঠা অনুভৱৰ সৃষ্টি কৰে। এয়াই হৈছে 'প্ৰেম' বা ভালপোৱা।

এদিন কাগজ এখিলাত কবিতা এটা লিখি অঞ্জলিৰ হাতত গুজি দিলো। মই নহয় তুমিও নহয়, ফুল পাহত ভোমোৰা পৰিলে কিয় ৰঙা হয়? তোমাৰ গাল দুখন। সেয়ে সিদিনা তোমাৰ খোপাত পিন্ধাই দিছিলো হালধীয়া কৰবী এপাহ, জানা এডৰা সৰিয়হ হৈ গ'লা তুমি আৰু মই মাহ হালধি সানি তোমাতেই বিলীন হ'লো। তুমি আয়তী উৰুলীয়ে কয় মই তুমি ..... তুমি মই ..... এদিন অঞ্জলিক কৈছিলো............ মই তোমাৰ অচিনাকি সাহিত্যিকজন নহয়। মই তোমাৰ একেবাৰে ভিতৰলৈ সোমাই গ'লো অঞ্জলি। এতিয়া মই আৰু অস্বীকাৰ কৰিব নোৱাৰো। মই তোমাক ভাল পাওঁ অঞ্জলি, খুব ভাল পাওঁ ...। ক্ষন্তেক সময় মনে মনে থাকি তাই কৈছিল— 'আপোনাক প্ৰথম লগ পাওঁতেময়ো তেনে কথা ভবা নাছিলো প্ৰীতম দা। কিন্তু আজি মোৰো অস্বীকাৰ কৰিবৰ ক্ষমতা নাই, মই যে আপোনাক ভাল পাই পেলাইছো। কিন্তু, অঞ্জলি আমাৰ জানো মিলন সম্ভৱ হ'ব? আমি জানো উচ্চ-নীচ প্ৰভেদৰ প্ৰাচীৰখন ভাঙিব পাৰিম?? তাৰ মানে ......। মই তোমাক চিৰদিনৰ বাবে মোৰ কৰিম, অঞ্জলি উচ্চ-নীচৰ প্ৰাচীৰ ভাঙিব পাৰিবানে তুমি.....? সময়ৰ প্ৰয়োজনত সকলো কৰিব পাৰিম প্ৰীতম দা। সময়বোৰ আগবাঢ়ে। ইতিমধ্যে মই ডিগ্ৰী পাছ কৰি পি.জি পঢ়িবলৈ দিল্লী ইউনিভাৰ্চিটি পালোগৈ। বন্ধত কেতিয়াবা ঘৰলৈ আহিলে অঞ্জলিক লগ পাওঁ। প্ৰথমতে কেইদিনমান অঞ্জলিৰ পৰা আঁতৰত থাকিব লগা হোৱাত কষ্ট পাইছিলোঁ। কিন্তু কৰ্তব্যৰ খাতিৰত থাকিব লাগিব। পি.জি পাছ কৰি প্ৰকাশনৰ এটা চাকৰিৰ কথা কোৱাত খুব সহজ ভাবেই মোক চাব এডিটৰ কৰি ল'লে। মই চাকৰিটো পোৱাৰ পিছত অঞ্জলিয়ে এম.এ পাছ কৰিলে। মাক-দেউতাকে অঞ্জলিৰ বাবে দৰা বিচাৰিবলৈ উঠি পৰি লাগিল।

এমাহমানৰ পিছতে এদিন অঞ্জলিয়ে মোক ক'লে— "মাহঁতে এতিয়া জোৰ কৰি মোৰ বিয়া পাতি দিব। মই কি কৰোঁ? আপুনি আমাৰ ঘৰত প্ৰস্তাৱ দিয়ক গৈ। তোমালোকৰ ঘৰৰ মানুহে কেতিয়াও মানি নলব অঞ্জলি। তাতকৈ আমাৰ মিলন সম্ভৱ হ'বলৈ হ'লে সামাজিক ভাবে বিয়া পাতিব নোৱাৰি। তুমি মনে মনে কালি ঘৰৰ পৰা গুচি আহিবা। কোনোবা এটা মন্দিৰত ভগৱানক সাক্ষী কৰি আমি বিয়া পাতি লম। তোমাৰ সেইখিনি সাহস হ'বনে অঞ্জলি। হ'ব? কিয় নহ'ব? সময়ৰ প্ৰয়োজনত বা তোমাক পাবলৈ সকলো ত্যাগ কৰিব পাৰিম।

পাটৰ কাপোৰযোৰ আৰু গহনাখিনি লৈ সন্ধিয়া গাঁৱৰ ঘৰ পালো। ঘৰত অৱশ্যে মই এইবোৰ কথা মুঠেই জনোৱা নাই। আজি ৰাতি অঞ্জলি মনে মনে ঘৰৰ পৰা গুচি অহাৰ কথা। আমাৰ ঘৰৰ পৰা কেইকিলমিটাৰ মান আঁতৰত থকা মন্দিৰটোত বিয়া পাতি বাহিৰে বাহিৰে যোৰহাট পাম গৈ। গধূলি সাত মান বজাত গাঁৱৰ মূৰৰ তিনিআলিটোত মই অঞ্জলিৰ বাবে ৰৈ থাকিলো। বহুত সময় পাৰ হৈ গ'ল। কিন্তু অঞ্জলিৰ দেখাদেখি নাই। মোৰ চিন্তা হ'ল তাইৰ একো অসুখ-বিসুখ হোৱা নাইতো? অলপ সময় পিছত মই দেখিলো এজাক আয়তীয়ে বিয়াৰ নাম গাই গাই পুখুৰীৰ ফালে আহি আছে। ইতিমধ্যে দলটো মোৰ ওচৰ পালেহিয়েই। এনেতে মোক দেখি জানকী মাহীয়ে মাত লগালে— "বোপা প্ৰিতম কেতিয়া আহিলি?, বিয়া খাবলৈ আজি আহিলি ছাগে?" কাৰনো বিয়া মাহী? কিয় সেই বৰুৱা মাষ্টৰৰ জীয়েক অঞ্জলিৰ বিয়া। কি? অঞ্জলিৰ বিয়া... মিছাকথা.... মিছা কথা...... মোৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল... এয়াই তোমাৰ প্ৰেম আছিল? ভালপোৱা আছিল? মোৰ বুকুত মূৰ থৈ দিয়া প্ৰতিশ্ৰুতি আছিল তুমি মই পৃথক নহয়, তুমি আৰু মই একক সত্বা মাথোঁন। চিৰদিন একেলগে জীয়াই থাকিম। মোৰ অবিহনে তুমি অসম্পূৰ্ণ আৰু তোমাৰ অবিহনে মই? ইমান নিষ্ঠুৰভাৱে কেনেকৈ এৰি গ'লা অঞ্জলি? কিন্তু মুখেৰে মোৰ এষাৰো মাত নোলাল। এখোজ দুখোজকৈ ৰভা তলিত উপস্থিত হ'লো। অঞ্জলিয়ে কইনা সাজি বহি আছে। মই তাইৰ হাতত পেকেতটো তুলি ক'লো...... "তোমাক মই বহুত সময় অপেক্ষা কৰিলো অঞ্জলি। কিন্তু মই যেতিয়া গম পালো উচ্চ-নীচৰ প্ৰাচীৰখন ভাঙিব নোৱাৰি পিতৃ-মাতৃৰ কথাত মান্তি হৈছা মোক লগ পাবলৈ কেতিয়াও যাব নোৱাৰিলা। তোমাক মাথোন এবাৰ চাবলৈ মই ইয়ালৈ দৌৰি আহিলো অঞ্জলি। যদি মোৰ ভুল হ'ল ক্ষমা কৰিবা। তুমি গোলপীয়া ৰঙৰ কাপোৰ খুব ভাল পোৱা নহয় এইযোৰ লোৱা মই তোমাৰ বাবে আনিছো অঞ্জলি।"

"আপোনাক দিয়া কথা মই ৰাখিব নোৱাৰিলো প্ৰীতম দা, মোক আপুনি অভিশাপ দিয়ক।"

"তেনে কথা নক'বা অঞ্জলি। তুমি সুখী হোৱা। তোমাৰ মনত পৰেনে অঞ্জলি, মোক প্ৰথম লগপোৱাৰ দিনা তুমি যে সুধিছিলা মোৰ গল্পবোৰ কিয় নিগেটিভ্ ধৰ্মী হয় সেইদিনা মই তোমাৰ কথাষাৰৰ উত্তৰ ভালকৈ দিব পৰা নাছিলো। কিন্তু আজি চোৱা মই নিজেই এটা নিগেটিভ্ গল্প হৈ পৰিছো। প্ৰীতমে যেন আকৌ এটা নতুন গল্পৰ বাবে কলম তুলি ল'লে।....

■■■

# হেৰুৱা সুবাস

চহৰবানু বেগম
উঃ মাঃ প্ৰথম বৰ্ষ

**সুন্দৰপুৰ** গাঁও। গাঁওখনৰ পৰিবেশ বৰ ভাল। এইখন গাঁৱতেই বাস কৰে ৰাজু। তেওঁৰ সম্পূৰ্ণ নাম মহম্মদ ৰাজু আহমেদ। দশম শ্ৰেণীত পঢ়ে। ফেব্ৰুৱাৰী মাহ, ঠাণ্ডাও বৰ বেছিকৈ পৰিছে। ফজৰৰ আজান হৈছে। চৰাই-চিৰিকটিবোৰেও চিউ চিউ কৰি আছে। ৰাজু তেতিয়া বিছনাৰ পৰা উঠি গা-ধোৱা কোঠালিলৈ গৈ অজু কৰি মছজিদলৈ লৰ দিলে। নামাজ পঢ়ি আহি মাকে প্ৰস্তুত কৰা জা-জলপান খাই পঢ়া টেবুললৈ গ'ল। পুৱা ৯ বাজিছে। গাঁওৰ সকলো ল'ৰা-ছোৱালীয়ে স্কুললৈ ঢাপলি মেলিছে। এনেতে ৰাজুৰ বন্ধু হবিবে বাইক লৈ আহি ৰাজুৰ ঘৰৰ সন্মুখত থিয় হ'ল। ৰাজুৱে টি.টি... হৰ্ণৰ শব্দ শুনি বাহিৰলৈ ওলাল। হবিবঃ কি হ'ল? আজি দেখোন পঢ়াত বৰ ব্যস্ত তই, পিছে স্কুলত নাযাব নেকি?

ৰাজুঃ এ, ৰবিচোন, মই আহি আছো অলপ অপেক্ষা কৰা। ৰাজুৱে ভিতৰৰ পৰা ইউনিফৰ্ম পৰিধান কৰি কিতাপ লৈ হবিবৰ লগত বাইকেৰে পালেহি।

ক্লাছৰ ভিতৰত ৰাজু এজন বৰ তীক্ষ্ণ বুদ্ধিৰ ল'ৰা। পঢ়া-শুনাতো বৰ ভাল সেইবাবে শিক্ষকসকলে তাক বৰ ভাল পায়। আবিদা ৰাজুহঁতৰ শ্ৰেণীতেই পঢ়া এজনী ছোৱালী। নগৰত থাকে। দেখাত অতি ধুনীয়া। পঢ়া-শুনাত তাইয়ো ভাল। তাইৰ সম্পূৰ্ণ নাম মিছ আবিদা ইয়াছমিন। ৰাজু আৰু আবিদা দুয়ো ভাল বন্ধু। দুয়োজনৰ মাজত বৰ মিল। সেইবাবে স্কুলত ছাৰে কৰিবলৈ দিয়া হোমৱৰ্কখিনি জিৰণীৰ সময়ত দুয়োজনে বহি বহি এজনে আনজনক নোট কৰি দিয়ে। এপ্ৰিল মাহ। পিছে দিন সকলো সময়তে একে নাথাকে। এনেদৰে স্কুলত অহা-যোৱা কৰোঁতে লাহে লাহে ৰাজু আৰু আবিদাৰ এই বন্ধুত্ব প্ৰেমত পৰিণত হ'ল। ৰাজুৱে এতিয়া আবিদাক ভাল পায় আৰু আবিদায়ো ৰাজুক বৰ ভাল পায়। বহু। ৰাজু এতিয়া স্কুললৈ যায়। আবিদাৰ লগত ফুৰা-চকা কৰে আৰু এনেকৈয়ে সিহঁতে স্কুলৰ সময়খিনি পাৰ কৰে। সিহঁতৰ এই মধুৰ প্ৰেমৰ কথা এতিয়া স্কুলৰ সকলো ছাত্ৰ-ছাত্ৰীয়েই জানে। ৰাজুৰ ঘৰত থকা সময়খিনিত চেৰেং চেৰেংকৈ কেৱল আবিদাৰ কথা মনত পৰে। ৰাজুৰ মনলৈ এটা বুদ্ধি আহিল। আবিদাহঁতৰ নগৰত থকা ৰাজুৰ খুৰা আব্দুল্লাহ আহমেদৰ ঘৰত থাকি স্কুললৈ অহা-যোৱা কৰিবৰ বাবে দেউতাকৰ পৰা অনুমতি বিচাৰিলে। কাৰণ তাৰ পৰা স্কুলৰ দূৰত্ব কম আৰু কম সময়ৰ ভিতৰত অহা-যোৱা কৰিব পাৰে লগতে কষ্টও কম হ'ব। দেউতাকে কথাটো ভাল হ'ব বুলি ভাবি ৰাজুক তেওঁৰ খুৰা আব্দুল্লাহৰ ঘৰত থাকি পঢ়াৰ ব্যৱস্থা কৰি দিলে। বছ, ৰাজু এতিয়া ফ্ৰী। তাক এতিয়া আৰু কোনে পায়। সি এতিয়া যেন সম্পূৰ্ণ মুক্ত। কাৰণ ঘৰত দেউতাকে সদায় নামাজ পঢ়াৰ কথা কৈছিল। কিন্তু এতিয়াতো তাক কোনেও নামাজৰ কথা নকয়। তাৰ মনত ভাবি থকা কথাবোৰ, আবিদাৰ লগত বেছিভাগ সময় উঠা-বহা বা কথা পাতিব পাৰিব। পুৱা ৯মান বজাত আবিদাই চাইকেল এখন লৈ ৰাজুৰ খুৰা আব্দুল্লাহৰ ঘৰৰ সন্মুখত আহি চাইকেলৰ বেল বজায় আৰু তেতিয়া ৰাজুৱেও ভিতৰৰ পৰা চাইকেল এখন লৈ বাহিৰলৈ ওলায় নিতৌ একেলগে স্কুললৈ যায়। ৰাজু এতিয়া তেওঁৰ মৰমীক সঘনাই চকুৰ সন্মুখত দেখা পায়। খুৰাকৰ ঘৰত পঢ়িবলৈ অহা ৰাজুৱে এতিয়া পঢ়া-শুনা এৰি বেছিভাগ সময় আবিদাৰ পিছতেই দিবলগা হয়। কেতিয়াবা কেতিয়াবা তাইৰ কাৰণে ৰাজুৱে ৰাস্তাত অপেক্ষা কৰে আৰু কিছু সময়ৰ পিছত আবিদা আহে আৰু দুয়ো একেলগে পাৰ্কত ফুৰিবলৈ যায়। ৰাজুৰ এতিয়া তাৰ বন্ধুৰ কথা একেবাৰে মনত নপৰে। তাৰ যেন এতিয়া সকলোতকৈ প্ৰিয় বন্ধু কেৱল আবিদা আৰু আবিদা। ইয়াৰ বাহিৰে যেন আৰু কোনো কথাই তাৰ মনত নোসোমায়।

জুন মাহ। বৰ গৰম। ৰাজুৱে স্কুলৰ বাৰান্দাত বহি আছে। আবিদা আহি উপস্থিত হ'ল। আৰম্ভ হ'ল কথা বতৰা। এনেতে কেইজনমান বদমাছ লৰাই সিহঁতৰ ওচৰত আহি বৰ বেয়া বেয়া কথাৰে জোকাবলৈ ধৰিলে। ৰাজুৱে ক'লে- "Discussing is the best policy of learning." আলোচনা শিক্ষাৰ এটা উত্তম পন্থা আমি আলোচনাহে কৰি আছো, বেলেগ একো কৰা নাই নহয়। ৰাজুৰ কথাত বদমাচ ল'ৰাকেইজনে লাজ পাই তাৰপৰা গুচি গ'ল। কিছু সময় পিছত স্কুল ছুটী হ'ল। ৰাজু আৰু আবিদা দুয়ো একেলগে ঘৰলৈ আহিল। ৰাজুৰ খুৰা এজন শিক্ষিত লোক। তেওঁ ৰাজুৰ এনে অৱস্থা দেখি এদিন ৰাজুক মাতি নি ক'লে, 'বোপাই, তুমি ইয়াত আহিছা কেৱল পঢ়াৰ কাৰণে। তোমাৰ এতিয়া একমাত্ৰ কাম পঢ়া। The more you read, the more you will learn. Time and tide wait for none. (যিমানেই পঢ়িবা সিমানেই শিকিবা। সময় আৰু সুযোগে কাকো অপেক্ষা নকৰে)। তুমি কিয় সেই ছোৱালীজনীৰ পিছত ঘূৰি ঘূৰি নিজৰ সময় নষ্ট কৰি আছা? এনেকুৱা কৰা ঠিক নহয়।" এই বুলি কৈ খুৰাক তাৰ পৰা গুচি গ'ল। খুৰাকৰ কথাত ৰাজু কোনো পৰিৱৰ্তন নহ'ল। আজি ৰবিবাৰ, স্কুল বন্ধ ৰাজুৱে আবিদাৰ লগত সিহঁতৰ ঘৰখন চাবলৈ যাব। আবেলি ৰাজু ৰাস্তাত ওলাল, আবিদাও আহি উপস্থিত হ'ল। দুয়ো একেলগে খোজ ললে। কিছু সময়ৰ পাছত দুয়ো আহি ঘৰ পালেহি। পিছে আবিদাৰ দেউতাক ঘৰতেই আছিল। তেখেতে নিজৰ ছোৱালীৰ লগত ৰাজুক দেখা পাই আবিদাক সুধিলে, "এইজন কোন?" আবিদাই ক'লে, "মোৰ ক্লাচ মেট।" লগে লগে আবিদাৰ দেউতাকে খঙৰ ভমকত ৰাজুক ক'বলৈ ধৰিলে, "অসভ্য ল'ৰা, মোৰ ছোৱালীৰ লগত তোমাৰ কি সম্পৰ্ক? ইয়াত কিয় আহিছা। ওলাই যোৱা ইয়াৰ পৰা। কেতিয়াও আবিদাৰ লগত নুফুৰিবি।" আবিদাৰ দেউতাকৰ কথাত ৰাজুৱে বৰ দুখ পালে। সি তাৰ পৰা কান্দি কান্দি ওলাই আহিল। আবিদায়ো ৰাজুক একো ক'ব নোৱাৰিলে। পিছদিনাখন ৰাতিপুৱা স্কুলত দুয়ো লগ হ'ল। ৰাজুৱে আবিদাক দেখি একো ক'ব নোৱাৰা হ'ল। ৰাজুৰ পৰা আবিদাই দেউতাকে কৰা ভুলৰ বাবে ক্ষমা বিচাৰিলে। ৰাজুৱে ক'লে, "এতিয়া তুমি কোৱাচোন, তুমি বাৰু মোক ভাল পোৱানে?" আবিদাই ক'লে, "পাওঁ।" I Love You. মই তোমাক ভাল পাওঁ।" তেনেহ'লে আকৌ কিহৰ কাৰণে তুমি ক্ষমা মোক ক্ষমা বিচাৰিছা। আবিদাই এটা মিচিকিয়া হাঁহি মাৰিলে।

জুলাই মাহ আৰম্ভ হ'ল। স্কুলত গৰমৰ বন্ধ দিলে। ৰাজু এইবাৰ বন্ধত মোমায়েকৰ সৈতে দিল্লী, আগ্ৰা, মুম্বাই আদি ঠাই ভ্ৰমণ কৰিবলৈ যাব। সেইবাবে আবিদাৰ পৰা বিদায় লৈ খুৰাকৰ গাঁৱৰ পৰা নিজ গাঁও সুন্দৰপুৰলৈ উভতিল। পিছদিনা ঢলপুৱাতেই ৰাজু মোমায়েকৰ সৈতে ভ্ৰমণলৈ ওলাল। বাছেৰে আহি সিহঁতে

গুৱাহাটী ৰে'লৰে ষ্টেচন পালেহি। গুৱাহাটীৰ পৰা ৰাজধানী এক্সপ্রেছেৰে দিল্লীলৈ যাব। ৰাজু আৰু মোমায়েক প্লেটফৰ্মত বহি আছে। ৰাজুৱে বাৰে বাৰে আবিদাৰ কথা মনত পেলাইছে। এনেতে আন এখন ৰে'লগাড়ী বাহিৰৰ পৰা আহি ষ্টেচনত সোমাল। লাহে লাহে ৰে'লাগাড়ীখন ৰ'লহি। হঠাৎ ৰাজুক কোনোবাই মতা যেন পালে। সি দেখিলে আবিদাই খিৰিকীৰে হাত উলিয়াই চিঞৰি চিঞৰি ৰাজুক মাতি আছে। হঠাৎ আবিদাক দেখি ৰাজু অবাক হ'ল। আবিদাই ৰে'লৰ পৰা নামি ৰাজুৰ ওচৰত আহিল আৰু ক'লে আমি আজি আটায়ে মামাহঁতৰ ঘৰলৈ গৈ আছো। এনেতে আবিদাহঁতৰ ৰে'লখন এৰি দিলে। তাই ততাতৈয়াকৈ দৌৰি গৈ ৰে'লত উঠিল আৰু লাহে লাহে ৰে'লখন ষ্টেচন পাৰ হ'ল। ৰাজুৱে বহু দূৰলৈকে চাই থাকিল। পিছত ৰাজু মোমায়েকৰ সৈতে দিল্লীলৈ যাত্রা আৰম্ভ কৰিলে। মোমায়েকৰ ঘৰত ফুৰিবলৈ যোৱা আবিদাই তাত গৈ এমাহ থাকিল আৰু তাইৰ মোমায়েকৰ ল'ৰাৰ বন্ধু হবিবৰ লগত বন্ধুত্ব হ'ল। আবিদাই ৰাজুৰ কথা পাহৰিবলৈ ধৰিলে। লাহে লাহে সিহঁতৰ বন্ধুত্ব প্রেমত পৰিণত হ'ল। আবিদাই এতিয়া ৰাজুৰ কথা সম্পূর্ণ পাহৰি গ'ল। গৰমৰ বন্ধ শেষ হ'ল। স্কুল খুলিল। সকলো ছাত্ৰ-ছাত্ৰী স্কুললৈ আহিল। ৰাজুৱে আবিদাৰ খবৰ ল'বলৈ আহিল। কিন্তু আবিদাই এতিয়া ৰাজুক ভাল নাপায়। তাই ক'লে, "ৰাজু তুমি মোক আৰু একো নক'বা। তোমাৰ লগত মোৰ কোনো সম্পৰ্ক নাই। যোৱা তোমাক মই ভাল নাপাওঁ।" ৰাজুৱে একো বুজিব পৰা নাই। তেওঁ ক'লে, "মই তোমাক ভাল পাওঁ...। লগে লগে আবিদাই স্কুলৰ সকলোৰে সন্মুখত ৰাজুৰ দুগালত দুটা চৰ মাৰিলে আৰু ক'লে, "তুমি মোক আৰু কেতিয়াও এই কথা নক'বা।" ৰাজুৰ মূৰত যেন সৰগ ভাগি পৰিল। তেওঁ তেতিয়াই স্কুলৰ পৰা ঘৰলৈ আহিল। ৰাজু এতিয়া ঘৰত থাকে। খোৱাৰ সময়ত কেইগৰাহমান খায় আৰু গোটেই দিনটো শুই থাকে। সি ভাবে যে তাৰ জীৱনৰ কোনো মূল্য নাই। এদিনাখন ৰাজুৱে ভাবিলে আৰু নিজেই নিজক ধিক্কাৰ দি ক'বলৈ ধৰিলে, "মই যিজনী ছোৱালীৰ পিছত ঘূৰি ভাল পাইছিলো এতিয়া তাই মোক এৰি গুচি গ'ল। হঠাৎ এদিন আবিদাই দেখিলে যে হবিবুৰে বাইকৰ পিছত এজন বন্ধুক লৈ সিহঁতৰ নগৰৰে এখন দোকানত সোমাল। কিছু সময়ৰ পিছত ওলাই আহি ওচৰতে এখন পাৰ্কত সোমাল। আবিদাই তবধ মানিলে। তাইক দেখা মাত্ৰকে হবিবে আগুৱাই আহিল আৰু ক'লে- I Lobv biv. আবিদাই ক'লে শব্দটো তেনেকুৱা নহয় শব্দটো হ'ল I Love You. হবিবুৰৰ বন্ধুৱে তাইক দেখি নিৰ্যাতন চলাবলৈ চেষ্টা কৰিলে। লগে লগে হবিবুৰে বন্ধুৰ লগত আগুৱাই আহিল। আবিদাই এটা চিঞৰ মাৰিলে আৰু তাৰ পৰা কোনোমতে দৌৰি পলাবলৈ সক্ষম হ'ল আৰু ঘৰলৈ আহি গাৰুত মুখখন গুজি হুকহুকাই থাকিল। আবিদাই ৰাজুৰ লগত কৰা ভুলৰ কথা এতিয়াহে বুজি পালে। তাই ৰাজুৰ অন্তৰত দিয়া দুখৰ বাবে ক্ষমা বিচাৰিবলৈ আৰু আগৰ দৰে ৰাজুক পাবলৈ প্ৰস্তুত হ'ল। দুপৰীয়া সময়ত ৰাজুৱে নামাজ পঢ়ি আহি স্কুলৰ বাৰাণ্ডাত বহি জিৰণি লৈ আছে। এনেতে আবিদাই তেওঁৰ ওচৰত আহি ক'লে, "ৰাজু তুমি মোক ক্ষমা কৰা, তোমাৰ অন্তৰত আঘাত দিয়াৰ বাবে মই দুঃখিত। ৰাজু I Love You."

■■■

> "A person who never made a mistake never tried anything new."
>
> Albert Einstein



গল্প

# প্ৰণামিকাৰ কথাৰে

**কনকলতা শইকীয়া**
**মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ**

**প্ৰণামিকাই** আজি শংকৰ-আজান বালিকা উচ্চ বিদ্যালয়ৰ এবছৰৰ বাবে চাকৰিত যোগদান কৰিছে। সেই স্কুলৰে শিক্ষক শুভাংকৰ চুতীয়াই বি.এড পঢ়িবৰ বাবে ডেপুটেচনত গৈছে আৰু সেই পদটোৰ বাবে আবেদন কৰি প্ৰণামিকাই চাকৰিটো অলপ দিনৰ বাবে হ'লেও পালে। স্কুলখন প্ৰণামিকাহঁতৰ ঘৰৰ পৰা দহ কিল'মিটাৰমান দূৰ হ'ব আৰু এইকণ বাট বাছেৰে তাই অহা-যোৱা কৰিব লাগিব। আজি তাইৰ মনটো ঘৰৰ পৰা ওলাই আহোতে যিমান উৎকণ্ঠিত বা উগুল-থুগুল লাগিছিল এতিয়া আৰু সেইবোৰ একো নাই। প্ৰথম দিন বাবে আহোঁতে যি এটা দুৰু দুৰু ভাবে মনটো চেপি চেপি সংকুচিত কৰিছিল, নানা চিন্তাই তাইক ভাৰাক্ৰান্ত কৰিছিল, কিন্তু স্কুলত প্ৰৱেশ কৰিয়েই প্ৰণামিকাৰ সেই সকলো আহুকাল চিকাৰী দেখি পলাই পত্ৰং দিয়া পক্ষী কেইটাৰ দৰে থাউকতে নোহোৱা হ'ল। বাছৰ পৰা নামি স্কুলৰ চৌহদত ভৰি দিয়েই তাই অতি গহীন খোজেৰে গৈ প্ৰধান শিক্ষয়িত্ৰীৰ কোঠাৰ দুৱাৰমুখত ৰ'ল ভিতৰত সোমাবৰ বাবে অনুমতি পোৱাৰ অপেক্ষাত। প্ৰধান শিক্ষয়িত্ৰীৰ ইংগিত পাই তাই ভিতৰত সোমাল আৰু হেড্ বাইদেৱে প্ৰণামিকাক নিৰীক্ষণ কৰি থাকোঁতেই বেগৰ পৰা কামত যোগদান কৰিবলৈ অনা পত্ৰখন তেওঁলৈ আগবঢ়াই দিলে। সেই পত্ৰখন পঢ়ি তায়ে প্ৰণামিকা বৰুৱা বুলি জানি দুই এটা কথা সুধি তেওঁ তাইক শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত চিনাকি কৰি দিয়াৰ উদ্দেশ্যে তেওঁলোক সমবেত হোৱা কোঠাৰ পিনে লৈ গ'ল। হেড্ বাইদেউৰ কোঠাৰ পৰা সেই কোঠাটো বেছি দূৰ নহয়। প্ৰণামিকা হেড্ বাইদেউৰ পিছে পিছে যদিও তাইৰ চকু দুটাই পিৰিক-পাৰাককৈ ইফালে-সিফালে চাবলৈ ধৰিলে। এইখন স্কুল তাইৰ চিনাকি নহয় বাবে পৰিবেশটো সম্পূৰ্ণ নতুন। সিহঁতৰ ঘৰৰ পৰা স্কুলখন মাত্ৰ দহ কিল'মিটাৰমান দূৰ হ'ব অথচ তাই চিনি নাপায়। নোপোৱাৰে কথা— কাৰণ তাই সৰুৰে পৰা গুৱাহাটীত মোমায়েকৰ ঘৰতে থাকি পঢ়া শেষ কৰিহে এতিয়া ঘৰলৈ আহিছে। শিক্ষক-শিক্ষয়িত্ৰীসকল সমবেত হোৱা কোঠাৰ ওচৰ পাওঁতে তাই সেইফালে চাই দেখিলে ভালে কেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰী বহি আছে। এতিয়া জিৰণিৰ সময়। শ্ৰেণীসমূহো বহা নাই। বাৰাণ্ডাৰে যাওঁতে কেইবাজনী ছাত্ৰীয়ে তাইলৈ প্ৰশ্নবোধক চাৱনিৰে চাই থকা প্ৰণামিকাই লক্ষ্য কৰিলে। নিৰ্দিষ্ট কোঠাত প্ৰৱেশ কৰাৰ লগে লগে তাইৰ বুকুৰ ঢপঢপনিটো বেছি হ'ব ধৰিলে। হেড্ মাষ্টৰণীয়ে প্ৰণামিকাক সকলোৰে লগত চিনাকি কৰি দিলে আৰু তাই হাতযোৰকৈ নমস্কাৰ দি গ'ল। কিন্তু হঠাৎ তাই নমস্কাৰ দিবলৈ বুলি হাত দুখন দাঙি ৰৈ গ'ল, যিজন শিক্ষকক চিনাকী কৰি দিব খুজিছে তেওঁ দেখোন নমস্কাৰ নিদি 'হাই' বুলি সোঁহাতখন তাইলৈ আগুৱাই দিলে। কোঠাত সকলোৰে লগত কিছুসময় বহাত প্ৰণামিকাৰ মনটো পাতল লাগি আহিল। সকলো ছাৰ-বাইদেৱে তাইক মৰম কৰিলে যেন অনুভৱ হ'ল। তাইৰ মনৰ ভয়, সংকোচ, উৎকণ্ঠা নোহোৱা হ'ল। কিন্তু এযোৰ চকুৱে প্ৰণামিকাক বৰ অস্বস্থিত পেলালে।

সেইদিনা প্ৰণামিকাই এটা ক্লাচ কৰি ঘৰলৈ গুচি আহিল। বাছষ্টেণ্ডত আহি দেখে দুই বজাৰ গাড়ীখন যাবলৈ বুলি সাজু হৈছে। আসনবোৰৰ এখনো খালী নাই। এইকণ বাটহে, থিয় হৈ যাব পাৰিম বুলি তাই অলপ মাজলৈ সোমাই ভালকৈ থিয় হৈ ল'লে। তাই মনতে ভাবিলে এনেদৰে চাগে চাকৰি কৰা দিনকেইটা থিয় হৈয়ে যাব লাগিব। প্ৰায় ডেৰ কিল'মিটাৰমান যোৱাৰ পাছত সোণতলীত প্ৰণামিকা থিয় হৈ থকা ওচৰৰ আসনখনৰ যাত্ৰীজন নমাত তাই বহি ল'লে— হওঁক তেও ৰক্ষা! বহিলৈ প্ৰণামিকাই চকুযোৰ মুদি এৰি অহা সময়খিনিৰ কথা ভাবিবলৈ ধৰিলে। প্ৰণামিকাই যিমানে কথাবোৰ ভাবিছে সিমানে এযোৰ চকুৱে তাইক ৰামৰ

লক্ষ্যভ্ৰষ্ট নোহোৱা শৰপাটৰ দৰে খেদি ফুৰিছে। নাভাবো বুলিও তাই বহুত কিবাকিবি ভাবি গ'ল— অনুপম নামৰ শিক্ষকজনৰ কথা। ওখ মাগুৰ বৰণীয়া ডেকা ল'ৰা। চকুৰ চাৱনি আৰু আদব-কায়দাত বিয়া নপতা যেন লাগে। ধুনীয়া নহ'লেও..... এনেতে কোনোবাই তাইৰ নিচেই কাষতে বহিছে যেন লাগিল আৰু চকু মেলি চাই দেখে পৰিস্কাৰ ধুতি-পাঞ্জাবী পৰিহিত আৰু হাতত মোনা এটা লৈ তাইৰ ওচৰতে থিয় হৈ থকা মানুহজনে কাহিছে। প্ৰণামিকাই আকৌ চকু মুদি ভাবিবলৈ ধৰিলে— অনুপম ধুনীয়া নহয় কিন্তু বেচ আকৰ্ষণীয়। চাৱনিটোহে অসহ্যকৰ। তেওঁ বাৰু মই ভবাৰ দৰে মোৰ কথা ভাবিছে নেকি? তাই কল্পনাৰ ৰামধেনুৰ জখলাত এখোপ এখোপকৈ বগাব ধৰোতেই সেই ভদ্ৰলোকৰ কাহৰ ৰাগিনী ইমান খৰ হ'ল যে ফিচিক-ফিচিককৈ কাহৰ লগে লগে তাইৰ গালৈ খাই থকা তামোলাৰ পিক্ ফিচকাৰীটোৰ দৰে আহিবলৈ ধৰাত প্ৰণামিকাৰ কল্পনাৰ সোণৰ হৰিণ কেনিবা পলাই পত্ৰং দিলে। ইফালে-সিফালে চাই তাই মানুহজনকে আসনখন এৰি দি তাই তাৰপৰা অলপ দূৰত গৈ থিয় হ'ল আৰু কেৰাহীকৈ ভদ্ৰলোকলৈ চাই ভাবিলে, ছি! দিনটোৰ গোটেই ভাললগাখিনি ক্ষন্তেকতে পংগু হৈ গ'ল।

■■■

গল্প—

# শ্ৰজনাৰ প্ৰেম

**নুৰেদা বেগম**
**উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ**

**শ্ৰজনা** এজনী দুখীয়া ঘৰৰ ছোৱালী। শ্ৰজনাৰ দেউতাকে হাজিৰা কৰি পৰিয়ালটো চলায়। তাইৰ পঢ়া-শুনাৰ প্ৰতি মাক-দেউতাক আনকি পৰিয়ালৰ কোনোৱে চকু দিয়াৰ আহৰি নাই। শ্ৰজনাই অকলেই স্কুলত গৈ যেতিয়া নৱম শ্ৰেণী পালে তেতিয়া তাইৰ চিন্তা হ'ল যে ভালকৈ পঢ়িব লাগিব নহ'লে তাই জীৱনটোত একো কৰিব নোৱাৰিব। আনহাতে শ্ৰজনাৰ প্ৰিয় বান্ধৱী মণি কিন্তু পঢ়াত বৰ ভাল। শ্ৰজনাৰ বৰ চিন্তা তাই যদি মণিৰ ৰিজাল্টতকৈ তাইৰ ৰিজাল্ট বেয়া হয় তাই মুখ কেনেকৈ দেখুৱাব? ঈশ্বৰৰ কৃপাত মণিৰ ৰিজাল্টতকৈ শ্ৰজনাৰ ৰিজাল্ট ভাল হ'ল। দুয়ো মেট্ৰিক পাছ কৰিলে। শ্ৰজনাক কলেজত ভৰ্তি হ'বলৈ কোনেও সন্মতি নিদিয়ে। তাইৰ বান্ধৱীজনী ভৰ্তি হ'ল কিন্তু নামভৰ্তি কৰিব নোৱাৰি তাই কান্দি থাকে। পিছত শ্ৰজনাৰ দেউতাকে ভৰ্তি কৰি দিলে। কলেজত ভৰ্তি হোৱাৰ পিছত কেইগৰাকীমান বন্ধু-বান্ধৱীৰ সৈতে চিনাকী হ'ল। মণিয়ে সকলো সময়তে শ্ৰজনাৰ লগত থাকে অলপ সময়ৰ কাৰণে দূৰত থাকিলে কি হয় সকলো কথা দুয়ো মিলি পাতে। যেতিয়া কলেজত বন্ধু-বান্ধৱীৰ সৈতে থাকে তেতিয়া বেছ ভালেই থাকে। ঘৰত আহিলেই তেওঁক নানা চিন্তাই আগুৰি ধৰে। মানুহ হিচাপে শ্ৰজনাৰ দেউতাক বৰ ভাল। তেওঁ বিচাৰে যে শ্ৰজনাই পঢ়ি শুনি তাই জীৱনটো সুপথে পৰিচালিত কৰিব। শ্ৰজনাই দেউতাকক বৰ ভাল পায়। তাই দেউতাকৰ কিবা হ'লেই বৰ কষ্ট পায়। শ্ৰজনা কলেজত যোৱাৰ পিছত কিছুদিন আনন্দত আছিল। বান্ধৱী মণিয়ে অৰুণৰ প্ৰেমত পৰি শ্ৰজনাক পাহৰি যায়। অৰুণ শ্ৰজনাৰ বন্ধু। শ্ৰজনাই যদি কিবা কথা জানিব খোজে মণিয়ে কয়, "নহয় অ', তুমি মোৰ প্ৰিয় বান্ধৱী, তোমাক নকৈ কাক ক'ম?" শ্ৰজনাহঁতৰ দলটো আগতে ভাল আছিল। পঢ়া-শুনাত প্ৰতিযোগিতা চলিছিল। কিন্তু মণি আৰু অৰুণৰ কাৰণে দলটোৰ পঢ়াৰ যি প্ৰতিযোগিতা আছিল সেয়া শেষ হ'ল যেন লাগিল। সকলোৱে কয় যে সিহঁত দুটাই ভাল পায় আমি কিয় পাব নোৱাৰো। এই অবাঞ্চিত প্ৰতিযোগিতাই দলটোক বিপথে লৈ যাব ধৰিলে। শ্ৰজনাই উপলব্ধি কৰিছিল যে সেই দলটোত থাকিলে তাইৰ ৰিজাল্ট বেয়া হ'ব। তেতিয়া শ্ৰজনা ওপৰে ওপৰে বন্ধু-বান্ধৱীৰ সৈতে মিলিব ধৰিলে আৰু মনপুতি পঢ়িবলৈ ধৰিলে। কাৰণ তাইৰ জীৱনটো অতি দুখ কষ্টৰে পৰিপূৰ্ণ। তাই দুখীয়া ঘৰৰ ছোৱালী। এইবিলাক কৰিলে নহ'ব। দেউতাকৰ বহু আশা পূৰ্ণ কৰিবলৈ আছে। কিন্তু ঈশ্বৰৰ লীলা কোনেও বুজিব নোৱাৰে। শ্ৰজনাক আশ্বিক নামৰ ল'ৰাটোৱে ভাল পাব বুলি কোৱাত তাই কৈছে, "নহয়, মোক ক্ষমা কৰিব। মই এইবিলাক কামত নাযাওঁ। দুমাহ মান ধৰি ল'ৰাটো তাইৰ পিছে পিছে ঘূৰি ফুৰে। তেতিয়া তেওঁ মণিক ক'লে, "তুমি কোৱাচোন মই কি কৰিম, কি নকৰিম?" "মই এইবিলাক নাজানো। তুমি যি কৰা তাকে মই ভাল বুলি ভাবিম।" মণিকে আশ্বিক আৰু শ্ৰজনাৰ মাজত ভালপোৱা সম্পৰ্কটো গঢ়াই দিলে। তেওঁলোকৰ সম্পৰ্ক কিছুদিন ভালেই থাকিল। কিন্তু কিছুদিন যোৱাৰ পিছত শ্ৰজনাই উপলব্ধি কৰিলে যে তাই দেউতাকক ফাঁকি দি আছে। ইফালে আশ্বিকৰ প্ৰতি থকা তাইৰ মৰমৰ কথা পাহৰিব নোৱাৰে। আশ্বিকৰ প্ৰতি থকা প্ৰেম আৰু তাইৰ দেউতাকৰ প্ৰতি থকা আনুগত্যৰ মাজৰ অন্তৰ্দ্বন্দত শ্ৰজনাৰ পঢ়া-শুনা বেয়া হৈ গ'ল। আচলতে শ্ৰজনাৰ বান্ধৱীয়েই তাইক এনে অন্তৰ্দ্বন্দৰ পিনে ঠেলি দিলে। তাৰ পৰিণতি ভোগ কৰি আছে শ্ৰজনাই।

শ্ৰজনা ১৫-১৬ বছৰীয়া ছোৱালী। ইমান কম বয়সতে ইমান চিন্তা কৰে ভাবিলে আচৰিত লাগে। শ্ৰজনাই ইমান চিন্তা কৰি অৱশেষত এটা কথা সকলোকে সতৰ্ক কৰি দিব বিচাৰিছে যে নিজৰ চিন্তাই ভাল, আনৰ পৰা বুদ্ধি লৈ কাম কৰিলে তাৰ বেয়া ফল ভুগিবই লাগিব। কাৰণ শ্ৰজনাই যদি মণিৰ কথা নুশুনি নিজৰ বিবেক মতে কাম কৰিলেহেঁতেন, আজি এই দ্বন্দ্বত ভুগিবলগীয়া নহলহেঁতেন। তথাপি শ্ৰজনাই তাইৰ বান্ধৱীক অৰ্থাৎ মণিক দোষাৰোপ কৰিব নোখোজে। কাৰণ তাই ভাবে মণি তাইৰ প্ৰিয় বান্ধৱী। মণিয়ে যি কৰিব সেয়া শ্ৰজনাৰ ভালৰ কাৰণেহে কৰিব। শ্ৰজনাই বাৰে বাৰে এটা কথাকে ক'ব খোজে যে নিজৰ বুদ্ধিত কাম কৰা উচিত। শ্ৰজনাই মাজে মাজে কৈ থাকে, "মই কিজানি বেছিদিন নিটিকো।" মানসিক ভাৰসাম্য ৰাখিব নোৱাৰি তাই এদিন আত্মহত্যা কৰিলে।

■■■

> "আনে তোমাক যিটো কাম কৰিলে তোমাৰ খং উঠে সেই কাম তুমি কেতিয়াও আনৰ ক্ষেত্ৰত নকৰিবা।"
>
> — চক্ৰেটিছ

গল্প—

# অচিনাকি আত্মীয়তা

খন্দকাৰ দেলোৱাৰ হুছেইন
উচ্চ বৰ্গৰ সহায়ক

**ৰমেন** এজন চৰকাৰী কৰ্মচাৰী। এটি সৰু পৰিয়াল। নিয়মিতভাৱে কৰ্মস্থলী বিদ্যালয়লৈ যায়। ৰমেনৰ ঘৰখন পকি আলিৰ কাষতে। ৰাতি ১০-১১ বজালৈ মটৰ গাড়ী, বাইক, ৰিক্সা, গৰুগাড়ী, ঘোঁৰাগাড়ী আদি অহা-যোৱা কৰে। ৰমেন প্ৰায়েই ৰাতি ১০-১১ বজাৰ আগত নুশুৱে। কেতিয়াবা ল'ৰা দুজনক লৈ টি.ভি চোৱা বা ঘৈণীয়েকৰ লগত হাঁহি-ধেমালি কৰি কটায়।

ৰাতি প্ৰায় ১০ মান বজাত ৰমেনৰ ঘৰৰ আগত গাড়ীচালক এজনে হৰ্ণ বজাই আছিল। ৰমেন ওলাই আহিল। গাড়ীচালক চেঙেলীয়া ল'ৰাজনে ক'লে— "খুৰাদেউ, আপোনাৰ ঘৰখন খুব ভাল লাগিল। আমাৰো এখন এনেকুৱা ঘৰ আছে। আপুনিনো কিয় ৰং কৰা নাই? ৰং কৰিলে আৰু ধুনীয়া হ'ব।" "গাড়ীখন তোমালোকৰেই নে? তোমাৰ ঘৰ ক'ত?" ৰমেনে সুধিলে।

"খাৰুপেটীয়াৰ শ্মশান পট্টিত। দেউতাই মোক গাড়ী চলাব নিদিয়ে। আজি ড্ৰাইভাৰ নোহোৱাৰ বাবে মই গাড়ীখন লৈ আহিলো। গাড়ীখন আপোনাৰ কেনে লাগিছে?"— ল'ৰাজনে সুধিলে।

"গাড়ীখন ভালেই লাগিছে। তোমাৰ মা-দেউতাই গালি নিদিবনে?" ৰমেনে মনতে ভাবিলে যিহেতু দিন চেৰেক আগতে গোষ্ঠীগত সংঘৰ্ষই চহৰখন তাল-ফাল কৰিছিল। ল'ৰাজনে যেন তেতিয়াহে সম্বিৎ ঘূৰাই পালে। লগে লগে ক'লে— "হয়, খুড়াদেউ, মই যাওঁ। পিছে কোন বাটেদি গ'লে শ্মশান পট্টি পাম?" ৰমেনে স্বভাৱসুলভ ভাৱেই দেখুৱাই দিলে।

তেতিয়া ল'ৰাজনে চাবিপাত লৈ গাড়ীখন চলাব ধৰিলে। কিন্তু গাড়ীখন চালিত নহ'ল। ৰমেনে ভাবিলে হয়তো গাড়ীখনৰ কিবা বিজুতি হ'ল, সেয়ে সোনকালেই চালিত হৈ উঠিব। কিন্তু দেখা গ'ল কোনো পধ্যেই গাড়ীখন চালিত নহ'ল।

ৰমেনে ক'লে—"তুমি কোনো চিন্তা নকৰিবা। মই এতিয়াই ড্ৰাইভাৰ মাতি আনি গাড়ীখন চলোৱাৰ ব্যৱস্থা কৰি দিব পাৰো।" "নাই, নাই, খুৰাদেউ তেনে নকৰিব। ৰাতিও বহুত হ'ল। মই এতিয়া কৰোঁ কি?" — ল'ৰাজনে ক'লে। বহুত সময়লৈ ৰমেনে ঘৰৰ ভিতৰলৈ নোযোৱাৰ বাবে ঘৈণীয়েকজনী আৰু ল'ৰাজনো ওলাই আহিল।

ল'ৰাজনে সুধিলে— খুৰীদেউৰে বেয়া পাইছে নেকি? খুৰীদেউ ভয় নকৰিব? মই মোৰ বন্ধু এজনলৈ ফোন কৰোঁ। তেতিয়া সি ক'লে- হৈছে, হৈছে গাড়ীখনো নিদিলি আৰু এতিয়া ক'ব আহিছ যে হস্পিতাল ৰোডত আহি ফঁচি গ'লো। তই যে মোক গাড়ীখন নিদিয় তাৰেই বাহানাহে। এই বুলি কৈ ফোনটো কাটি দিলে। তেতিয়া ৰমেনে ক'লে— "মোক ফোন নম্বৰটো দিয়াচোন। ল'ৰাজনলৈ ফোন কৰিলে, কিন্তু ল'ৰাজনে কোনো গুৰুত্বই নিদিলে। কিছু সময় পিছত ৰমেনে ফোনেৰে আকৌ হিন্দী ভাষাত ক'বলৈ ধৰিলে— "মে হস্পিতাল ৰোড চে বোল ৰহা হু, ৰহ নয়া গাড়ী লে কে হস্পিতাল ৰোড মে ফাচ গয়ে, তু জলদি আযা।"

এইবাৰ ল'ৰাজনে ফোনেৰে আকৌ ক'লে— "বন্ধু, মই সঁচাকৈয়ে ডাঙৰ বিপদত পৰিছো। তই আহ...না! Please! মই গৈ আছো, পিছে বাইক এখনো নাই। মই খোজকাঢ়িহে যাব লাগিব— এইবুলি বন্ধুজনে ক'লে। এই বাৰ ৰমেনে ক'লে— তোমাৰ



গাড়ীখন ঠেলি মোৰ চোতালত সোমাই দিয়া আৰু ৰমেনৰ বাইকৰ চাবিপাত হাতত দি ক'লে— "যোৱা তুমি মানুহ দুজনক লৈ আহা।" ল'ৰাজনে প্ৰথমে যাব খোজা নাছিল। পিছত ৰমেনৰ কথাত ল'ৰাজনে বাইক লৈ গুচি গ'ল।

ৰমেনৰ ঘৈণীয়েকে ক'লে— তুমি একেবাৰে অচিনাকি ল'ৰাজনৰ হাতত বাইকৰ চাবিপাত তুলি দিলা। এয়া তুমি কি কৰিলা? এয়া তুমি ভুল নকৰিলানে? "ল'ৰাজনে যদি ৩/৪ লাখ টকীয়া গাড়ীখন থৈ যাব পাৰে, আমাৰ বাইকহে।" বুলি ৰমেনে ক'লে। এইবাৰ ঘৈণীয়েকে গুজৰি গুমৰি উঠিল— "থোৱা, থোৱা তোমাৰ হাতিম তাই। গাড়ীখন হয়তো দুই নম্বৰীও হ'ব পাৰে। তুমি কোনো চিন্তাই নকৰিবা। যিহেতু ল'ৰাজনৰ ফোন নম্বৰ মোৰ হাতত আছে। এইবুলি মিচিকিয়া হাঁহি মাৰি ঘৈণীয়েকৰ ওচৰলৈ গ'ল।

ঠিক তেনে সময়তেই ল'ৰাজন আৰু দুজন মানুহ ৰমেনৰ ঘৰত উপস্থিত হ'ল। ল'ৰাজনে ৰমেনৰ ভৰিত দীঘল দি পৰি সেৱা কৰিলে আৰু ক'লে — খুৰাদেউ, আপোনাৰ এনে সহায়ৰ কথা চিৰদিন সুঁৱৰি থাকিম। মই আপোনাৰ ওচৰত চিৰ ঋণী। আপুনি আমাৰ ঘৰলৈ যাব লাগিব। আমাৰ মা-দেউতাই আপোনাক যাব কৈছে। ৰাতি প্ৰায় ১২ মানেই বাজিছিল। অৱশেষত ৰমেনৰ ঘৈণীয়েকেও ওলাই আহি বিদায় দিছিল। সন্মুখত ৰৈ আছিল এটি সুখ নিদ্ৰাৰ ৰজনী।

■■■

গল্প—

# অনুতাপ

চুলতানা ৰেজিয়া খাতুন
৫ম ষাণ্মাষিক

**অ'** আহি পালে আপুনি। পানী এগিলাচ আনিম নেকি? গৰমৰ দিন, পিয়াহ আৰু ভাগৰত ভাগি পৰা কৰণ বৰাক পত্নী ৰিমি বৰাই পানী গিলাচ আগবঢ়াই দিলে। ৰিমিৰ প্ৰশ্নৰ উত্তৰত কৰণে মূৰ দুপিয়ালে। ৰিমি ভিতৰলৈ সোমাই গ'ল। এনেতে কৰণৰ ম'বাইলটো বাজি উঠিল।

কৰণঃ হেল্ল' কোন? ছাৰ মই আপোনাৰ অফিচৰ মেনেজাৰ ৰাজীৱ।

কৰণঃ অ' ৰাজীৱ, কি হ'ল?

ৰাজীৱঃ ছাৰ, আপুনি অফিচৰ পৰা যোৱাৰ অলপ পিছতেই চকীদাৰ গোপালৰ হাত দুখন মেচিনত পৰি কাটি যায়। ছাৰ, আপুনি মেচিন ঠিক নকৰাৰ ফলত এনে দুৰ্ঘটনা সংঘটিত হৈছে। গোপালে চিকিৎসাৰ বাবে টকা খুজিছিল আৰু মই নিদিয়াত আৰক্ষী চকীত আপোনাৰ বিৰুদ্ধে গোচৰ দিব গৈছে।

কৰণঃ ৰাজীৱ, কথাটো ডাঙৰ হ'ব নিদিবা। যদিও গোচৰটো কোৰ্টলৈ যায়, তুমি কিছুমান এনেকুৱা ব্যৱস্থা কৰা যাৰ ফলত গোপাল দোষী বুলি প্ৰমাণিত হয়। যেনে- তুমি ক'ব পাৰা যে তেওঁ মাদক দ্ৰব্য সেৱন কৰি অসাৱধানতাৰে কাম কৰাৰ ফলত এনে ঘটনা ঘটিছে।

ৰাজীৱঃ ঠিক আছে ছাৰ।

কৰণঃ ইয়াৰ ফলত আমাৰ ওপৰত কোনো প্ৰেছাৰো নপৰে আৰু গোপালক পইচাও দিব নালাগিব।

ৰিমিঃ কাৰ কি হৈছে?

কৰণঃ গোপালৰ হাত দুখন কাটিছে আৰু তেওঁ হেনো চিকিৎসাৰ বাবে টকা খুজিছে।

ৰিমিঃ আপোনাৰ অৱহেলাৰ কাৰণেই এই ঘটনা সংঘটিত হৈছে।

কৰণঃ অ' জানো!

ৰিমিঃ কি ক'লে, জানিও বেচেৰা গোপালক এনে এটা বিপদত পেলাইছে। তাক মিছাতে দোষী বুলি প্ৰমাণিত নকৰি অলপ টকা দি সহায় কৰাটোহে আপোনাৰ পৰম ধৰ্ম বুজিছে।

কৰণঃ তাৰ মানে তুমি ক'ব খুজিছা মই ইমান কষ্ট কৰি বনোৱা অফিচটোৰ টকা এইবিলাক চাকৰৰ কাৰণে খৰছ কৰি ফুৰিম?

ৰিমিঃ হ'ব পাৰে ইহঁত চাকৰ কিন্তু অলপ পইচাৰ কাৰণে তেজক পানী কৰি আচল পৰিশ্ৰম ইহঁতেহে কৰে। তেওঁৰ পৰিয়ালটোৰ কথা ভাবক? সৰু সৰু ল'ৰা-ছোৱালী কেইটাৰ কথা ভাবক?

কৰণঃ সিহঁতৰ কথা ভাবি মোৰ কি হ'ব?

ৰিমিঃ মানৱতা বুলি কোৱা বস্তুটো পাহৰি নাযাব। আপুনি তাক অলপ ধন দিলে ল'ৰা-ছোৱালী কেইটাক লৈ সেই ধনেৰে কিবা এটা কৰি খাব

পাৰিব।

কৰণঃ হ'ব, হ'ব। এতিয়া এইবোৰ কথা থৈ দিয়া। ভোক লাগিছে, ভাত দিয়া। আৰু কালিৰ পিক্‌নিকৰ কথা ভাবা, তোমাৰ ল'ৰা বিকিক কথা দিছা নহয়, কালি পিক্‌নিকত নগ'লে সি হুলস্থুল লগাব।

ৰিমিঃ অ' জানো। আজি অলপ সোনকালে শুব লাগিব।

কৰণঃ কিয়?

ৰিমিঃ পাহৰিলে, পিক্‌নিকত যাবলৈ কালি পুৱাই উঠিব লাগিব।

কৰণ আৰু বিকিয়ে পিছদিনা পুৱাই পিক্‌নিকত যোৱাৰ কাৰণে সিহঁতৰ নতুন গাড়ীখনত বহিল। কৰণে নিজেই গাড়ীখন ড্ৰাইভ কৰিব ধৰিলে।

ৰিমিঃ ইমান দ্ৰুতগতিত কোনোবাই গাড়ী চলাই নেকি? অলপ লাহে লাহে যাওঁক। ইমান খৰ ধৰ কৰিব নালাগে।

বিকিঃ পাপা, মাৰ কথা নুশুনিবা। বৰ মজা লাগিছে আৰু স্পীডত যোৱা।

কৰণঃ ৰিমি, মোৰ ল'ৰা একেবাৰেই মোৰ নিচিনা হৈছে। চাব্বাছ বিকি, তই মোৰ নাম ৰৌশন কৰিবি।

বিকিঃ পাপা, মই ডাঙৰ হৈ পাইলট হ'ম আৰু কিমান স্পীডত এৰোপ্লেন উৰাম তুমি ভাবিবই নোৱাৰা। চকুৰ পলকতে ইখন দেশৰ পৰা সিখন দেশত যাম।

ৰিমিঃ বিকি, 'তীব্ৰ গতি, স্বৰ্গ গতি' বুলি তুমি নাজানা নেকি?

কৰণঃ ৰিমি, বিকি পাইলট হোৱাই নাই। তুমি এতিয়াই তাক ভয় দেখুৱাইছা সি এইবাৰ স্কুলৰ দৌৰ প্ৰতিযোগিতাত ফাষ্ট হৈছে।

ৰিমিঃ মই কৈছো নহয় অলপ লাহে লাহে যাওঁক। আপুনি .....।

এনেতে সিহঁতৰ গাড়ীখন ট্ৰাক এখনৰ লগত খুন্দা লাগিল আৰু তিনিওজন অজ্ঞান হৈ পৰিল। ওচৰত থকা মানুহবোৰে তেওঁলোকক হস্পিতাললৈ লৈ গ'ল।

ডাক্তৰঃ মিষ্টাৰ কৰণ, আপুনি অলপ আৰাম পাইছে নে?

কৰণঃ অ' পাইছো, মোৰ ল'ৰা আৰু পত্নী ক'ত ডাক্তৰ?

ডাক্তৰঃ আপোনাৰ পত্নীৰ এই মাত্ৰ চেতনা ঘূৰাই পাইছে আৰু....

কৰণঃ আৰু কি ডাক্তৰ?

ডাক্তৰঃ কথাষাৰ ক'বলৈ বৰ কষ্ট হৈছে যে আপোনাৰ ল'ৰা বিকিৰ ভৰি দুখন কাটিব লগা হৈছে।

কৰণঃ কি! কি ক'লে আপুনি, মোৰ ল'ৰা.... হে ভগৱান....।

ডাক্তৰঃ ধৈৰ্য ধৰক কৰণ, ভাগি নপৰিব।

কৰণঃ ৰিমি, ৰিমি ... শুনিছানে তুমি, আমাৰ ল'ৰাটোৱে কোনো দিনাই খোজকাঢ়িব নোৱাৰিব। ভগৱানে আমাৰ লগত এইবোৰ কি কৰিলে?

ৰিমিঃ কি কৈছে আপুনি? হে ভগৱান, আমাৰ কণমানি ল'ৰাটোৱে কিমান ডাঙৰ ডাঙৰ আশা পুহি ৰাখিছিল মনত। এতিয়া সকলোবোৰ আশা পুৰি ছাৰখাৰ হৈ গ'ল। হে ভগৱান, কৃপা কৰা।

এনেতে কৰণৰ ম'বাইল বাজি উঠিল।

কৰণঃ হেল্ল' ৰাজীৱ কোৱা।

ৰাজীৱঃ ছাৰ, গোপালক মই ভয় দেখুওৱাত আপোনাৰ বিৰুদ্ধে দিয়া গোচৰ উঠাই লৈছে আৰু তেওঁৰ নিজৰ ভুলৰ কাৰণে এনে ঘটনা সংঘটিত হৈছে বুলি মানি লৈছে।

কৰণঃ ঠিকেই কৰিছা, এতিয়া আমাৰ বিৰুদ্ধে গোচৰো নাই আৰু তাক টকাও দিব নালাগে।

ৰিমিঃ আপুনি মানুহ নে কি? মই ভাবিব পৰা নাই যে আপুনি ইমান লেতেৰা মনৰ মানুহ।

কৰণঃ কিয়?

ৰিমিঃ মোক সুধিছে কিয়? বিকি আৰু গোপালৰ লগত প্ৰায় একে ধৰণৰ ঘটনা ঘটিছে। তেনেহ'লে এজনৰ কাৰণে ইমান দুখ বেদনা আৰু আনজনৰ বাবে কু-চিন্তা কিয়?

কৰণঃ তুমি মোৰ ল'ৰাৰ লগত চাকৰটোৰ তুলনা কৰিছা?

ৰিমিঃ কিয়, মানুহ এজনক আন এজন মানুহৰ লগত তুলনা কৰিব নোৱাৰো। ভাবি চাওঁক দুয়োটা ঘটনাৰ বাবে দায়ী কোন? গোলাপ দুখীয়া কাৰণে তেওঁক দোষী বুলি কৈছা আৰু বিকি আমাৰ ল'ৰা সেই কাৰণে দুখত ভাগি পৰিছে।

কৰণঃ তুমি ঠিকেই কৈছা ৰিমি।

ৰিমিঃ ভগৱানে হইতো তুমি তোমাৰ ভুলৰ কাৰণে অনুতাপ নকৰাত এনে ফল দেখুৱাইছে।

কৰণঃ মই বৰ ডাঙৰ ভুল কৰিছো। 'লোভে পাপ, পাপে মৃত্যু' এই কথাৰ আজি মই প্ৰমাণ পাইছো। মই গোপালৰ আগত মোৰ ভুল স্বীকাৰ কৰি ক্ষমা খুজিম আৰু তেওঁৰ প্ৰাপ্য ধন তেওঁৰ হাতত গতাই দিম। এয়াই মোৰ প্ৰায়শ্চিত্ত।

■■■



# কবিতা

## শ্ৰদ্ধাঞ্জলি

নুৰেদা বেগম
উঃ মাঃ ১ম বৰ্ষ

জীৱন বৃত্তৰ খলা-বমা দীঘল বাট
বিৰামহীন যাত্ৰা কেৱল যাত্ৰা
হঠাৎ সলনি হ'ল, জীৱন বাট
কেতিয়াবা ক্লান্ত হৈ বৈ যোৱা তুমি
কেতিয়াবা ঘূৰি যাওঁ, ঘূৰি যাওঁ ভাব হয়
জন্মৰ সেই সোণোৱালী আবাসলৈ
ঘৰ সোণালী কুঠৰীত আজিও মিহলি হৈ আছে
ল'ৰালিৰ পৰিচিত মধুৰ জীৱন
সকলো হেৰাই গ'ল মহাকালৰ কোবাল সোঁতত,
হয়তোবা আৰু কোনোদিন নাপাম তোমাৰ
সেই মধুসনা ওঁঠৰ হাঁহি
সুমিষ্ট কণ্ঠৰ অমিয়াতৰা মাতষাৰি,
সকলো যেন হেৰাই গ'ল নিমিষতে
তোমাৰ ক্লান্তদেহ বিদেহী আত্মাৰ সৈতে।
তোমাৰ সোণোৱালী সপোন,
ৰূপোৱালী দিঠক সাৰোগত কৰি
অলিয়ে-গলিয়ে শান্তিৰ বাণী বিলাই ফুৰিছা
বহুতৰে ভাগি যোৱা ঘৰ নিৰলসে গঢ়িছা।
মৃত্যুৰ সতে যুজি যুজি
ভাগৰি পৰিলা সিদিনাখন
ইহ জগতৰ মায়া মোহ এৰি
আমিও গুচি যাম আনদিনাখন...।

◆◆

# প্ৰেমৰ কঠিনতা

ওৱাইছ কাৰনী

প্ৰেম, প্ৰেম, প্ৰেম
প্ৰেম হৈছে কঠিন শব্দ
ই পবিত্ৰ নহয়।
অপবিত্ৰতাৰ আন এটি নাম
প্ৰেমে ধ্বংস আনে
ই পুনৰ নিৰ্মান নকৰে।
প্ৰেম হ'ল জীৱনৰ অবাস্তৱ স্বপ্ন,
ই হৈছে শুকান সাগৰ
প্ৰেম হ'ল অবিশ্বাস স্বৰূপ
ই জগতৰ অনুভূতিহে
প্ৰেমত আছে যন্ত্ৰণা
ই জীৱন গঢ়াত দিয়ে বেদনা।

◊◊

# পৰীক্ষা

আশ্ৰাফুল সৰকাৰ
উঃ মাঃ ১ম বৰ্ষ

(১)
বছৰেকীয়া পৰীক্ষাত বহি
কোনোমতে পাছ কৰি,
মাৰ্চ, এপ্ৰিল, জুন, জুলাই
সময় গ'ল লৰি।

(২)
নৰেস্বৰ মাহত পৰীক্ষা আহিল
নাই আৰু উপায়,
নকল কৰা আছে অভ্যাস
ক'ত বাৰু পায়।

(৩)
বহুত বাৰু কৰিলো নকল
পকেট গ'ল ভৰি,
তাৰ ভিতৰত কমন পৰিল
পাঁচটাহে, 'আই এম ছৰি।'

(৩)
ভয় ভয় কৰি নকল পাঁচটা
কৰিলো যেতিয়া ভাই,
সেই সময়ত ছাৰে আহি
ধৰি পেলালে হায়।

(৪)
ছাৰে আহি বহিৰ ওপৰত
ডব্লিউ লিখি দিলে,
তাৰ পিছত ভাবিলো মই
বাছিলো কোনোমতে।

◊◊



# সন্ধিক্ষণ

প্ৰণতি দত্ত,
সহকাৰী অধ্যাপিকা, দৰ্শন বিভাগ

কুৰি শতিকাৰ ৰুদ্ধদ্বাৰত
হে দোদুল্যমান মানৱ
যাত্ৰা ক'লৈ—
আগলৈ নে পাছলৈ
ফেংচুাইৰ 'জুনুকা'ৰ মাজত
শান্তিৰ অন্বেষণ
খাৰ আৰু বাৰুদেৰে ভৰা
তেজৰ ডোঙাত
মস্তিষ্কৰ বিকাশ
এয়া কেনে প্ৰহেলিকা
প্ৰতিটো যাত্ৰাই বিভীষিকা
হৃদয়ৰ গীত গোৱা চৰাইজনী
ওলমি ৰ'ল মহাকাশতেই
জ্ঞান মানে মঙ্গলৰ অভিযান
নে মৰমৰ জয়গান
কুৰি শতিকাৰ ৰুদ্ধদ্বাৰত
হে দোদুল্যমান মানৱ
তুমি এতিয়া যাবা ক'লৈ
আগলৈ নে পাছলৈ?

◊◊

# সতৰ্ক

ছাবিনা ইয়াছমিন
উঃ মাঃ ১ম বৰ্ষ

সতৰ্ক হোৱা অসমবাসী
কান্দিছে...
অসমী আই
অসমত হেনো নৰপিশাচে
আছে দপদপাই।
যাকে পায় তাকেই খায়
দয়া মমতা একোৱে নাই,
বি.টি.এ.ডি.ত জ্বলিছে
গোষ্ঠীগত সংঘাতৰ জুই,
প্ৰাণৰ মমতাত দৌৰিছে মাকে
বুকুৰ মাণিকক থৈ
ভিন্ন ভাষা-ভাষী জনগোষ্ঠীৰ
মিলনভূমি অসম,
ভুল বুজা বুজিত পতিয়ন গৈ
ধ্বংস নকৰিবা অসম।
এইখন পৃথিৱীৰ যিকোনো দেশ
কাৰোৱে আপোন নহয়
আমি দুদিনৰ অতিথি
হিংসা, নিন্দা, কাজিয়া-পেচাল কিহৰ?

◊◊

# মোৰ দেশ

গোবিন্দ ৰবিদাস
স্নাতক প্ৰথম ষাম্মাসিক

ধুনীয়া মোৰ অসমখনি
আছিল একেলগ হৈ সাতভনী
এতিয়াৰ ডেকা-গাভৰু সকলো জ্ঞানী
অসমক কেতিয়াও যাব নিদিয়ে ভাঙি।
অসমত যদিও আছে নানা ভাষী
তথাপি আমি সকলোৱেই অসমবাসী।
অসমত যদিও আছে নানা জাতি
আমি বান্ধ খাই থকা একেডাল জৰী।
দেশৰ হকে লাগিলে হম বলিদান
তথাপিতো অসমক হ'ব নিদিও থানবান।
দেশৰ হকে লাগিলে কৰিম জীৱন দান
তথাপিতো অসমক হ'ব নিদিওঁ বিভাজন।
কাৰ্বিক লাগে কাৰ্বি-আংলং
বড়োক লাগে বড়োলেণ্ড
ৰাজবংশীক লাগে আসাম
তেন্তে আমিনো ক'ত যাম?

◊◊

# সৃষ্টিকৰ্তা

শ্বেইখ মইজুদ্দিন
স্নাতক পঞ্চম ষাণ্মাসিক

কি যে ধুনীয়া
অপাৰ মহিমা তোমাৰ
নাই একোৰে তুলনা।
মই ভাবো তোমাকেই
সদায় দিনে ৰাতিয়ে
নিস্তব্ধ দুবৰি বন হৈ।
কি যে ধুনীয়া
অন্তহীন সৃষ্টি তোমাৰ
লাগে বুজিবলৈ টান
কৰোঁ কল্পনা আকাশে বতাহে
কিন্তু বিচাৰি নাপাওঁ বিশ্বত
কোনোৱে তোমাৰ দৰে আন।

◊◊



# আমাৰ স্বৰ্গ ভূমি

হাচিনা পাৰবিন
উঃ মাঃ ১ম বৰ্ষ

সেউজীয়া বননি
সেউজ তৃণ ভূমি,
নিজৰ দেশক এৰি
নাযাওঁ মই কেনি।
খন্তেকীয়া বিদায় লৈ
যাওঁ যদি এৰি,
তোমাৰ মৰম চেনেহে
মোক ৰাখে ধৰি।
কেনেকৈ তোমাক এৰি
চিৰ বিদায় লম,
তোমাৰ সেউজ কোলা এৰি
কেনেকৈনো নীৰৱ হৈ ৰম।
বিদায় কথা শুনোতেই
হিয়া ভাঙি পৰে,
আমাৰো বা কোনদিনা
তোমাক এৰি যাব লাগে?
যিমান সুন্দৰে নহওক স্বৰ্গ
দেখা নাই মই সেই ঠাই,
তোমাৰ সেউজ গৃহ এৰি
থাকিব নোৱাৰো যে তাত।।

◊◊

# জন্মভূমি

ছাহিদা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

অসম আমাৰ জন্মভূমি
ভাৰতৰ নাগৰিক আমি,
অসম আমাৰ মাতৃভূমি
কেনেকৈ হ'লো বিদেশী আমি।
জন্ম ললো অসমত
অসমৰ বাসিন্দা আমি,
অসমৰ ভাষা শিকিলো
কেনেকৈ এৰো এই আপোন ভূমি।
মাতৃৰ কোলাত জন্ম ললো আমি
মাতৃৰ ভাষা শিকিলো আমি,
অসম আমাৰ জন্মভূমি
অসম মাতৃৰ সন্তান আমি
তথাপি হ'লো বিদেশী আমি।
অসম মাতৃৰ সন্তান আমি
দেশৰ কাৰণে প্ৰাণে-পণে লাগি
যুঁজত যাম আগবাঢ়ি
সকলো একগোট হৈ
অসম মাতৃৰ সন্তান হৈ।
হায় হায় কৰিলো কি
অনা অসমীয়া বুলি
বদনাম পালো আমি
অসম আমাৰেই জন্মভূমি।।

◊◊

## অতীতে মোক আজিও ৰিঙিয়াই

ছাইমা বেগম
স্নাতক তৃতীয় ষাণ্মাসিক

নীৰৱতাৰ মাজত
মোৰ কবিতাৰ ছন্দত
তুমি আহিছিলা।
বৰ্তমান ভৱিষ্যত
অতীত মাধুৰ্য্যত ।
মানুহে সুখ বিচাৰে
মানুহ হিচাপে
জীয়াই থকাৰ প্ৰবল আশা,
কিন্তু মই বাৰে বাৰে
থমকি ৰওঁ।
অন্ধকাৰ ছন্দৰ সুখত মই
জীয়াই থাকিব নিবিচাৰো
এয়াই মই জীৱনটোক কওঁ।
এজাক নদী,
এজাক বতাহ
এজাক দেহৰ উমজ শিহৰণ
নীল আকাশত উৰি থকা
চৰাই জাকৰ সৈতে মই কথা পাতো।
তোমালোকে মোক লৈ ব'লা
স্বৰ্গৰ ৰথখন কঢ়িয়াই আনা
এই পথৰ যাত্ৰী হ'বলৈ মোৰ মন।
ভগ্ন হৃদয়ৰ কাতৰ অনুৰোধত
সুখ-দুখৰ বতৰা
আকৌ এবাৰ বুজাই দিবা।
পুলকিত সঁচা মৰম
কবিতাৰে জীয়াই ৰাখিম
জীয়াই ৰাখিব নোৱাৰিলেওঁ
তুমি মোৰ আত্মাত থাকিবা
জানিবা তুমি
পৰ জনমত
লগ হম দুয়ো আমি।

জোনাকৰ পোহৰত,
জোনাকী পৰুৱা হে
সেউজী ধৰাত
বোৱতী নদীৰ প্ৰবাল
সোঁত হে।
সেই আশাৰেই অতীত
তথা ভৱিষ্যতে মোক
পল অনুপল
আজিও ৰিঙিয়াই।
বহি থাকো মই হাত সাবটি
নতুন সূৰ্যৰ নতুন কিৰণৰ
পোহৰেৰে আলোকিত হ'বলৈ।

◈◈

## সপোন

শ্বৰিফুল ইছলাম

নদীয়ে উৰ্বৰ কৰে সেউজ ভূমি
লহ-পহকৈ গজি উঠে সোণগুটি
কৃষকৰ বুকুৰ ধন।
মুঠি মুঠি ধানৰ থোকত
সংগোপনে লালিত-পালিত হয়
ময়ো উৰ্বৰা হওঁ তোমাৰ বুকুত
ঠন ধৰি উঠে এহাজাৰ এমুঠন স্বপ্ন
মই বাট চাই ৰওঁ
সপোন কেতিয়া গছ ধৰি গজিব!
ডাল-পাত মেলি আকাশ চুব খুজিব।
মই বাট চাম সেই দিনটোলৈ
ভাগৰুৱা দিনত এপলক জিৰাবলৈ।

◈◈



## পাতিবানে মা মোৰ জন্মদিন

আছমিনা খাতুন
স্নাতক দ্বিতীয় ষাণ্মাসিক

অ মা, মা, শুনাচোন
কথা এটি কওঁ-
জাননে তই মোৰো
মন যায়...
ফু মাৰি নুমুৱাই দিবলৈ
মমবাতিৰ শিখা
মন যায় বাৰ্থডেৰে কুমলীয়া
কেকৰ কাষত বৈ কেমেৰাত
পজ দিবলৈ।
এনে লাগে
চুকৰ এফাল কাটি তোক খুৱাই দিম
ৰঙ চঙীয়া উপহাৰ আৰু ৰঙীল
পোহৰত আমি ডুব যাম...
আৰে , কি হ'ল বেয়া পালি?
হ'বদে হ'বদে
জন্মদিনৰ দিনা বুট মাহকে তিয়াবি
গোসাঁই ঘৰত সন্ধিয়া চাকি দি
দীঘলীয়া সেৱা লবি।
ওৰণি আঁৰত মই নেদেখাকৈ
চকুলো টুকিবি।
জাননে, তোৰ হেঁপাহ ভৰা আশিসেই
মোৰ শ্ৰেষ্ঠতম উপহাৰ
কুসুমৰ সুবাস ভৰা মোৰ অভিযান
ৰাতিটোৰ বুকুতেই মই কুচি-মুচি
সোমাম।
আবেগেৰে সাৰটি থোকা-থুকি মাতেৰে কবি
আজি দেউতাৰা থকা হ'লে...

◈◈

## স্মৃতি বিচাৰি

ছাইদুল্লাহ আলী আহমেদ
স্নাতক ১ম ষাণ্মাসিক

সৰা পাতৰ সোঁৱৰণী
গছে জানো থাকে ধৰি
আঁকি যায় মাথো দেহৰ
অলেখ স্মৃতি ....
তুমিও যেন গলা সৰি
মৰহি যোৱা ফুলৰ দৰে
বুকুত থাকি গ'ল মোৰ
অলেখ স্মৃতি...
জোনাক নামিছিল
তৰা ফুলিছিল
আহিছিলা তুমি
মোৰ কাষলে গধূলি
চকুত চকু পৰি
বৈ গ'ল বিজুলী
হৃদয়ৰ সেউজীয়াত
তাৰে স্মৃতি....
নিয়ন চাকিৰে তলে তলে ঘূৰি
আ... বিচাৰি আছো প্ৰতি গধূলি
ভাঙি যোৱা সপোনৰ
টুকুৰা টুকুৰ স্মৃতি।

◈◈

# অন্ত

হাতেম আলী
স্নাতক প্ৰথম ষাণ্মাসিক

সকলো শেষ হৈ যোৱাৰ পাছতো
কিবা অলপ থাকি যায়
স্মৰণৰ বাবে।
সকলো বাট বন্ধ হোৱাৰ পাছতো
এটা বাট মুকলি হৈ থাকে,
সমস্যা সমাধানৰ বাবে।
সকলো সপোন হেৰাই যোৱাৰ পাছতো
এটা সপোন থাকি যায়,
অপ্ৰকৃতিস্থ ভাৱে।
সকলো দুখৰ মাজত আৱদ্ধ হোৱাৰ পাছতো
আশা কৰা হয় সুখৰ মৰীচিকাৰ,
জীয়াই থাকিবৰ বাবে।
সকলো অভাৱ পূৰণ হোৱাৰ পাছতো
এটা অভাৱ থাকি যায়,
নিজৰ বাবে।
সকলো প্ৰকাশ হোৱাৰপাছতো
এটা কাম থাকি যায়,
যোগ-বিয়োগৰ বাবে।

◊◊

# পোহৰ বিচাৰি যাওঁ

মুৰগপ আলী
স্নাতক দ্বিতীয় ষাণ্মাসিক

পোহৰ বিচাৰি যাওঁ
পোহৰ বিচাৰি যাওঁ
আন্ধাৰৰ কাল যৱনিকা ভেদি
পোহৰ বিচাৰি যাওঁ।
দীনতা-হীনতা ভুল ভেদি ৰাশি
দূৰতে বিদূৰি
আন্ধাৰ কুপৰ যত কীট ৰাজি
সবাকে বিনাসি
নতুন যুগৰ মানুহ আমাৰ
নতুন শকতি
এই ধৰাতেই সঁজাই তুলিম
সৰগ ফুলনি
গাওঁ সুখগীতি গাওঁ
অচিন বাটৰ বাটৰুৱা আমি
ভয় আশংকা নকৰোঁ সমূলি
যাওঁ আগবাঢ়ি যাওঁ
বিপদ বিঘিনি সকলো নেওচি
যাওঁ আগবাঢ়ি যাওঁ
পোহৰ বিচাৰি যাওঁ।

◊◊



# আশা

নাজিমা খাতুন
উঃ মাঃ ১ম বৰ্ষ

মনৰ মাজত বহুতো আশা
ৰাখিছো গোপনে
কেনেকৈ পূৰ্ণ হব
ভাবো মনে মনে।
কেতিয়াবা ভাবো লেখক হম
কেতিয়া ভাবো কবি,
কেতিয়াবা ভাবো পৃথিৱী জুৰি
থাকিব মোৰ ছবি।
ইচ্ছা আছে মনৰ মোৰ
কৰিম শিক্ষকতা
কৰিম দূৰ দেশৰ নিৰক্ষতা।
বহুত ৰঙীণ আশালৈ
জীয়াই আছো মই
কোনটো পূৰ্ণ হ'ব
কওঁ কেনেকৈ?

◊◊

# প্ৰেম অঞ্জলি

হকিবুল হুছেইন
স্নাতক প্ৰথম ষাণ্মাসিক

প্ৰেমাময় বসুন্ধৰাত ভকতৰ হিয়াই হিয়াই
প্ৰেম নদীত গা ধুই ৰস বৈ যায়,
হিয়া উবুৰিয়াই প্ৰেমৰ মাধুৰি ছটিয়াই
একাজলি প্ৰেম অঞ্জলি
মানৱ কুশল হওক কৰিছো কাকুতি।
লুইতৰ পাৰত প্ৰসাৰিত হয় বসন্তৰ প্ৰেম
মতলীয়া হয় বনৰ কপৌফুল মৃদু সুবাসত,
কলিজাত প্ৰেমৰ মিঠা শব্দবোৰ
শিহৰাই তোলে যৌৱনৰ অনুভূতিক।
বসন্তৰ প্ৰেম কুঁহিপাতৰ ভাজত
লিহিৰি লিহিৰি বতাহে আঁচল কঁপাই,
ৰিবাধৰাই গীত গাই প্ৰেম প্ৰকাশয়
লাজুকী চাৱনিৰে বসন্তৰ প্ৰেম।
মুৰ দাঙি উঠে
গগন বিয়পা কুলিৰ সুমধুৰ সুৰত।
বসন্তৰ বতৰা লৈ কুলিয়ে মাতে
যৌৱনৰ বতৰা লৈ প্ৰেম আহে,
প্ৰেৰণা দিয়ে প্ৰতি প্ৰভাতে প্ৰভাতে
তুমি মোৰ জনমে জনমে।।

◊◊

## আহ্বান

ছামচুন নেহাৰ পাৰবিন
স্নাতক ২য় ষাণ্মাসিক

বীৰ পুৰুষ ন-জোৱান
ওলাই আহা দিবলৈ প্ৰাণ,
অসম মাতৃ বিপদাপন্ন
স্বচ্ছল চকুত অশ্ৰুবান।
অসমী আইৰ শুকুলা শিখৰত
অশ্বাৰোহী দৰে হৈ আৰোহিত
ৰণৰ হুংকাৰ দিছাহি আজি
মানৱতাক যে কৰিছা ম্লান।
বিশ্ব বন্দিত অসমী আই
প্ৰীতিৰ সংজ্ঞা আছে যে লুকাই,
অক্ষত ৰব অতীজৰ মান
শত সহস্ৰ শ্বহীদৰ দান।
শোষিতৰ শাসন বৰ্জন কৰা
মহানুৰতাৰ গৰিমা বিলোৱা,
জাতি জ্যোতিষ্কাৰৰ দিগবলয়ত
অসম মাতৃৰ জয়গান গোৱা।
বীৰ পুৰুষ ন-জোৱান
ই যে মোৰ সামান্য আহ্বান,
নহ'বও পাৰে বিদ্বানৰ পচুকাৰ সমান
তথাপিতো আছে ইয়াতে অভিমান।

◊◊

## উতলা মন

ৰানাজ উদ্দিন আহমেদ
স্নাতক দ্বিতীয় ষাণ্মাসিক

শেৱালি ফুলবোৰে
সুগন্ধী বিলাইছিল
তোমাৰ আগমনত
পাহাৰৰ মাজে মাজে
বৈ অহা নিজৰাও
থমকি ৰৈছিল, তোমাৰ বাবে
নিয়ৰৰ টোপালবোৰ
সৰি পৰিছিল
তোমাৰ ভৰিৰ গছকত
ৰিব্ ৰিব্ কৈ বৈ আহিছিল
পূবৰ সমীৰণ।
বেলিটিয়েও বিলাইছিল
প্ৰভাতৰ কিৰণ
মনত জাগি উঠিছিল
মিঠা শিহৰণ।
এনেদৰে প্ৰতিটো পুৱাই অহা
তুমি মোৰ উতলা মনৰ চোতাললৈ
এনেদৰেই আহি থাকিবা
মোৰ সিক্ত মনলৈ
তথাপি শিপ'ই নাযাবা তুমি
মোৰ সিক্ত শৰীৰলৈ।
তুমিতো জানাই
দুটা বছৰে বৰষুণত তিতা
সেমেকি থকা মোৰ হৃদয়।
কলিজাৰে নিগৰি থাকে
কেঁচা তেজৰ টোপালবোৰ সদায়।

◊◊



## প্ৰেমৰ আশা

ইউচুফ আলী
স্নাতক দ্বিতীয় ষাণ্মাসিক

তাহানিত বন্ধু এজনে কৈছিল
দুখীয়াৰ হেনো প্ৰেম নাই
উচপ খাই উঠিছেলো
কাৰণ ময়ো ধনীৰ শাৰীত পৰা নাই।
দুখীয়াক দুৱাৰত দেখিলে
প্ৰেম হেনো খিড়ীকীৰে পলায়।
কাৰণ প্ৰেমৰ প্ৰতিদান দিবলৈ দুখীয়াৰ সামৰ্থ
নাই...
বহু দিনৰ পৰা তোমাক কথা এটা কম কম বুলি
ভাবি আছো...
যদিও কব পৰা যে নাই
কাৰণ ময়ো ধনীৰ শাৰীত পৰা
নাই....
দুখীয়াক বেদনা দি প্ৰেমে ভাল পায়
কাৰণ দুখীয়াৰ হেনো হৃদয় নাই
ঠুনুকা হৃদয়ত বেদনা বঢ়ায়
দুখীয়াৰ জানো মানৱতা নাই?
এতিয়া পিছে কি কৰোঁ
জীয়াই থাকো কি দৰে?
বুকুত আশালৈ ভৱিষ্যতলৈ বাট চাওঁ
তাতে যদি আচল প্ৰেমৰ সন্ধান পাওঁ
জানোচা পোৱা যায় এধানি শান্তি।।

◊◊

## তোমাক লগ নোপোৱা হ'লে ভাল আছিল

চুলতানা ৰেজিয়া
স্নাতক ২য় ষাণ্মাসিক

তোমাক লগ
নোপোৱা হ'লে
ভাল আছিল,
আগৰ দৰে প্ৰাণ খুলি
হাঁহিলোহেঁতেন।
তোমাক মই
নেদেখা হলেই
ভাল আছিল,
শান্তিৰে এঘুমতি
মাৰিলোহেঁতেন।
তুমি বাৰু কিয় আহা
সপোনলৈ,
পাহাৰী নিজৰা হৈ?
তুমি জানো নাজানা
হৃদয়ৰ অনুভূতিবোৰ?
তুমি জানো নুবুজা
দুচকুৰ ভাষাবোৰ?
দুবাহু মেলি
মাথোঁ এবাৰ কোৱাচোন
মৰম আছে মোলৈ।

◊◊

# ভাৰৰীয়া

নছমিন নেহাৰ ছেলী
স্নাতক দ্বিতীয় ষাণ্মাসিক

মই এক ভাৰৰীয়া, বতৰ বৰ ডাৱৰীয়া
অকুল সাগৰত ডুবু ডুবু মোৰ তৰী....
এই সন্ধ্যা, এই পুৱা, হাটে-বাটে হুৱা-দুৱা
সময়ৰ সংকট নেওচি পল টিক্-টিক্ গৈছে উৰি...
সিমানেই কৰিলো হিত, ফল হ'ল মোৰ বিপৰীতে
যাকেই ভাবিলো আপোন, তেওঁ বোলে পৰ....
ব্যৱসায়ত লোকচান হ'ল, টকা-পইচা সমূলে গ'ল
এতিয়া কি লৈ উভতি যাম মহাজনৰ ঘৰ....
হে মোৰ মহাজন, তুমিয়েই মোৰ আপোনজন
মঞ্চত এক পুতলা মই, কণ্ঠত তোমাৰ সুৰ
লাভ-লোকচান নুবুজো, ভাল-মন্দ নাজানো,
কেৱল ভোলতে ভাওঁনা মোৰ ভোলতেই পৰিল ওৰ
হাতী-ঘোঁৰা জমিদাৰী নালাগে মোৰ গাড়ী-বাৰী
কৃপা হেন কৰা দান কৰুণা অশেষ....
তোমাৰ সৃষ্টিৰ হেতু যি মমতা মোৰ নিগুঢ় আন্তৰিকতা
চিৰদিন ৰাখিবা অটুট কোনোফালে নহয় যেন শেষ....
কণ্ঠত যি দিলা সুৰ, অমৃতৰে কথা পুৰ
ওঠৰ হাজাৰ জীৱই মাৰক মিলন বাঁহীত ফুঁক....
অতৃপ্ত হিয়া মোৰ মনৰ আশা হোৱা নাই পূৰ
নিছলাক কৰা কৃপা, অপঘাতে অকালতে নামাতিবা মোক....

◊◊

# জীৱনৰ এটি ভুল পথ

মৌচুম আলী
স্নাতক প্ৰথম ষাণ্মাসিক

জীৱনৰ বাটেৰে আগুৱাই গৈ থাকোঁতে
এনেকুৱা এটা সময় আহিছিল
যি সময়ে মোক দূৰ আকাশৰ
তৰাবোৰ চুবলৈ আহ্বান জনাইছিল
আৰু মই আগবাঢ়িছিলো
এটা অন্তহীন দুৰ্গম পথেৰে।
সেই সময়ত মই এবাৰো ভবা নাছিলো যে
জীৱনৰ কোনটো পথেৰে মই খোজ পেলাইছো
যেতিয়া অনুভৱ হৈছিল মই আগবঢ়া পথটো
মোৰ বাবে সুচল নাছিল।
তেতিয়া হয়তো মোৰ সেই পথৰ পৰা
উভতি অহাৰ সময় উকলি গৈছিল।
এতিয়াও মই জীয়াই আছো
পৃথিৱীৰ সৌন্দৰ্য কিন্তু উপভোগ কৰিব নোৱাৰা
এজন অন্ধ মানুহৰ দৰে।
যিয়ে পৃথিৱীৰ অনুভূতি লাভ কৰে
কিন্তু সৌন্দৰ্য উপভোগ কৰিব নোৱাৰো।

◊◊



# পখিলা

ছাহিদা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

ৰঙা নীলা বৰণৰ,
দেখিবলৈ কিমান যে ধুনীয়া।
নাচি ফুৰা বতাহত
পিন্ধি পাতৰ চেলেং কাপোৰ।
সংগীতৰ ৰাগ জুৰা,
বসন্ত ঋতুত।
আহিব ব'হাগ মাহ
সকলো ফুলকে নিমন্ত্ৰণ কৰা।
ব'হাগ মাহৰ বাটৰ পিনে,
ব'হাগ মাহতে আহিব পছোৱা
আহিব বৰষুণৰ ৰিম্ জিম্ জাক।
প্ৰকৃতি গছ-গছনি জীপাল হ'ব।
গছ-গছনি ফুল-ফলে জাতিস্কাৰ হ'ব।
ধুনীয়া হ'ব প্ৰকৃতি।
সকলো বস্তু তোমাৰ নিচিনা।
সকলো ফুলতে মৌ পান কৰা।
অন্তৰৰ হিয়াভৰা মৰম যাঁচি।

◊◊

# পোহৰ

ফৰিদা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি আহিবা বুলি
আছো বাট চাই,
ভাবিছোঁ-
তুমি কঢ়িয়াই আনিবা
নতুন আশাৰ ৰেঙণি
নতুন সুৰুয হৈ।
আন্ধাৰৰ গলিবোৰ পোহৰাই তুলিবা,
আবৰ্জনাবোৰ দলিয়াই পেলাবা
চৌদিশ নিৰাশ কৰি
দুৰ্যোগ বাধাৰ প্ৰাচীৰ ভাঙি
সহস্ৰজনৰ হাতে হাতে মালা লৈ
তোমাক আদৰিবলৈ
নতুন উদ্যম।
তোমাৰ আগমনত চৌদিশ মুখৰিত
কেৱল পোহৰৰ স্মৃতি ছায়া
কিন্তু সেই পোহৰ হ'ব লাগিব
জীৱনৰ পোহৰ।

◊◊

# এপাহি ৰঙা গোলাপ কলি

শ্বাহজাহান আলী
স্নাতক পঞ্চম ষাণ্মাসিক

মোৰ বাগিছাত ৰুইছিলো এপাহ
ৰঙা গোলাপৰ পুলি,
পুলিটো যেতিয়া লাহে লাহে
উঠিছিল শিপা মেলি।
অতি জোঙা কাঁইটেৰে
কোমল সেউজীয়া পাতেৰে
লাহে লাহে মেলিছিল কুঁহি
মোৰ শূন্য বাগিচাখনিত।
বাগিছাত এদিন ফুলিছিল এপাহ
ৰঙা গোলাপৰ কলি,
অতি মনোমোহা ইমান ধুনীয়া
এই সৰু গোলাপ কলি।
ৰঙা পাহিবোৰ বিলাইছিল যেতিয়া
মানুহৰ অন্তৰ আকুল কৰা
তাৰ সুগন্ধিময় গোন্ধ
মোৰ অন্তৰৰ সকলো স্তৰতে,
বিয়পাইছিল মাথোঁ
সেই গোলাপৰ মনোৰম দৃশ্য।
সেই ফুলতে বিচাৰি পাইছিলো
মোৰ আধৰুৱা জীৱনৰ
য'ত সপোনৰ গান
হঠাৎ এদিন বাগিচাত দেখো
ফুলনিত পৰিছে ম্লান।
হঠাৎ এদিন ফুলৰ পাহিবোৰ
মাটিত পৰি গ'ল সৰি
ইমান ধুনীয়া ফুলনিখন
শুকাই খিনাই গ'ল মৰহি
কিয় জানো গ'ল মৰহি
মোৰ অন্তৰ বিৰাজ কৰি।
.... আহিবানে
আৰু কোনো দিন
মোৰ জীৱনলৈ
সেই ৰঙা গোলাপৰ কলি?

◊◊

# কোন তুমি

নুৰুল আমিন
উঃ মাঃ ১ম বৰ্ষ

নিমাত নিশাৰ
গোপনীয়তাত
ফাগুন পচোৱা তোমাৰ
মৌ-সনা মাত
যাৰ খোজত সাৰপাই উঠে
মদাৰৰ শুকান পাত।
কিযে অকাম্যাতে
হাতত সাৰে ভৰিত সাৰে তুমি
আহিনো কিয় থলাহি হাত।
তোমাৰ পৰশ পাই
জ্বলিল যৌৱনৰ জুই
নিমজ দেহাত।

◊◊



# মহামন্ত্ৰ

নুৰেদা বেগম
উঃ মাঃ ২য় বৰ্ষ

ভাৰত জননীৰ সন্তান আমি
নাই কোনো ভিনপৰ,
কোন হিন্দু, কোন মুছলিম
নাই এই ভাৰ বীৰ পুৰুষৰ।
ভাৰত মাতৃক ৰক্ষা কৰিম
ইয়ে আমাৰ মহামন্ত্ৰ,
একতাৰ ডোলেৰে বান্ধিম আমি
একতাই আমাৰ মহামন্ত্ৰ।
হিংসা, বিদ্বেষ নাৰাখো মনত
মিলি যাম আগুৱাই আমি,
জাতি ধৰ্মৰ শিপা উভালি
তেজেৰে গঢ়িম মাতৃভূমি।
ভাৰত মাতৃক ৰক্ষা কৰিম
ইয়ে আমাৰ মহামন্ত্ৰ,
এই মন্ত্ৰেৰেই বিদেশীক খেদিম
ভাৰত আমাৰ গণতন্ত্ৰ।
ভাৰত মাতাৰ তিৰঙ্গা পতাকা
হাজাৰ শ্বহীদৰ দান,
স্বাধীন ভাৰতৰ সন্তান আমি
গাওঁ সবে জয়গান।
অবিচাৰৰ প্ৰতি যুঁজিম আমি
বিদেশী শক্তি খেদিম বুলি,
গান্ধীজীৰ সত্য আৰু অহিংসা নীতি
শিৰত আমি লম তুলি।
একতাৰ জয় যাত্ৰাত শত্ৰুক খেদিম
মাতৃৰ হকে দিম প্ৰাণ,
দেশৰ কাৰণে সকলো ত্যাগিম
জীৱন কৰিম দান।

◊◊

# ধৈৰ্য

আলী হুছেইন
স্নাতক প্ৰথম ষাণ্মাসিক

ধৈৰ্য হ'ল শান্তিৰ প্ৰতীক
জানিবা এদিন ভাই,
অধৈৰ্যবান ব্যক্তিগণে
ক'তো নাপায় ঠাই।
মানুহে তোমাক নিন্দা কৰিলেওঁ
ধৈৰ্য ধাৰণ কৰা,
পাপ থাকিলে হ'ব মোচন
মানুহৰ তিৰস্কাৰৰ পৰা।
শক্তি যিমানেই নাথাকক তোমাৰ
নকৰা যেন অভিমান,
অভিমানী ব্যক্তিক ভদ্ৰ সমাজে
কেতিয়াও নিদিয়ে স্থান।
ধন-সম্পত্তি যিমানেই থাকক
থাকিব মাটিতেই পৰি,
সময় শেষ হ'লে এদিন
যাবই লাগিব এই পৃথিৱী এৰি।

◊◊

# শৰতৰ খেদ

বুৰহানা ইয়াচমিন
উঃ মাঃপ্ৰথম বৰ্ষ

তোমাৰ প্ৰিয় শিতানত মোক
বন্দী কৰি নাৰাখিবা
নক'বা মোক ভালপাওঁ বুলি
চলাহী কথাৰে আৰু নুভুলাবা মোক
মোক ভাল পাওঁ বুলিলেই
পাতিব নিবিচাৰো মই
নৈৰ ওখ গৰাত কঁহুৱাৰ মেলা
বিলাব নিবিচাৰো শেৱালিৰ গোন্ধ
গেৰ ওলোৱা ধানৰ মিঠা সুবাসেৰে
ভৰাব নোখোজো কৃষকৰ মন

আদৰৰ গইনাৰে মোক
দুৰ্বল নকৰিবা তুমি
য'ত বিক্ৰী হয় মানৱতা
তেনে সমাজৰ পৰা মোক
হেৰাই যাবলে দিয়া
পাহাৰৰ সিটো পাৰত
বেলিটো হেৰালেই চোন ইয়াত
অ' মোৰ প্ৰেমিক কবি
ভুৱা কথাৰে আৰু মোক
নুভুলাবা তুমি....।

◊◊

# মা

মোজাহাৰ আলী
উঃ মাঃপ্ৰথম বৰ্ষ

মাৰ কোলাত জন্ম লৈ
উঠিলো চিঞৰি,
তৎক্ষণাত মোক সান্ত্বনা দিছুলে
বুকুৰ দুগ্ধ দি।
কত যে কষ্ট তুমি
কৰিলা মা,
তথাপিও মৰমত তুমি
তিতিব নিদিলা গা।
কত যন্ত্ৰণা দিলো তোমাক
বেয়া নাপালা,
তথাপিও মোক আদৰ কৰি
কোলাত ললা।
মা তোমাৰ গাখীৰৰ ঋণ
সোধাব নোৱাৰো,
মা তুমি ঋণৰ বোজা
জাপি নিদিবা বাৰু।
মা তোমাৰ কথা সদায় মই
ৰাখিম মনত,
এই পৃথিৱীত জান্নাত আছে
তোমাৰ চৰণৰ তলত।
মা তুমি কৰিবা দোৱা সকলোবোৰ
নিজে মনে মনে,
তোমাৰ দোৱাত কোনে বাৰু
কি কৰিব পাৰে।

◊◊



# খেতি

শ্বাহ মাহমুদ ইমৰান আলী
স্নাতক প্ৰথম ষাণ্মাসিক

গাঁৱত আমি জন্ম লৈছো
নুবুজু নগৰৰ মৰ্ম,
হাল বাই খেতি কৰাই হ'ল
আমাৰ প্ৰধান কৰ্ম।
স্কুল নাই, কলেজ নাই
নাই শিক্ষানুষ্ঠান,
কেনেকৈনো বুজিম আমি
লিখা পঢ়াৰ মান।
ৰাতিপুৱা উঠিয়েই যাওঁ পথাৰত
নাঙল, যুৱলি লৈ,
লগে লগে আৰম্ভ কৰোঁ
খেতি চহাবলৈ।
চকু থাকিও অন্ধ যে
আমাৰ গাঁওখনি,
কেনেকৈনো কৰিম যে
এই সমাধান আমি।
অসম দেশত থাকিও আমি
নাজানো অসমীয়া ভাষা,
কেনেকৈনো কৰিম যে
এই সমাধা।
চাকৰি নাই, বাকৰি নাই
নাই অইন কৰ্ম,
হাল বাই খেতি কৰাই যে
আমাৰ প্ৰধান কৰ্ম।
ভালপাওঁ যে খেতি-বাতি কৰি
আমি গাঁওবাসী,
সেইবাবেই যে কৰোঁ আমি
সকলোৰেই ৰং ধেমালি।

◊◊

# জীৱনৰ তিনিটা স্তৱক

আৰজিনা বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

(এক)
হাঁহি মানে কি?
সি কলে-
বুকুৰ মাজেৰে বৈ থকা
এখনি ৰূপালী নৈ
(দুই)
জীৱনৰ সংজ্ঞা?
সি কলে মায়ামৰ দৰেই
ৰুটি এটুকুৰা, সুৰাৰ পিয়াল
আৰু এটা শ্বায়েৰী।
(তিনি)
মৃত্যু একা?
সি কলে- এটি শেষ হোৱা গীত।

◊◊

## মৃত্যু

মইনুল হক
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি মোক ভাল পাইছিলা নেকি?
যদি তুমি মোক ভাল পাইছিলা,
সেইদিনা মই শুই থাকোতে।
তুমিতো কাষতে আছিলা!
ভালপাওঁ বুলি কিয় নকলা?
যদি তুমি মোক ভাল পাইছিলা।
সেইদিনা মোৰ শৰীৰৰ দুৰ্গন্ধ,
লেতেৰা পোছাকৰ সৈতে।
আপোন কৰি কিয় নললা?
সঁচাকৈয়ে তুমি মোক ভালপোৱা নেকি?
শুনা মোৰ প্ৰেমিক,
মই তোমাক ভাল পাব নোৱাৰিম—
"মৃত্যু"।।

◈◈

## মা-দেউতা

ফৰিদা ইয়াচমিন
স্নাতক প্ৰথম ষাণ্মাসিক

মৰমৰ মা-দেউতাক মোৰ ওচৰত
মই বিচাৰোঁ সদায়,
মা-দেউতাৰ উচ্চাকাংক্ষাই
মোক নিব আগুৱাই।
ভক্তি শ্ৰদ্ধা সততে মোৰ
মা-দেউতাৰ সান্নিধ্যত
মোৰ আছে অশেষ শক্তি
মা-দেউতাৰ আশীৰ্বাদত।
মা-দেউতাক কথা কওঁ অন্তৰ খুলি
সেই কাৰণে মা-দেউতাই
মাতে মোক মাজনী বুলি।

◈◈

## লিমাৰিক

শ্বাহেদ আলী
স্নাতক ৫ম ষাণ্মাসিক

চৰকাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰী
কাহি বাটি লৈ আহ
পেট ভৰাই ভাত খা
সৰ্বশিক্ষাৰ বিষয়া
আমাৰ ডিউটি চাই যা।
ক খ বাদ দে
ৰান্ধনিক খৰি যোগাৰ দে
টিং টিং শব্দ বন্ধ কৰ
ভাত হৈছে
অলপ পৰ ধৈৰ্য ধৰ।
গাঁওবাসী ৰাইজ
আজি পিছে পাঁচ কেজি. চাউল ৰ'ল।
নিমখ তেলৰ বাবদ
আটাইখিনি গ'ল।
হেৰা সৰ্বশিক্ষাৰ বন্ধু
কিয় লাগিল থৰ।
সুযোগতে দুই কেজি. ছাইড কৰ
অহাকালি পিছে শনিবাৰ
ৰান্ধনি ঘৰৰ বন্ধ দুৱাৰ।
ছাত্ৰ-ছাত্ৰীৰ হয় বেমাৰ
এনেদৰে পাৰ হয় বছৰটোৰ শিক্ষাৰ

◈◈



## হে খাৰুপেটীয়া মহাবিদ্যালয় তোমাৰেই জয়গান

গুণেন কুমাৰ নাথ
স্নাতক ১ম ষাণ্মাসিক

সাতোৰঙীণ সপোন লৈ
নিৰাশাৰ মাজত আশাৰ বতৰা হৈ
কল্পনাৰ সীমান্ত ভেদি
সাত সাগৰৰ জ্ঞানৰ মাণিক লৈ
তুমি আহিছিলা।
খাৰুপেটীয়াৰ ওপজা সোণৰ মাটিত।
১৯৮১ চনতে তোমাৰ জন্ম হৈছিল
খাৰুপেটীয়াৰ ৰসাল মাটিত।
তোমাৰ জ্ঞানৰ বিস্ফোৰণত কত
সহস্ৰজনে লভিলে জ্ঞানৰ শৰাই।
শত শত ছাত্ৰ-ছাত্ৰীৰ জীৱন পথত
কৰিলা জীৱন দান।
তোমাৰ বাবেই
জ্ঞানৰ বিকাশ ৰাশিৰ উজনি
টোৱে মেলিলে জ্ঞান নাৱৰ বৈঠাখনি
অধ্যয়ন পীপাসু ছাত্ৰ-ছাত্ৰীৰ
কোমল হৃদয়ত বাজি উঠিছিল জ্ঞানৰ পোহৰ।
তুমিয়েই দিছিলা জীৱন বাটৰ কাঁচিয়লি ৰ'দত
আদৰ্শৰ সাঁচমণি।
তোমাৰ বুকুত কত সহস্ৰজন
ছাত্ৰৰ আছে লক্ষ্যবিহীন যাত্ৰাৰ লক্ষ্যস্থল
নতুন সাজেৰে জ্ঞানৰ মালাধাৰি
নিজ হাতে অৰ্পিলা ছাত্ৰ-ছাত্ৰীৰ মাজত
তোমাৰেই বুকুত কত জ্ঞানী শিক্ষাগুৰুৰ
হ'ল যে জনম
তোমাৰেই আলোকেৰে আলোকিত হৈ,
কৰিলে ছাত্ৰ জীৱন ধন্য
নাপাওঁ যে তোমাৰ দৰে
বিশ্বত বিচাৰি জ্ঞানৰ মন্দিৰ
তোমাৰেই বাগিছাৰ মালিনী হৈ
আছো মই অপেক্ষাত পূজাৰ ফুল বুটলি।
ৰাতি পুৱাই উঠি দহ বজালৈ
থাকো মই অপেক্ষাত পূজালৈ বুলি
নহ'ল যে মোৰ পূজাৰ আৰতি
কৰোঁ মই মিনতি।
তোমাৰেই আদৰ্শৰে আদৰ্শত ব্ৰতী হৈ
জীৱন নাৱৰ যাত্ৰী হৈ
তুলি ধৰিছোঁ মই নাৱৰ বৈঠাখনি
শত শত বাধা অতিক্ৰমি
তোমাৰেই জয়গান গাওঁ আজি।

◈◈

# হিন্দু- মুছলিম

**বুলবুল হুছেইন**
**উঃ মাঃ প্ৰথম বৰ্ষ**

আমি হিন্দু-মুছলমান এক সমান
এক মাকৰ সন্তান।
এক মাকৰ দুটি সন্তান
আমি হিন্দু-মুছলমান।
এক খেতিত হাল মাৰো আমি
এক লগতে গাওঁ গান
আমি হিন্দু-মুছলমান এক সমান
মুছলিমে কয় আল্লাহ, ৰছুল
হিন্দুয়ে কয় ঈশ্বৰ, ভগৱান
হিন্দুয়ে পঢ়ে গীতা, ভাগৱত
মুছলিমে পঢ়ে কুৰ্‌আন
আমি সকলো হিন্দু-মুছলমান এক সমান
মুছলিম মৰিলে পঢ়ি নামাজ দিয়ে মাটি
হিন্দু মৰিলে পঢ়ি মন্ত্ৰ দিয়ে শ্মশানত
অ' মোৰ প্ৰাণ পাখি স্বৰ্গবাসী
সকলোৰে এক স্থান
আমি হিন্দু-মুছলমান এক সমান।
এয়া কি নদীৰ বানপানীত
পানীত কৰোঁ চাং
এনে সুখে দুখে মায়া ভৰা
সকলোৰে এক স্থান
আমি সকলোৱে হিন্দু-মুছলমান এক সমান
আহা আমি শপত লওঁ
নকৰোঁ কাজিয়া পেছাল
জীয়াই থাকিম যেতিয়ালৈ
তেতিয়ালৈ থাকিম গান গাই
আমি হিন্দু-মুছলমান এক সমান।

◈◈

# মা

**ইস্ৰাফিল হক**
**স্নাতক ৫ম ষাণ্মাসিক**

নিজানত বহি ধ্যানত মগ্ন হৈ
চিন্তা কৰি থাকে মাৰ কুমলীয়া অন্তৰখন লৈ
আছেনে কোনোবা মাৰ অবিহনে এইখন
পৃথিৱীত
সন্তানৰ সুখ-দুখৰ সমভাগি হ'বলৈ!
এইখন পৃথিৱীত আছে যদি প্ৰকৃত স্বাৰ্থহীন
সুখ দুখৰ লগৰী,
সেইজনী হ'ব পাৰে
একমাত্ৰ জননী
সুখ দুখত পৰি মাতো আমি 'মা' বুলি
আবেগেৰে মা মা মাতো হাত মেলি
মাই যদি খং কৰে, মাকেই মাতো
মাই খেদি পঠিয়ালেও ওচৰতে থাকো
হাজাৰ নিৰাশাৰ মাজত থাকিলেও
মাৰ এযাৰ কথাত আশা পোৱা যায়।
সেইজনী মাৰ সেৱা কৰিলেই
পৰকালত জান্নাত পোৱা যায়।
কোনেনো সৃষ্টি কৰিলে নিপুণ হাতেৰে
মাৰ অন্তৰ ও মন
সঁচাকৈয়ে সিজন বিশ্বৰ কাৰিকৰ
কৰিব নোৱাৰো তাৰ আদেশৰ উলংঘন।

◈◈



# খাৰুপেটীয়া মহাবিদ্যালয়

**শ্বাহালম চৌধুৰী**
**স্নাতক তৃতীয় ষাণ্মাসিক**

মই হ'লো অমৰ জ্ঞানৰ ভঁড়াল
আনন্দৰে ভৰা মই,
অন্ধকাৰ জীৱনৰ পৰা এন্ধাৰ গুচাই
দিও মই জ্ঞানৰ পোহৰ বিলাই।
সকলোৰে জীৱনৰ দুখ আঁতৰাই
দিও আনন্দৰে সজাই,
সকলোকে সমানভাৱে দেখি
শিষ্টাচাৰ ৰাখো বজাই।
মৰম-চেনেহৰ মেলা মই
সকলোকে মৰম দিওঁ ভগাই,
কোনোৱেই এৰিব নোখোজে মোক
এৰোতে মনত লাগে বৰ দুখ।
সকলোৰে লগত আনন্দেৰে জীয়াই আছো মই
সকলোৰে দুখ-বেদনা ভগাই লয় মোৰ,
যদিও থাকে মোৰ বুকুত বহুত যন্ত্ৰণা
সকলোকে চাই মই পাওঁ সান্তনা।
ইহঁতৰ কাৰণে ভগৱান মই
সকলোকে লগত লৈ দেশ কৰিম জয়,
ময়েই দাঙি ধৰিছো মোৰ পৰিচয়
মই খাৰুপেটীয়া মহাবিদ্যালয়।

◈◈

# অ' ধুনীয়া ফুল

**মুনচুৰ আলী**
**স্নাতক ৫ম ষাণ্মাসিক**

অ' মোৰ ধুনীয়া শেৱালী ফুল।
তুমি মোক কৰিলা ব্যাকুল
তোমাৰ ধুনীয়া ৰূপত
মই হওঁ বিভোৰ।।
অ' মোৰ ধুনীয়া শেৱালী ফুল।
তুমি হবানে? মোৰ অতি আপোন।।
তোমাক কৰিব খোজো মই
মোৰ জীৱন লগৰী।।
মোৰ চৌপাশে সাজিব খোজো
মাথো তোমাৰ আকৃতি।
তোমাক ছায়ে অন্ত পেলাম মোৰ
জীৱনৰ সমাপ্তি।।
নকৰিবা অৱহেলা মোক আলাই আথানি কৰি।
মই হৈ ৰম তোমাৰ মালি।

◈◈

# মোৰ মন যায়

দিন ইছলাম
উঃ মাঃ ১ম বৰ্ষ

মোৰ মনৰ ইচ্ছা
অসংখ্য মানুহৰ মাজত
এজন আদৰ্শ অধ্যাপক হ'বলৈ।
মন যায় মোৰ সকলোৰে মাজত
জ্ঞানৰ পোহৰ বিলাবলৈ।
সকলোৰে মন জয় কৰিবলৈ।
দুখেৰে নহয়, শোকেৰে নহয়
মন যায় মোৰ
সুখেৰে, শান্তিৰে সকলোকে
আনন্দ দিবলৈ।
মোৰ আন এক গভীৰ আশা
পঢ়া-শুনা কৰি মা-দেউতাৰ
মুখত হাঁহি ফুটাবলৈ।
মোৰ ইচ্ছা হয় আকাশত উৰিবলৈ
মন যায় মোৰ দেশ বিদেশ ভ্ৰমণ কৰিবলৈ
মন যায় মোৰ
নানা প্ৰাকৃতিক সৌন্দৰ্য
উপভোগ কৰিবলৈ।
এয়াই মোৰ মনৰ প্ৰবল ইচ্ছা

◊◊

# তোমাৰ মৰম

জিল্লুল হক
স্নাতক ১ম ষাণ্মাষিক

তুমি গুচি যোৱা
দিন ধৰিয়েই,
এই বৰষা
আন্ধাৰ ৰঙেৰে আঁকা
এখনি প্ৰতিচ্ছবি।
তিতা তিতা উপন্যাস
চৌপাশে চাব নোৱাৰি
কামনাৰ হাজাৰ হাজাৰ
শুকান পাত।
নীৰৱে থাকি চোৰাচোন
কাঁইট গোলাপ আৰু
অশ্লীল যৌৱন
বৰ প্ৰয়োজন।
মৰমৰ
কিন্তু এই মৰম
তোমাৰ পৰাহে,
বিচাৰিম আজীৱন
জীয়াই থকালৈকে।

◊◊



# অচিনাকি ভালপোৱা

আবুল কালাম আজাদ
উঃ মাঃ ১ম বৰ্ষ

বতাহৰ পৰসৰে প্ৰকৃতিৰ সুবাসেৰে
কোৱাচোন তুমি বাৰু কোন
লাগিছে যেন তোমাক সঁচাকে
এটা সৰগৰে জোন।।
চুবও নোৱাৰিলো ধৰিবও নোৱাৰিলো
কি মায়া আছে তোমাৰ মাজত
লাগিছে তোমাক সঁচাকৈ
জিলিকণি ৰ'দ পোৱাৰ।।
আগুৱাই ৰাখিছো সঁচাকৈ তোমালৈ
হিয়া ভৰা মৰম বুকুতে লৈ
লাগিছে যেন তোমাক সঁচাকে
পূৰ্ণিমা নিশাৰ এজাক জোনাকী ঐ।

◊◊

# দুখ

চেমিমা ইয়াচমিন
উঃ মাঃ ২য় বৰ্ষ

দুখেৰে ভৰা এই জীৱন
মাথো দুখ
দুখ দুখ কৰি হেৰাই পেলাইছো
জীৱনৰ সকলোবোৰ সুখ
তহঁতে নুবুজিবি নুবুজিবি মোৰ দুখ
বুজিব সেইজনে
যিজনে কাঢ়ি লৈ গৈছে
মোৰ সকলোবোৰ সুখ
দুখ তুমি মোৰ জীৱনলৈ নাহিবা
সুখবোৰক আমনি নকৰিবা
দুখ তুমি মোৰ জীৱনৰ পৰা
আঁতৰি যোৱা
সুখবোৰ অনুভৱ কৰিব দিয়া
অতীতবোৰ পাৰ হৈ গ'ল
দুখ আৰু বেদনাৰ মাজেৰে
ভৱিষ্যতে আহে যেন
সুখ আৰু আনন্দ মনেৰে
দুখক মই সদায়
পাহৰিব খোজো
অকণমান সুখৰ
সঁহাৰি বিচাৰো...

◊◊

# FOREIGN DIRECT INVESTMENT (FDI) in Retail and India

**Abdullah Al Mamun**
**TDC 5th Semester.**
**Department of Economics**

**Foreign** Direct Investment (FDI) is a direct investment into production or business in a country by an individual or company of another country, either by buying a company in the target country or by expanding operations of an existing business in that country. Recently United Progressive Alliance (UP-A ) government tried to bring some changes in FDI policy.

Those were:

[1] India will allow foreign groups to own up to 51 % in "multi brand retailers", as supermarkets are known in India, in most radical proliberalization reform passed by the Indian Cabinet in recent year.

[1] Single brand retailers, such as Apple and IKEA, can own 100 °% of their Indian stores, up from previous cap of 51%.

[1] Both multibrand and single brand stores in India must confine their operations to 53-odd cities with a population over one million, out of them 7,935 towns and cities in India, It is expected that these stores will now have full access to over 200 million urban consumers in India.

[1] Single brand retailers must have a minimum investment of $100 million with at least half of the amount invested in back-end infrastructure, including cold chains, refrigeration, transportation, packaging etc.

This policy was presented in Parliament on 24 Nov, 2011. The decision for foreign investment up to 51% was a sensational news at that time. Every body was talking about that. Actually before that, I too was not aware of that thing much.

But reading news papers gave me some idea. Though I can't decide whether it was good or bad, but I saw some politician supporting the government and a few were opposing it also. Like Akali Dal in Punjab welcomed this decision where as BSP in UP openly opposed it. The supporters lauded the policy, but opposition parties warned government. So that was the political scenario. It is known to us that the benefits from FDI do not accrue automatically and evenly across country and sectors. In order to reap the maximum benefits from FDI, there is need to establish a transparent, broad and effective enabling policy environment for investment. Though Indian government gives red carpet to Wal-Mart, TESCO to establish their business in Indian soil but many Economists are against govern-



ment step of allowing 51 % FDI in retail. According to Icier Report (2007), the retail business in India was estimated to grow at 13 percent from $322 billion in 2006-07 to $590 billion in 2011-12. But organized retail, make up to 10%. However in the present scenario, unorganized retailers do a business of 500 billion which is 90% of the total market.

**SAYING YES TO FD1 RETAIL**

**States and UTs that welcome the move**

| Name of states | Population (Million) |
|---|---|
| Maharastra | 112.4 |
| Andhra Pradesh | 84.7 |
| Rajasthan | 68.6 |
| Assam | 31.2 |
| Haryana | 25.4 |
| Delhi | 16.8 |
| J&K | 12.5 |
| Uttarakhand | 10.1 |
| Manipur | 2.7 |
| Dadra Nagar Haveli | 0.3 |
| Daman & Diu | 0.2 |
| Total | 364.93 (30%) % |

If we move out from our home, and walk through the street, we can see a number of shops holding near by. Retailing is one of top businesses that Indian do. And this is like a pillar to our GDP. 15% of the total GDP comes from these grocery shops and retailers. It gives day meal to a number of people. India is considered to be the top 5 largest retailers in economic output. So these all things should be measured and analyzed by GOI before granting permission to foreign investors.

Indian economic market can be divided into two categories- Organized and Unorganized. Organized are those who are having proper license and they show their all account to government. They pay proper tax and run their shops in a systematic manner. But we hardly find organized retailers in rural or some small cities. Shops like mall, show room, big-bazaar, Spencer come in this category. Apart from this, what is dominating our economy is "Unorganized retailer.' In Indian market, they give employment to more than 40 million people. These can be small shops, groceries, one-man owner or betel shops. We can see most of them in open market, or in rural areas. They are so small shops. They use to bargain their prices. They mostly don't fix their price. So they sell their product at any cost, however companies give a MRP (Maximum Retail Price). Ya ! I agree, they don't maintain the standard. They lack in terms of health and quality. But for middle class people, who can't afford mall or showroom, these unorganized shops are far better. Because something is better than nothing. These shops mostly pick up the product

from farmers and sell them to some different market. So in this way a large amount is saved, which a branded retailer has to carry like income tax, service tax, transportation tax etc. So government is losing a large amount of revenue in this way. But we should also think that, these organized retail shops give a large number of employments to our people.

**Positive arguments:**

[1] Because of the investment of foreign companies, job opportunities in areas like marketing, agro-processing, packaging, transportation, etc. will be created. According to the Government, 10 million new jobs will be created.

[1] Because of FDI, the post of middlemen in India will be removed. Because of that, farmers will get a good price for their crops and their exploitation will stop (which is going on for the last 150 years).

[1] Foreign companies will invest around $100 million in India. Because of that, infrastructure facilities, refrigeration technology, transportation, etc. will be renovated. That will lead to low-inflation rate.

[1] According to the Indian Government's conditions, foreign companies have to source a minimum of 30% of their goods from Indian micro and small industries. This will provide the scales to encourage domestic manufacturing, by creating a big effect for employment and to upgrade the technology.

[1] Countries like China, Indonesia, and Thailand already have 100% FDI in retail. After allowing FDI in retail, these countries have experienced tremendous growth in the agro processing industry, refrigeration technology and infrastructure.

[1] Foreign companies will also create a supply-chain in the India market. Because of that, food which perishes due to bad infrastructure facilities and refrigeration, will not be wasted.

**Negative arguments :**

[1] FDI will lead to job losses. Small retailers and other small 'Kirana store owners' will suffer a huge loss. Giant retailers and Supermarkets like Walmart, Carrefour, etc. will displace small retailers.

[1] Supermarkets will establish their monopoly in the Indian market. Because of supermarket's fine tuning, they will get goods on low price and they will sell it on low price than small retailers, it will decrease the sell of small retailers.

[1] Jobs in the manufacturing sector will be lost because foreign giants will purchase their goods from the international market and not from domestic sources. This has been the experience of most countries which have allowed FDI in retail. Although, our country had put a condition that they must source a minimum of 30% of their goods from Indian micro and small industries, we can't stop them from purchasing goods from international markets as per WTO law. So after coming to India, they can reduce this 30% by litigating at the WTO.

[1]

**My analysis :**

At the first sight, we can see that benefits are



more in numbers, but I think detriments are more serious.

[1] In India, we have 11 shops per 1000 people.

[1] India has 1.2 crore shops, which gives employment to about 4 crore people.

What about the problems which these 4 crore people will suffer?

As per Indian government's condition, companies will buy 30% from small industries of India, but what about the other 70 %? Walmart and all these big giants import their majority goods from China. If we consider Walmart as a country then Walmart will be the one of the top-10 countries which is importing goods from china. These giants will dump goods from China. We can't stop them from doing this.

Our PM is reported to have said that that allowing this major FDI will bring new technology to India and it will bring proper refrigeration technology so that wastage of food/grains can be stopped. But don't you think India itself is capable for that? Why can't our government build storages for refrigeration of food? Is it ok to open our country's gates for foreign giants just because of this reason? Why we are not passing `Food Security Bill', which is still in the parliament? If government is not capable of building a supply chain and infrastructure, we can open this field for Indian entrepreneurs.

Government is saying that the cities which have a population of more than 1 million are open for these foreign companies. This is totally illogical. I am sure, in the next 10 years they will open their stores in small cities, after opening their stores in metros first and so on.

Today, when the American President is requesting their citizens to buy goods from small retailers, we are inviting them to our country. These companies have ruined their own country and we are expecting that they will save our farmers and food. We are expecting that they will give new technology and will invest in India to help our poor fellas. This is bull. Argument that only foreign companies can create the supply chain for farm produce is totally illogical. International retail players have no role in building roads or generating power. They are only required to create storage facilities and cold chains. This could be done by government of India also. I think there is no need to allow 51% FDI in India at this point. No need to go so fast. We should discuss this point in parliament (peacefully!).

Finally, I would like to say this government policy would ruin all our small markets. And competition will be among large players with deep pockets only. The foreign/ global companies would get a chance to put their leg into our economy and they will dominate the market in every aspect. Very few people have welcomed this policy. Even one of the greatest Indians, Father of Green Revolution 'Mr. M.S. Swaminathan' has opposed this fact. and criticized the Government of India.

**Courtesy: CSR, Economic Times and Wikipedia**

■■■

# COMMUNALISM IN INDIA

**Mr. Nazir Hussain Sarkar (Dept. of Assamese)**
**Dr. Parimal Kumar Dutta (Dept. of Sanskrit)**

"মোরা একই বৃন্তে দুটি কুসুম হিন্দু-মুসলমান
মুসলিম তার নয়নমণি হিন্দু তাহার প্রাণ।
এক সে আকাশ মায়ের কোলে
যেন রবি শশী দোলে
এক রক্ত বুকের তলে এক সে নাড়ীৰ টান।।"

— কবি নজরুল ইসলাম।

## Introduction:

India, the land of ancient culture and wisdom, has been attracting millions and millions of people of other countries of the world since the dawn of human civilization. Rabindra Nath Tagore, Vishwakavi, beautifully painted it in his immortal poem Bharatatirtha—

"কেহ নাহি জানে কার আহ্বানে কত মানুষের ধারা
দুর্বাৰ স্রোতে এল কোথা হতে, সমুদ্রে হল হারা,
হেথায় আর্য, হেথা অনার্য, হেথায় দ্রাবিড় চীন
শক-হুনদল-পাঠান-মোগল এক দেহে হল লীন।"

This commingling of different castes, religions, languages, communities, races, tribes and clans formed a great nation known as Indian nation. India, the holyland of Rama, Krishna, Buddha, Nanaka, Kabira, Akbar, Vivekananda, Gandhiji, Netaji, Lalan Fakir and Maulana Abul Kalam Azad, is frequently torn by blood-sheds, riots and killings. The harmonious relation between different races and communities are found now much disturbed by the growth of some divisive forces. Such forces seem to divide India as well as the people of India on the basis of religion, and so on. The result is the prevalence of communalism in the country.

## Meaning of Communalism:

Communalism means a sentiment of enmity towards other religions and communities. It is generally associated with a narrow, selfish, divisive and aggressive attitude on the part of a religious group.

## Forms of Communalism:

Communalism in India has several forms. The main form is Hindu Muslim Communalism. The following conflicts and violence turn into communalism.

Shia Sunni conflict (mostly in U.P), ethnic violence in Assam, Sikh-Dara Sacha Sauda conflict in Punjab, Lepchas Bhutiyas conflict (in Sikkim), Tribal versus Non-Tribal conflict as well as conflicts among the tribal groups in Assam, Meghalaya, Manipur, Tripura and Mizoram.



## Background of Communalism in India:

India never witnessed violent communal clashes before the British rule. Communalism has its origin in the British rule. The British followed the system of "divide and rule" and fomented communal hatred to serve their own interest. The scorpion of communalism nurtured by them is stinging still the vitals of Indian national life. This is well exploited by different political parties to serve their selfish ends.

## Factors of Communalism During the British Rule:

The root of communalism is connected with many factors. Some of the important causes are mentioned here.

During the period of the British rule Hindu-Muslim communalism was due to deep diversities in respect of places of worship, holy books, method of worships, religious festivals, social customs and ways of daily life, language and standard of living.

## Factors of Communalism after independence:

### Economic Backwardness:

कृषक की खेतों की रस हूँ मैं,
खेत को हरा-भरा करती हूँ मैं,
अमीर-गरीबों में समान प्रयोजनीय हूँ मैं,
इस जग की प्राकृतिक शोभा हूँ मैं।
बहुत सारे नाम हैं मेरी,
बहुत हैं मेरी रंग,
लोग कहते हैं पैसा हूँ मैं,
पर इस जग की प्राकृतिक शोभा हूँ मैं।

◊◊

# माँ

छाया उपाध्याय
T.D.C. 5th Sem.

माता को जो प्यार करें
वे लोग निराले होते हैं।
जिसे माँ का आशीर्वाद मिले
वे किस्मत वाले होते हैं।
चाहे लाख करों तुम पूजा
और तीर्थ करों हाजार।
मगर माँ-बाप को ठुकराया तो
सबकुछ है बेकार।
जो माँ को ना सुनेगा
तो मेरी कौन सुनेगा।
जो माँ की ठुकरायेगा
दर-दर की ठोकर खायेगा।
गर्व ना कर तू धन का ओ पगले
ये गाड़ी ये बंगले यहीं तो रहेंगे।
माता-पिता की ले ले दुआयें
जीवन बनेगा तेरा सुखदाई
जिसने नहीं ली माँ की दुआयें
हरदम वो पछतायेगा।
जो माँ की ना सुनेगा
वो दर-दर की ठोकर खायेगा।

◊◊



# दोस्ति

खालिदा इयासमिन
T.D.C. 5th Sem.

दोस्ती की वह पल
हमारे जीवन की खास पल होते है।
दोस्ती हमारे जीवन की
एक ऐसी लकीर है, जो कभी नहीं मिटती।
हमारे याद भरे वह हर एक एहसास जैसा पल
दोस्ती के साथ बिताए हुए हर एक पल।
दोस्ती के साथ हँसी-मजाक के वह पल,
क्लास आफ में मस्ति करने का वह खास पल,
खुद रोना और दोस्तों की भी रुलाना,
हँसना और (दोस्तो की भी) हँसाना।
एक अच्छी विश्वास जैसा पल,
बहुत याद आएगी दोस्ती की वह हर एक पल।
दोस्ती करो तो ऐसे करो,
जेसे सूरज के साथ रोशनी का रिस्ता।
फूलों के साथ खुसबू का रिस्ता।
हँसी के साथ मुसकान का रिस्ता।
और आपके साथ हमारी रिस्ता
दोस्ती की रिस्ता।।

◊◊

# दुनिया का गम

छबिदुर रहमान
T.D.C. 3rd Sem.

दुनीया में कितना गम है
मेरा गम कितना कम है,
सबका गम देखा तों मैं
अपना गम भुल गया
इसका तों रंग-रूप यही
जिसको जीवन केहते हैं
सुख-दुख का यह संगम है।
मेरा गम कितना कम है
सबके दिल में शोले हैं
सबकी आँखों में पानी हैं
दुनिया सारा आलम हैं
मेरा गम कितना कम हैं।
घर-घर यह मातम है
मैरा गम कितना कम है।
चार दिन की चाँदनी है
मेरा गम कितना कम है।
लोंगों का गम देखा तो
मैं अपना गर्म भुल गया।

◊◊

# माँ

मुहम्मद हसेन अली
प्रबक्ता, अंशकालीन

चारो दिशाएं हैं तुमसे
बहती हवाएं हैं तुमसे
माँ जब तू अंगन में डोले
तब डोले हर खुशी तुमसे।।
माँ
मंदिर भी तू माजिद भी तू
माँ तू ही द्वार कामाई
गीता भी तू कोराण भी तू
तुझमें है सारी खुदाई।।
माँ
मैं जब भी शीश झुकाऊँ
तेरे चरणों में खुद को पाउँ
हर बच्चे ने पहले जबसे
सीखी हैं बन्देगी तुमसे।।
क्योंकि माँ भी तो है नारी
नारी तुम केवल श्रद्धा हो विश्वास-रजत-नग पगतल में।
पीयूष श्रोत सी बहा करों जीवन के सुन्दर समतल में।
क्या लिखूं ना कहानी ना कविता
किसी में भी नहीं आता मधुरता।
जिसको नहीं है संसार में,
अपनी माँ की चरन छुने की अभिज्ञता
फिर भी माँ के लिए लिखू एक कविता
जिस माँ की चरणों पर हजारों लोगों करते श्रद्धा।
फिर भी मेरी कविता का शीर्षक माँ हो,
जिस माँ को संसार या सवर्ग में भी जय हो।।
माँ
सूरज की रोशनी तुमसे
चन्दा की चांदनी तुमसे
माँ गली द्वारे-द्वारे
खिलती है जिन्देगी तुमसे।
माँ
थक के जब मैं घर आऊँ
तू बाहों में भर लेती है
मेरी हर एक निराशा को
तू छू मंतर कर देती है।।
फूलों की सुगधं है तुमसे
कलियों पे है रंगत तुमसे
माँ फौलाटी चटटानों भी
पल में है पिघलती तुमसे।।
माँ
जब ऋतु ओं कातू संगम है
सर्दी-गर्मी वर्षा है
भण्डार तेरे हैं भरे-भरे
तू ही तो अन्नपूर्णा है।।

◈◈



# বাৰ্ষিক প্ৰতিযোগিতাৰ ফলাফল ঃ খেল (বহিঃ) বিভাগ

## Games (Outdoor)

1. 100 Metre Race (Boys)
   - 1st - Elias Ali, H.S. 2nd year
   - 2nd - Nurbokto Ali, B.A. 1st Sem.
   - 3rd - Jahangir Alam, B.A. 1st Sem.
2. 100 Metre Race (Girls)
   - 1st - Shehnez Sultana Begum, B.A. 4th Sem.
   - 2nd - Gulbanu Begum, H.S. 1st year
   - 3rd - Mumtaz Begum, H.S. 1st year
     Jahangir Alom, B.A. 1st sem.
3. 400 Metre Race (Boys)
   - 1st - Nurboktor Ali, B.A. 1st Semester
   - 2nd - Elias Ali, H.S. 2nd year
   - 3rd - Siddique Ali, H.S. 2nd year
4. 400 Metre Race (Girls)
   - 1st - Gulbanu Begum, H.S. 1st year
   - 2nd - Asmina Khatun, H.S. 1st year
   - 3rd - Anisa Begum, H.S. 2nd year
5. 400 Metre Relay Race (Boys) Champion Group
   - Elias Ali, H.S. 2nd year
   - Siddique Ali, H.S. 2nd year
   - Safiqul Islam, B.A 4th sem.
   - Nurboktor Ali, B.A. 1st Semester
6. 400 Metre Relay Race (Girls) Champion Grour
   - Asmina Khatun, H.S. 2nd year
   - Mumtaz Begum, H.S. 1st year
   - Halima Begum, H.S. 1st year
   - Halima Khatun, H.S 1st year
7. Jeveline Throw (Boys)
   - 1st - Rajib Chandra Shil, H.S. 1st year
   - 2nd - Nasirul Hoque, B.A. 1st Semester
   - 3rd - Afazuddin Ahmed, H.S. 2nd year
8. Jeveline Throw (Girls)
   - 1st - Anisha Begum, H.S. 2nd year
   - 2nd - Iharna Begum, B.A. 4th Semester
   - 3rd - Salma Khatun, B.A. 1st Semester
9. Weight Throw (Boys)
   - 1st - Nasirul Hoque, B.A. 1st Semester
   - 2nd - Rajib Chandra Shil, H.S. 1st year
   - 3rd - Rejaul Hoque, B.A. 1st Semester
10. Weight Throw (Girls)
    - 1st - Anisha Begum, H.S. 2nd year
    - 2nd - Murshida Parbin, B.A. 4th Semester
    - 3rd - Iftika Jahan, H.S. 1st year
11. Discus Throw (Boys)
    - 1st - Nasirul Hoque, B.A. 1st Semester
    - 2nd - Rajib Chandra Shil, H.S. 1st year
    - 3rd - Abdul Motin, H.S. 2nd year
12. Discus Throw (Girls)
    - 1st - Mazeda Begum, B.A. 4th Semester
    - 2nd - Mosina Rizuan, H.S. 1st year
    - 3rd - Murshida Parbin, B.A. 4th Semester
13. High Jump (Boys)
    - 1st - Jahangir Alam, B.A. 1st Semester
    - 2nd - Saiful Islam, B. Com 1st Semester
    - 3rd - Elias Ali, H.S. 2nd year
14. Tyg of war (Boys) Champion
    1. Enamul Mazid, B.A. 4th Semester
    2. Adbul Qauyum, B.A. 4th Semester
    3. Safiqul Islam, B.A. 4th Semester

    Inamul Hoque, B.Com 4th Semester
    Sultana Ahmed, B.A. 4th Semester
    Khurshid Jahan Narullah Pramanik, B.A. 4th Sem.

    Runner up

    Jahangir Alam, B.A. 1st Semester
    Nasirul Islam, B.A. 1st Semester
    Riajul Hoque, B.A. 1st Semester
    Rajib Chandra Shil , H.S. 1st year
    Hamidur Rahman, B.A. 4th Semester
    Naushad Ali, B.Com 4th Semester

15. Tyg of war (Girls) Champion

Nasreen Akhtar Ahmed, B.A. 4th Semester
Khalida Yesmin, B.A. 4th Semester
Murshida Parbin, B.A. 4th Semester
Sahida Begum, B.A. 4th Semester
Sultana Rezia, B.A. 4th Semester
Mazeda Begum, B.A. 4th Semester

Runner up

Shenaz Sultana Begum, B.A. 4th Semester
Rabia Khatun, B.A. 1st Semester
Salma Khatun, B.A. 1st Semester
Muklisha Khatun, H.S. 1st year
Gulbanu Begum,H.S. 1st year
Nazima Yesmin, B.A. 4th Semester

16. Long Jump (Boys)

1st - Saiful Islam, B. Com 1st Semester
2nd - Nasirul Hoque, B.A. 1st Semester
3rd - Rejaul Hoque, B.A. 1st Semester

17. Long Jump (Girls)

1st - Sultana Khatun, B.A. 1st Semester
2nd - Tamzida Khatun, B.A. 1st Semester
3rd - Mazeda Begum, B.A. 4th Semester

18. Music Chair (Girls)

1st - Mohsina Rizuna, H.S. 1st year
2nd - Shehnez Sultana, B.A. 4th Semester
3rd - Sultana Khatun, B.A. 1st Semester

19. Marathan Race (Boys)

1st - Nurboktor Ali, B.A. 1st Semester
2nd - Sadiqur Rahman, B.A. 4th Semester

20. Cricket Champion B.A. 1st Semester

1. Hefzur Rahman
2. Sheikh Sabbir Sarkar
3. Shahbaz Imdad
4. Samsuddin Sarkar
5. Moniruz Jaman
6. Sahid Al Masud
7. Abdul Awal
8. Jahang Alom
9. Kamal Hussain
10. Omar Faruk
11. Firuj Ahmed
12. Mustafizur Rahman
13. Habez Ali
14. Riaz Ashik Muzaumd

Runners up, B.A. 4th Semster

1. Abdul Quayum
2. Abdullah Al Manun
3. Din Islam Oliuallah Pramanik
4. Washim Nawaz
5. Khurshid Jahan Nurullah Pramanik
6. Anower Islam
7. Hafizur Rahman
8. Miraj Khan
9. Junab ALi
10. Enamul Hoque
11. Sultan Ahmed
12. Amir Hussain
13. Enamul Mazid
14. Mrinal Hoque

21. Volley Ball (Boys) Champion B.A. 4th Semester

1. Sultan Ahmed
2. Din Islam Oli wallah Pramanik
3. Khurshid Jahan Nurullah Pramanik
4. Sofiqul Islam
5. Abdul Qayum
6. Enamul Mazid
7. Saddam Ahmed
8. Selim Akhter

Runner up, B.A. 1st Semster

1. Hefzur Rahman
2. Nasirul Hoque
3. Samsuddin Sarkar
4. Jahirul Khalifa
5. Inamul Hoque
6. Shaleh Ahmed
7. Sheik Sabbir Sarkar
8. Bonis Israil Hussain



22. Foot Ball Champion B.A. 4th Semester

1. Abdul Quium
2. Din Islam Oli ullah Pramanik
3. Sultan Ahmed
4. Khurshid Jahan Nurullah Pramanik
5. Inamul Hoque
6. Abdullah Al Mamun
7. Safiqul Islam
8. Anowar Hussain
9. Selim Akhter
10. Amir Hussain
11. Akhter Hussain
12. Saddam Hussain
13. Enamul Mazid
14. Saddam Hussain

**Runners up, B.A. 1st Semster**

1. Hefzur Rahman
2. Bonis Israil
3. Jakir Hussain
4. Shahjahan Ali
5. Asar Ali
6. Nasirul Hoque
7. Alauddin Ahmed
8. Shaleh Ahmed
9. Inamul Hoque
10. Samsuddin Sarkar
11. Nasirulddin Ahmed
12. Sheik Sabbir Sarkar
13. Rahim Badsha
14. Mohidul Islam

23. Blind Hit

1st - Saddam Hussain, B.A. 1st Semester

24. Punja (Boys)

1st - Nasirul Hoque, B.A. 1st Semester
2nd - Safiqul Islam, B.A. 4th Semester

25. Punja (Girls)

1st - Mazeda Khatun, B.A. 4th Semester
2nd - Sultana Rezia, B.A. 4th Semester

26. Carrom (Boys)

1st - Alauddin Ahmed, B.Com 1st Semester
2nd - Sultan Ahmed, B.A. 4th Semester
3rd - Nasirul Hoque, B.A. 1st Semester

27. Carrom (Girls)

1st - Iftika Jahan, H.S. 1st year
2nd - Rabia Khatun B.A. 1st Semester
3rd - Marzina Begum, B.A. 1st Semester

28. Chess (Boys)

Champion - Rafiqul Islam, H.S. 2nd year
Runner up - Saiful Islam, B.Com 1st year

29. Chess (Girls)

Champion - Mukhlisa Begum, H.S. 1st year
Runner up - Manju Nath, B.A. 1st Semester

30. Ring Throw (Girls)

1st - Murshida Parbin, B.A. 4th Semester
2nd - Rabia Khatun, B.A. 1st Semester
3nd - Morzina Begum, H.S. 1st year

31. Badminton (Girls)

Champion- Sheik Ashrafun Nahar, B.A. 4th Semester
Runner up - Akhtara Alom, B.A. 4th Semester

32. Badminton (Boys)

Champion- Abdullah Al Mamun, B.A. 4th Semester
Runner up- Sheik Sabbir Sarkar, B.A. 1st Semester

33. Go as you like.

1st - Hazrat Ali, H.S. 1st year
- Mumtaz Begum, H.S. 1st year
- Hasina Khatun, H.S. 1st year
2nd - Nasirul Hoque, B.A. 1st Semester
- Saleh Ahmed, B.Com 1st Semester
- Nowshad Ali, B.Com 4th Semester
3rd - Tamjida Begum, B.A. 1st Semester

34. Best Player of the College week -

Boys - Nasirul Islam, B.A. 1st Semester
Girls - Mazeda Begum, B.A. 4th Semester

35. Best Cricket Player

* - Hefzur Rahman

36. Best Fool Ball Player

* - Din Islam Oli ullah Pramanik

37. Best Volley Ball Player

* - Selim Akhter

***

## ছাত্ৰ একতা সভাৰ সম্পাদকীয় প্ৰতিবেদন—

### সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



বাৰ্ষিক প্ৰতিবেদনৰ আৰম্ভণিতে পৰম কৰুণাময় আল্লাহৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যিসকল মহান ব্যক্তিৰ সাধনাৰ ফলত খাৰুপেটীয়া মহাবিদ্যালয় নামেৰে নামাকৰণ কৰি এখন আটকধুনীয়া মহাবিদ্যালয় স্থাপন কৰিছিল সেইসকল মহান ব্যক্তিলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা ও শলাগ যাচিছোঁ। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীলৈও মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

**এবছৰীয়া কাৰ্য বিৱৰণীঃ**

১। মই সাধাৰণ সম্পাদক হিচাপে ৯/১১/১২ তাৰিখে শপত বাক্য পাঠ কৰিয়েই প্ৰথম পদক্ষেপ হিচাপে ২৫/১/২০১৩ তাৰিখে 'ফাতেহা-ই-দোৱাজ দহম' উৎসৱ উদ্‌যাপন কৰিছিলো ছাত্ৰ একতা সভাৰ সহযোগিতাত আৰু লগতে সাধাৰণ সভা গঠন কৰা হয়।

২। দ্বিতীয় পদক্ষেপ হিচাপে পাঁচ দিনীয়া কাৰ্যসূচীৰে ২৯/০১/২০১৩ তাৰিখৰ পৰা ০২/০২/২০১৩ লৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহত বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি কাৰ্যসূচী সমূহ সুকলমে যৱনিকা পেলায়। মহাবিদ্যালয় সপ্তাহৰ অন্তিম কাৰ্যসূচী সাংস্কৃতিক অনুষ্ঠানত অসমৰ বিশিষ্ট কৌতুক অভিনেতা বিপুল ৰাভাৰ লগতে হুমায়ুন কবিৰ উপস্থিত থাকে।

৩। প্ৰত্যেক বছৰৰ দৰে মোৰ কাৰ্যকালৰ সময়ছোৱাত সৰস্বতী পূজা উদ্‌যাপন কৰা হয় মহাবিদ্যালয়ৰ সাধাৰণ সভাত গঠন কৰা অভ্যৰ্থনা সমিতিৰ সহযোগত। প্ৰীতি ভোজনেৰে পূজাৰ কাৰ্যসূচী সমাপন কৰা হয়।

৪। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এখনি নোটিছ বৰ্ড ডাঙৰকৈ বনোৱা হয়।

৫। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ কেন্টিন মেৰামতি আৰু লগতে এটা ৰুম বনোৱা হয়।

৬। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ অডিটৰিয়াম হলৰ কাম আৰম্ভ কৰা হয়।

৭। মোৰ কাৰ্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ সক্ৰিয় প্ৰচেষ্টাত সপ্তম সংখ্যা আলোচনীখন প্ৰকাশত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী ও বিষয়ববীয়াৰ মনোবাঞ্ছা পূৰ্ণ হয়।

৮। যোৱা ইং ১২-০৯-২০১৩ তাৰিখে আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ত নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাৰোহেৰে এক বৰ্ণাঢ্য পৰিবেশত সভাখনৰ পৰিসমাপ্তি ঘটে। উক্ত সভাৰ দিনা মুকলি সভাৰ সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱে। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ মাননীয় মীন, তথ্য আৰু মুদ্ৰণ মন্ত্ৰী শ্ৰীযুত বসন্ত দাস দেৱ। লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে খাৰুপেটীয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সভাপতি মহঃ আব্দুল মজিদ চাহেবে।

**কৃতজ্ঞতা স্বীকাৰঃ**

যোৱা ইং ২৫-১০-২০১২ তাৰিখে খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বাচনি কৰি দি ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গধুৰ দায়িত্ব অৰ্পন কৰাত যিসকল ব্যক্তিয়ে সহায় কৰিছিল সেইসকল ব্যক্তিক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। এই গুৰু



দায়িত্ব পৰিচালনা কৰাৰ ক্ষেত্ৰত মোক অতি সুন্দৰ পৰামৰ্শ দিয়াৰ ক্ষেত্ৰত, ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি মঃ জালালউদ্দিন আহমেদ, মঃ আব্দুৰ ৰহমান ছাৰ, মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰ, আব্দুল আওৱাল ছাৰ, আমজাদ হুছাইন মজুমদাৰ ছাৰ, দীপক কলিতা ছাৰ, আব্দুল কৰিম ছাৰ, কনকলতা শইকীয়া বাইদেউ, ভূপেন্দ্ৰ নাথ বৰা ছাৰ, আব্দুল হান্নান ছাৰ, নুৰুল ইছলাম ছাৰ উপৰোক্ত শিক্ষাগুৰু সকলৰ ওচৰত শিৰণত কৰি আশীৰ্বাদ বিচাৰি মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী, উচ্চ আৰু নিম্ন বৰ্গৰ সহায়ক সকললৈ মোৰ হিয়া ভৰা অভিনন্দন ও শ্ৰদ্ধা যাচিলোঁ।

সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু) দৰং জিলা সমিতিৰ সমূহ বিষয়ববীয়া বিশেষকৈ মঃ ছাইফুল ইছলাম (ভি.পি দৰং) ৰফিকুল ইছলাম (ভি.পি দৰং), প্ৰাক্তন সভাপতি দৰং জিলা সমিতি, মঃ মহিৰুদ্দিন আহমেদ দা আৰু মঃ শেখ নেছাৰ আহমেদ। তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আমছু জিন্দাবাদ
জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

**মঃ ছোলেমান হক**
**সাধাৰণ সম্পাদক**
**ছাত্ৰ একতা সভা, খাৰুপেটীয়া মহাবিদ্যালয়**

### ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ বাৰ্ষিক প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে পৰম কৰুণাময় আল্লাহ পাকৰ নাম স্মৰণ কৰি মই মোৰ বছৰেকীয়া প্ৰতিবেদন লেখনিৰ পাতনি মেলিলো। প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল জাতীয় বীৰ দেশৰ স্বাৰ্থৰ বাবে নিজৰ প্ৰাণ আহুতি দিলে সেইসকল দেশপ্ৰেমিকৰ লগতে যিসকল প্ৰয়াত আৰু জীৱিত ব্যক্তিয়ে এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খন গঢ় দিলে সেইসকল মহান ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন যোগে মোক উপসভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদবীত নিৰ্বাচন কৰি দি ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়লৈ সেৱা কৰাৰ সুবিধা দিয়াত তেখেত সকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইং ২০/১০/২০১২ তাৰিখত হোৱা নিৰ্বাচনীৰ আনুষ্ঠানিক ফলাফলৰ পিছত ইং ১/১১/২০১২ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱৰ সভাপতিত্বত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত সভাৰ অন্যান্য বিষয়ববীয়াৰ সতে ময়ো শপত বাক্য পাঠ কৰোঁ।

**উদ্‌যাপিত অনুষ্ঠান ঃ**

১। খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰত্যেক বছৰৰ দৰে এইবেলিও ইং ২৭/১/১৩ তাৰিখৰ পৰা ইং ০২/০২/১৩ তাৰিখলৈ এক সপ্তাহ সময় মহাবিদ্যালয়ৰ সপ্তাহ হিচাপে বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভা দেখুৱায়। এই প্ৰতিযোগিতা সমূহত স্থান পোৱা ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত অতিথি সকলৰ দ্বাৰা পুৰস্কৃত কৰা হয়।

২। অইন বছৰৰ দৰে এইবেলিও খাৰুপেটীয়া মহাবিদ্যালয়ত সৰস্বতী পূজা আৰু ফাতিহা-ই-দোৱাজ দহম ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কৰ্মচাৰী আৰু শিক্ষক সকলক লগত লৈ উলহ মালহেৰে উদ্‌যাপন কৰোঁ। উক্ত অনুষ্ঠান দুটিত লঘু আহাৰ বিতৰণৰ জৰিয়তে সফল সামৰণি পৰে।

৩। ইং ১২/০৯/২০১৩ তাৰিখে এই বৰ্ষৰ নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাৰোহেৰে এক বৰ্ণাঢ্য পৰিবেশৰ এই সভাখনি আনন্দমুখৰ হৈ পৰিছিল। মুকলি সভাৰ সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱে। মুকলি সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰে শ্ৰীযুত বসন্ত কুমাৰ দাস (মীন, তথ্য আৰু জনসংযোগ আৰু মুদ্ৰণ মন্ত্ৰী, অসম চৰকাৰ), বিশিষ্ট অতিথি শ্ৰীযুত পুষ্পধৰ শৰ্মা (সাহিত্য একাডেমী বঁটা বিজয়ী), মহঃ আব্দুল মজিদ, সভাপতি, খাৰুপেটীয়া মহাবিদ্যালয় পৰিচালনা

সমিতি। উক্ত সভাত মাননীয় মীন মন্ত্ৰী দেৱে খাৰুপেটীয়া মহাবিদ্যালয়ৰ নানা সমস্যাৰ বুজ লয়।

**মোৰ কাৰ্যকালত হোৱা কামবোৰ ঃ**

১। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এখন নোটিছ বৰ্ড ডাঙৰকৈ বনোৱা হয়।

২। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ কেন্টিন মেৰামতি আৰু লগতে এটা নতুন ৰুম বনোৱা হয়।

৩। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ অডিটৰিয়াম হলৰ কাম আৰম্ভ কৰা হয়।

৪। মোৰ কাৰ্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ সংক্ৰীয় প্ৰচেষ্টাত সপ্তম সংখ্যক আলোচনীখন প্ৰকাশত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বিষয়ববীয়াৰ মনোবাঞ্ছা পূৰ্ণ হয়।

**মহাবিদ্যালয়ে কৰিবলগীয়া ঃ**

১। মহাবিদ্যালয়ত কম্পিউটাৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

২। বৰ্ধিত ছাত্ৰ-ছাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাৰ ব্যৱস্থা কৰিব লাগে।

৩। মহাবিদ্যালয়ৰ স্কাউট আৰু গাইডৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে প্ৰতি বছৰে মাচুল আদায় দিয়ে কিন্তু এতিয়ালৈকে স্কাউট আৰু গাইডৰ কোনো সা-সুবিধা নথকাৰ বাবে মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰী কিছুমান সা-সুবিধাৰ পৰা বঞ্চিত হয়। মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যাতে উক্ত বিষয় দুটাৰ ওপৰত গুৰুত্ব দিয়ে।

৪। মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সংলগ্ন শৌচাগাৰ, প্ৰসাৰগাৰ আৰু পানীৰ ব্যৱস্থাৰ প্ৰয়োজন। গতিকে ইয়াৰ ব্যৱস্থা কৰি দিয়ে যেন।

**সামৰণি ঃ**

মোৰ কাৰ্যকালত বিভিন্ন দিশৰ পৰা বহুমূলীয়া পৰামৰ্শ আৰু সহযোগ কৰাৰ ভিতৰত প্ৰথমেই মাননীয় অধ্যক্ষ মহোদয়ৰ নাম লব লাগিব। লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলক আন্তৰিক শ্ৰদ্ধা যাচিলো। ইয়াৰ উপৰিও ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয়ববীয়া, মোৰ সহযোগী বন্ধু-বান্ধৱী সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। লগতে দৰং জিলাৰ এন,এছ,ইউ, আইৰ বিষয়ববীয়া সকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত আলোচনী সম্পাদক মাজিদুল হক তথা সম্পাদনাৰ সতে জড়িত প্ৰত্যেক ব্যক্তিক ধন্যবাদ জ্ঞাপন কৰি মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ ক্ষমা মাৰ্জনা বিচাৰি এই মহান অনুষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনখন সামৰণি মাৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

**মঃ ছাহ ছাদিক আহমেদ**
**উপ-সভাপতি ছাত্ৰ একতা সভা**

# ক্ৰীড়া (বহিঃ) বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে পৰম কৰুণাময় সৃষ্টিকৰ্তালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আন্তৰিক শুভেচ্ছাৰে মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিলো।

২০১২-১৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ খেল বহিঃবিভাগ সম্পাদক হিচাপে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচিত কৰাত তেওঁলোকলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আজিৰ আধুনিক যুগত কেৱল পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰি আমি আগবঢ়াৰ লগতে খেল-ধেমালিকো প্ৰাধান্য দিয়া প্ৰয়োজন। বৰ্তমান প্ৰতিযোগিতামূলক সমাজত পাঠ্যক্ৰমৰ শিক্ষাই যে মানুহক চিনাকি কৰি দিব পাৰে অকল সেয়াই নহয়। বৰ্তমান সমাজ ব্যৱস্থাত এজন সাহিত্যিক, বৈজ্ঞানিক আদিৰ দৰে এজন ভাল খেলুৱৈৰো গুণ-গৰিমা, সন্মান, পৰিচয় আদি সমানে দেখা যায়।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ত ২০১৩ চনৰ ২৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ প্ৰতিটো খেলতেই বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে মই সমূহ প্ৰতিযোগীলৈ আন্তৰিক ধন্যবাদ জনাইছো।

বঁটা বিতৰণী সভাত অন্যান্য সন্মানীয় অতিথিৰ লগতে অসমৰ জনপ্ৰিয় কৌতুক অভিনেতা বিপুল ৰাভাই কৌতুক অভিনয় কৰে, সেই সভাত তেওঁ অভিনয় কৰা সময়ত এটি ভাষা কৈছিল- 'চিকলে মেপো' ইয়াৰ অৰ্থ সিওঁ নাজানে, অইন কোনোৱেই নাজানে। তেওঁ আমাৰ মহাবিদ্যালয়ত আমন্ত্ৰিত শিল্পী হিচাপে অহাৰ কাৰণে তেওঁক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়াৰ ভিতৰত বহিঃ বিভাগৰ খেল সমূহৰ ভিতৰত ল'ৰা শাখাত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে মঃ নাছিৰুল ইছলাম আৰু ছোৱালী শাখাত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে মিছ মাজেদা বেগম।

মহাবিদ্যালয় সপ্তাহৰ মাত্ৰ ৫ দিন সময় দিয়াৰ বাবে সময়ৰ নাটনিত ল'ৰা-ছোৱালী বিলাকে খেল-ধেমালিৰ মজিয়াত তেওঁলোকে নিজৰ প্ৰতিভা সম্পূৰ্ণৰূপে প্ৰধান কৰিব নোৱাৰে। গতিকে অধ্যক্ষ মহোদয়ক অনুৰোধ জনাওঁ যে, আমাৰ মহাবিদ্যালয় সপ্তাহৰ সময় অলপ বঢ়ায় দি ছাত্ৰ-ছাত্ৰীসকলক খেল-ধেমালিৰ পূৰ্ণ সুবিধা কৰি দিয়ে।

২০১২-১৩ বৰ্ষতে "Red Horn" ৰ উদ্যোগত এখনি Inter College Football খেল প্ৰতিযোগিতা ওদালগুৰিত অনুষ্ঠিত। উক্ত খেলত আমাৰ মহাবিদ্যালয়ৰ ফুটবল দলে যোগদান কৰি উন্নত খেল প্ৰদৰ্শন কৰি আনে। চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰি আনে।

মোৰ কাৰ্যকালত প্ৰতিটো খোজতে দিহা-পৰামৰ্শ সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱ আৰু খেল বহিঃ বিভাগৰ তত্বাৱধায়ক মাননীয় মহঃ আব্দুল কৰিম ছাৰে বিভিন্ন দিশৰ পৰা সৎ পৰামৰ্শ আগবঢ়োৱা বাবে তেখেত সকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলক আন্তৰিক শ্ৰদ্ধা যাঁচিছো। ইয়াৰ বাহিৰেও ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয়ববীয়াক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত বহুতো বন্ধু-বান্ধৱীয়ে মোৰ লগত থাকি বিভিন্ন ধৰণৰ সু-পৰামৰ্শ ও সহযোগিতা কৰাত তেওঁলোককৈ মোৰ আন্তৰিক অভিনন্দন যাঁচিছো।

সদৌ শেষত বাৰ্ষিক প্ৰতিবেদনৰ বিদায় মুহূৰ্তত আলোচনী সম্পাদক মঃ মজিদুল হক আৰু সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিলো।লগতে মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ত ক্ৰীড়া বিভাগৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ হিয়াভৰা শুভেচ্ছা যাঁচি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু খাৰুপেটীয়া মহাবিদ্যালয়'
'জয়তু ছাত্ৰ একতা সভা'
'জয় আই অসম'

— সেৱাৰে
**মহঃ হিফজুৰ ৰহমান**
**সম্পাদক, খেল (বহিঃ) বিভাগ**

# ক্ৰীড়া (অন্তঃ) বিভাগ



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে আমাক স্বাধীন দেশৰ নাগৰিক হিচাপে পৰিচয় দিয়াবলৈ সক্ষম হোৱা পুণ্যত্মা সকললৈ মোৰ সহস্ৰ প্ৰণাম নিবেদিছোঁ। যি সকল প্ৰয়াত আৰু জীৱিত ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত দৰং জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰূপে চিহ্নিত খাৰুপেটীয়াত এই মহান অনুষ্ঠানটি গঢ়ি উঠিছে সেই সকললৈ সহস্ৰ প্ৰণিপাত যাঁছিলো।

২০১২-১৩ চনৰ খাৰুপেটীয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভালৈ খেলৰ আন্তঃবিভাগত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচিত কৰি এই মহাবিদ্যালয়ৰ কাম কৰাৰ সুযোগ প্ৰদান কৰিলে তেওঁলোকলৈ এই চেগতে পৰম কৰুণাময় আল্লাহৰ নামত ০৯-১২-২০১২ তাৰিখে শপত লৈ কাৰ্যভাৰ গ্ৰহণ কৰিছিলো।

খেল শিক্ষাৰ এটা অবিচ্ছেদ্য অংগ। সমাজ এখন সঠিক দিশত আগবাঢ়ি যাবলৈ যেনেদৰে শিক্ষাৰ প্ৰয়োজন ঠিক তেনেদৰে শিক্ষাক সঠিক দিশত আগুৱাই নিবলৈও খেল-ধেমালিৰ প্ৰয়োজন। ইয়াৰ উপৰিও খেল-ধেমালিয়ে শৰীৰৰ উৎকৰ্ষ সাধন

কৰে। আজিৰ এই বৈজ্ঞানিক যুগত আমি কেৱল পুথিগত বিদ্যাৰ জৰিয়তে সমাজত আগবাঢ়ি যাব নোৱাৰি। এজন ভাল চাকৰিয়াল বা বৈজ্ঞানিকৰ লগতে ভাল খেলুৱৈ এজনো সমাজৰ সন্মানীয় ব্যক্তিৰ ফালৰ পৰা কোনো গুণেই কম নহয়।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই ইং ২৯-১২-২০১২ তাৰিখৰ পৰা ০২-০১-২০১৩ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহত আন্তঃ খেল বিভাগৰ খেল সমূহ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগতে মোৰ বিভাগীয় তত্বাৱধায়ক আমজাদ হুছেইন মজুমদাৰ ছাৰৰ লগতে ময়ো পৰিচালনা কৰোঁ। ইয়াৰ উপৰিও আন বিভাগৰ বিভাগীয় তত্বাৱধায়ক আৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱৰ ছাৰে পূৰ্ণ সহযোগিতা আগবঢ়ায়।

ইং ০২-০১-২০১৩ তাৰিখত অনুষ্ঠিত মুকলি সভাত খেলৰ পুৰস্কাৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত অতিথিৰ দ্বাৰা বিতৰণ কৰা হয়।

মোৰ কাৰ্যকালত সকলো সময়ৰে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱ ছাৰ, মোৰ বিভাগীয় তত্বাৱধায়ক মাননীয় আমজাদ হুছেইন মজুমদাৰ ছাৰ আৰু ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি মাননীয় মঃ জালাল উদ্দিন আহমেদ ছাৰ আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা জ্ঞাপন কৰিলো। ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, বিভাগীয় তত্বাৱধায়ক আৰু সকলো বন্ধু-বান্ধৱীৰ ভিতৰত আকতাৰ হুছেইন, তালেব আলী হেবজুৰ ৰহমান, খালিদা, জেছমিন পাৰবিন জামিৰ উদ্দিন, মিতামুৰ হুছেইন, মেহেদি আলম বৰা, খানম আদিলৈও ধন্যবাদ জ্ঞাপন কৰিলো।

আমাৰ মহাবিদ্যালয়খন বিভিন্ন অভাৱ-অভিযোগ আৰু ঘাত-প্ৰতিঘাতৰ মাজেৰে জাতি-ধৰ্ম ভাষা নিৰ্বিশেষে গঢ় লৈ উঠা এটা উচ্চ শিক্ষানুষ্ঠান আৰু ইয়াত কিছুমান অভাৱ থকা স্বাভাৱিক। যেনেঃ খেলপথাৰ বিলাকত খেলৰ বাবে অৱস্থা ইমান ভাল নহয় আৰু ক্ৰীড়া সামগ্ৰীৰ সংখ্যাও সীমিত আছিল। তাৰ মাজেৰে আমি বহুতো খেল প্ৰতিযোগিতা পাতিছিলো। তথাপিতো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নানা অভাৱৰ মাজেৰে ভাল পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই যাতে ক্ৰীড়া সম্পৰ্কীয় অভাৱবোৰ সোনকালে দূৰ কৰে তাকে কামনা কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ খেল আন্তঃবিভাগৰ তথা মহাবিদ্যালয়ৰ ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু খাৰুপেটীয়া মহাবিদ্যালয়'
'জয়তু ছাত্ৰ একতা সভা'
'জয় আই অসম'

— শ্ৰদ্ধা আৰু সেৱাৰে
মঃ মফিদুৰ ৰহমান
সম্পাদক, খেল (অন্তঃ) বিভাগ

# সাংস্কৃতিক বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি বিগত দিন সমূহ জাতীয় স্বকীয়তা ৰক্ষাৰ বাবে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। মোৰ প্ৰিয় বন্ধু-বান্ধৱী সকলৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰাৰ উপৰিও যি সকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই খাৰুপেটীয়া মহাবিদ্যালয়ত ২০১২-১৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে মনোনীত হৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সেৱাত যি মহান সুযোগ লাভ কৰিলো সেই সকলক মই হিয়াভৰা ধন্যবাদ জনাই মই মোৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদনৰ পাতনি মেলিলো। বিগত নিৰ্বাচনত ১৯-১০-২০১২ তাৰিখে মোক সাংস্কৃতিক সম্পাদকৰ পদত মনোনীত কৰা হৈছিল আৰু যোৱা ০৯-১১-২০১৩ তাৰিখে শপত বাক্য পাঠ কৰাই অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱে মোৰ হাতত অৰ্পণ কৰিছিল এক গুৰুত্বপূৰ্ণ দায়িত্ব। ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ তত্বাৱধায়কৰ পৰা বহুতো ধৰণৰ সু-পৰামৰ্শ পাইছো। তেওঁলোক বহু ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াইছে। লগতে শিক্ষাগুৰু সকলৰ পৰাও সদায় সু-পৰামৰ্শ পাইছো। কলা আৰু জীৱন গভীৰভাৱে সংপৃক্ত। জীৱনৰ অসহায়তা, অক্ষমতা কিম্বা আশাৰ পূৰ্ণ প্ৰকাশ ঘটে কলাৰ মাজেৰে। সংগীত এবিধ শ্ৰৱণীয় কলা। আপাতত কলা আৰু জীৱন গভীৰ ভাৱে একাত্ম যেন বোধ হ'লেও মূলতঃ কলা আৰু জীৱনৰ মাজত এডাল নেদেখা সীমাৰেখা বিৰাজমান।

"গীতম বাদ্যম তথা নৃত্যম এয়ম, সংগীত মূচ্যতে" অৰ্থাৎ গীত বাদ্য আৰু নৃত্য তিনিও কলাৰ এক সংমিশ্ৰিত ৰূপকে সংগীত বুলি কোৱা হয়। মহাবিদ্যালয়ত পৰাম্পৰাগতভাৱে চলি অহা মহাবিদ্যালয় সপ্তাহ যোৱা ইংৰাজী ২৭-০১-২০১৩ তাৰিখৰ পৰা ইং ০২-০২-২০১৩ তাৰিখলৈ অনুষ্ঠিত হয়। উক্ত মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। বিশেষকৈ সংগীতৰ প্ৰতিযোগিতাত কেৰাত, জিকিৰ, গজল, আধুনিক গীত, লোকগীত, জ্যোতি সংগীত, বিষ্ণুৰাভা সংগীত ভূপেন হাজৰিকাৰ, গীত, বিহুগীত, আধুনিক নৃত্য আদি সুচাৰুৰূপে সম্পন্ন হয়। ০২-০২-২০১৩ তাৰিখে এখন সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত গুৱাহাটীৰ পৰা আমন্ত্ৰণ কৰি অনা বিশিষ্ট কৌতুক অভিনেতা বিপুল ৰাভা আৰু হুমায়ুন কবিৰে বিভিন্ন ধৰণৰ গীত-মাত, কৌতুক আদি পৰিবেশন কৰি সকলোকে আপ্লুত কৰে আৰু আনন্দপূৰ্ণ এই অনুষ্ঠানৰ সন্ধিয়া ৬ বজাত অন্ত পৰে।

মই অতিকৈ গৌৰৱ অনুভৱ কৰোঁ যে, খাৰুপেটীয়া মহাবিদ্যালয়ত এই বাৰ প্ৰতিটো প্ৰতিযোগিতাৰ প্ৰতিযোগীৰ সংখ্যা তুলনামূলক ভাৱে বেছি হৈছিল। এয়া শুভ লক্ষণ। সাংস্কৃতিক প্ৰতিযোগিতা সমূহ মই চলাই অহা অৱস্থাত অনুষ্ঠানৰ অনুভৱৰ বিষয়ে মই মোৰ মনৰ কথা ব্যক্ত কৰি থৈ বিভীষিকা, অস্থিৰতাৰ মাজতো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সুন্দৰৰ আৰাধনাত ব্ৰতী হৈছে। মই ভাবো এই কথাটোৰেই পৰম আনন্দৰ। মই কামনা কৰোঁ ছাত্ৰ-ছাত্ৰী সকলৰ এই সাধনা জীৱন যোৱা হওঁক আৰু এই অনুষ্ঠানবোৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সদায় প্ৰেৰণা হৈ ৰ'ব।

সংস্কৃতি অবিহনে এটা জাতিৰ অস্তিত্ব নিৰূপণ কৰা সম্ভৱ নহয়। সংগীতে মানুহক দিব পাৰে এক অনাবিল আনন্দ জীয়াই থকাৰ প্ৰেৰণা। এটি শিশু জন্মৰ পিছৰ পৰাই মাতৃয়ে নিচুকোৱা গীত শুনি শুনি এটা সময়ত নিদ্ৰাত ঢলি পৰে। অৰ্থাৎ শিশু মনেও সংগীতৰ এই মাধুৰ্যতাক উপলব্ধি কৰিব শিকে এয়া সংগীতৰ এক মায়া। খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সংগীত সাধনাত ব্ৰতী হৈ থকাটো মই সদায় কামনা কৰোঁ।

০৪-০২-২০১৩ তাৰিখে সৰস্বতী পূজা পালন কৰা হয় তাৰ লগতে সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হয়। এই অনুষ্ঠানত বিভিন্ন ধৰণৰ গীত-মাত, নৃত্য অভিনয় কৰা হয়।

১৬-০৫-২০১৩ তাৰিখত মোৰ কাৰ্যকালত সাংস্কৃতিক বিভাগীয় যিবোৰ বাদ্য যন্ত্ৰ আছিল সেইবিলাক সুৰক্ষিত কৰি ৰাখিবৰ বাবে এটা ডাঙৰ আলমাৰী বনোৱা হয়। লগতে পুৰণি বাদ্য যন্ত্ৰ বিলাক নতুনকৈ মেৰামতি কৰা হয়।

যোৱা ইং ১২-০৯-২০১৩ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। ৰাতিপুৱা ৮-৪৫ বজাত আমাৰ মহাবিদ্যালয়ত পতাকা উত্তোলন কৰা হয়। ১০ বজাৰ পৰা নৱাগত ছাত্ৰ-ছাত্ৰীৰ চা-চিনাকী আৰু মিলনপৰ্ব অনুষ্ঠিত কৰা হয়, মুকলি সভা শেষ হোৱাৰ লগে লগে ২-০০ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয়। আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে উলহ মালহেৰে বিভিন্ন ধৰণৰ গীত-মাত পৰিবেশন কৰে। তাৰ লগে লগে মঞ্চত বিশেষ আকৰ্ষণীয় একাংকিকা নাটক আৰম্ভ কৰা হয়। নাটক শেষ হোৱাৰ লগে লগে সন্ধিয়া ৬ বজাত সাংস্কৃতিক অনুষ্ঠানৰ অন্ত পৰে।

মোৰ কাৰ্যকালত প্ৰতিটো খোজতে মোক অনুপ্ৰাণিত কৰা সংগীত আৰু সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ শ্ৰীজীৱেন্দ্ৰ মোহনদেৱ শৰ্মা ছাৰলৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি জালাল উদ্দিন আহমেদ, আমজাদ হুছেইন মজুমদাৰ, আব্দুল কৰিম ছাৰ, কনকলতা শইকীয়া বাইদেউ আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা জ্ঞাপন কৰিলো। ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু বিভাগীয় তত্বাৱধায়ক বন্ধু-বান্ধৱীৰ মোক সকলো দিশতে সহযোগ আগবঢ়োৱা কেইজন হ'ল - মঃ আবু ছাহেদ (স্নাতক তৃতীয় বৰ্ষ), মঃ আব্দুল

হালিম (স্নাতক তৃতীয় বৰ্ষ), মঃ ৰফিকুল ইছলাম (স্নাতক তৃতীয় বৰ্ষ), মঃ আমিনুল হক (স্নাতক তৃতীয় বৰ্ষ), মঃ আকলিমা ইয়াছমিন (স্নাতক তৃতীয় বৰ্ষ), মিৰজিনা বেগম (স্নাতক তৃতীয় বৰ্ষ), ফৰিদা বেগম (স্নাতক দ্বিতীয় বৰ্ষ), মঃ আছান আলী আহমেদ (স্নাতক তৃতীয় বৰ্ষ) আৰু খাৰুপেটীয়া মহাবিদ্যালয়ৰ মোৰ শুভকাঙ্খী সকলৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ বাৰ্ষিক প্ৰতিবেদনৰ সামৰণিত আলোচনী সম্পাদক মঃ মজিদুল হক আৰু সম্পাদনা সমিতিৰ সমূহ সদস্য তথা বিষয়ববীয়ালৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী সকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও শুভেচ্ছা জ্ঞাপন কৰিলোঁ। লগতে মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ত সংগীত তথা সু-সংস্কৃতিৰ এক জয়যাত্ৰা সদায় অব্যাহত থাকক এই আন্তৰিক কামনাৰে মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু খাৰুপেটীয়া মহাবিদ্যালয়'
'জয় আই অসম'

**মঃ আছান আলী আহমেদ**
**সম্পাদক,**
**সাংস্কৃতিক বিভাগ**

## ছাত্ৰ জিৰণী কোঠা বিভাগ



জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তালৈ মোৰ ভক্তি জ্ঞাপন কৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আন্তৰিক শুভেচ্ছাৰে মোৰ বছৰেকীয়া প্ৰতিবেদন আৰম্ভ কৰিলো। যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠা বিভাগৰ সম্পাদকৰ আসনত অধিষ্ঠিত কৰি এই মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ দিলে সেইসকল ছাত্ৰ-ছাত্ৰীক অশেষ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

২০১২-১৩ চনৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ পদত জয়লাভ হওঁ আৰু ২০১২ চনৰ ৯ তাৰিখে পৰম কৰুণাময় আল্লাহৰ নামত শপত লৈ মোৰ কাৰ্যভাৰ গ্ৰহণ কৰোঁ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠা সম্পাদনাৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। মই সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পিছতে ছাত্ৰ জিৰণী কোঠাৰ নানা সমস্যাৰ সন্মুখীন হওঁ। আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ত ছাত্ৰ জিৰণী কোঠাত আমাৰ এবছৰ কাৰ্যকালত এটা ছাত্ৰকো লগ পোৱা নাই। যি এটা ছাত্ৰ জিৰণী কোঠা আছে সেয়াও যথেষ্ট কম পৰিসৰৰ আৰু অনুপাতে পৰ্যাপ্ত নহয়।

আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠাৰ সা-সজুলিৰ বহুত অভাৱ আছে। তাৰে ভিতৰত আমি যিখিনি পূৰাব পাৰিছো। সেইখিনি পূৰায় দিছো বাকীখিনি পৰৱৰ্তী সম্পাদকে পূৰাব বুলি আশা ৰাখিলো।

মোৰ কাৰ্যকালত সততে দিহা পৰামৰ্শ দি কাৰ্য পৰিচালনাত সহায় কৰা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰ তথা ছাত্ৰ জিৰণী কোঠাৰ মাননীয় তত্বাৱধায়ক মঃ হবিবুৰ ৰহমান ছাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু তথা কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ সো-হাত স্বৰূপে সহায় আগবঢ়াইছিল সেইসকলৰ ভিতৰত মোস্তাফিজুৰ ৰহমান, দিল মহাম্মদ, জেহেৰুল ইছলাম, হানিফ আলী, জিয়াৰুল হক, আমিনুল জামান, মেহেদি আলম, আজিজুৰ ৰহমান, নুৰেদা খাতুন, মান্নান আলী, নাজিৰ আলী, ছালাম আলী, খলিলুল ৰহমান, মহিদুল ইছলাম, কুটুবুদ্দিন, ইকৰামুল হক, মইনা তথা জ্ঞাত-অজ্ঞাত সকলোলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ বাৰ্ষিক প্ৰতিবেদনৰ বিদায় মুহূৰ্তত আলোচনী সম্পাদক মাজিদুল আৰু সম্পাদনা সমিতিক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠা বিভাগৰ তথা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু খাৰুপেটীয়া মহাবিদ্যালয়'
'জয়তু ছাত্ৰ একতা সভা'
'জয় আই অসম'

**শ্ৰদ্ধা আৰু সেৱাৰে —**
**মঃ জাকিৰ হুছেইন**
**সম্পাদক, ছাত্ৰ জিৰণী কোঠা**

## ছাত্ৰী জিৰণী কোঠা বিভাগ



বৰ লুইতৰ বহল পাৰৰ কেঁচা মাটিৰ গোন্ধত ব্যাকুল অসমী আইৰ স্নেহত বন্দী হৈ অসমবাসীৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শ্বহীদ হোৱা মহান বীৰ সকলৈ তথা খাৰুপেটীয়া মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা বৰ্তমান সময়লৈ আগুৱাই আহোতে যিসকল মহান ব্যক্তিয়ে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিব লগা হৈছে সেই সকল ব্যক্তিলৈ মোৰ হৃদয়ৰ নিভৃততম কোণৰ পৰা সহস্ৰ প্ৰণাম যাঁচিলো।

অসমৰ এখন আগশাৰীৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ আৰু আঞ্চলিক ৰাইজৰ ভৰষা স্বৰূপ এই মহান মহাবিদ্যালয়খনিত ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদিকাৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত যিসকলে মোক সেৱা কৰাৰ সুবিধাকণ দিলে তাৰে বাবে সকলো ছাত্ৰ-ছাত্ৰীকে এই ছেগতে কৃতজ্ঞতা জনাইছো।

আমাৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ আছিল 'মহাবিদ্যালয় সপ্তাহ।' শিক্ষাৰ বিকাশ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক, কায়িক আৰু আধ্যাত্মিক দিশত প্ৰভূত বৰঙণি যোগায়। এই ক্ষেত্ৰত খাৰুপেটীয়া মহাবিদ্যালয়ে প্ৰতি বছৰে আপোচহীন পদক্ষেপ গ্ৰহণ কৰি আহিছে। মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণী কোঠাৰ অন্তৰ্গত চিত্ৰাংকন, এম্বদাৰি আৰু জেতুকা বুলোৱা প্ৰতিযোগিতা নতুনকৈ অনুষ্ঠিত কৰিছিলো।

ছাত্ৰী জিৰণী কোঠাৰ প্ৰয়োজনীয় সা-সৰঞ্জাম খেলৰ সামগ্ৰী সমূহ ভালদৰে সংৰক্ষণ কৰি ৰাখিব নোৱাৰাৰ বাবে প্ৰতিবছৰে বিভিন্ন সামগ্ৰী ক্ৰয় কৰিব লগা হয়। সেয়েহে পৰৱৰ্তী সম্পাদিকালৈ মোৰ বিনম্ৰ অনুৰোধ তেওঁলোকে যেন সেইবোৰ সংৰক্ষণৰ প্ৰতি বিশেষ ভাবে চকু দিয়ে। ছাত্ৰী জিৰণী কোঠাৰ বাবে চকী, কেৰমবৰ্ড, কেৰমবৰ্ডৰ গুটি, লুডু, দৱা, ঘড়ী, তাৱেল, সৰু আলমাৰী, আইনা, হাত ধোৱাৰ বাবে handwash আদি বহু ক্ৰয় কৰিছিলো।

মোৰ কাৰ্যকালত প্ৰতিটো দিশৰে পৰা সহায়-সহযোগ কৰা তত্বাৱধায়িকা মাননীয়া শ্ৰীমৌচুমী সাহা কলিতা (বাইদেউ) সমন্বিতে মোৰ দাদা-বাইদেউ, ভাই-ভন্টি আৰু বন্ধ-বান্ধৱী সকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মানুহ মাত্ৰেই ভুল হয়। কাৰ্যকালৰ ভিতৰত জ্ঞাত-অজ্ঞাত সকলো ভুলৰ বাবেই মই আপোনাসৱৰ ওচৰত ক্ষমা মাগিছো আৰু অনাগত দিনবোৰত আপোনলোকৰ আশীৰ্বাদ বিচাৰিছো। সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা তথা পৰম কৰুণাময় আল্লাহৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদনৰ ইতি টানিলোঁ।

শ্ৰদ্ধাৰেঃ-
**আখতাৰা আলম**
**সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা**

## তৰ্ক আৰু বক্তৃতা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে পৰম কৰুণাময় আল্লাহ পাকৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যি সকল ব্যক্তিয়ে নিজ স্বাৰ্থ ত্যাগ কৰি এই পিছপৰা অঞ্চলত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলে তেখেত সকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই মই মোৰ বছৰেকীয়া তৰ্ক বক্তৃতা বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি

মেলিলোঁ। ২০১২-১৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰৈ তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোলৈ প্ৰদান কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তৰ্ক আৰু বক্তৃতা বিভাগটি ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে কিমান প্ৰয়োজনীয় তাক বৰ্ণনা কৰাৰ কোনো প্ৰয়োজন নাই। আজিৰ সমাজৰ প্ৰতিটো দিশতে সুস্থিৰ ভাৱে আগুৱাই যাবলৈ হ'লে আমাৰ যুক্তিপূৰ্ণ মনোবল আৰু সাফল্যময় পৰিবেশৰ প্ৰয়োজন। এই বিভাগটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক বিকাশ সাধন হয়।

মহাবিদ্যালয়ৰ ২০১২-১৩ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই তৰ্ক আৰু বক্তৃতা বিভাগৰ পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিলো। এই নিৰ্বাচনত মই জয়ী হৈ পৰম কৰুণাময় আল্লাহৰ নামত শপত গ্ৰহণ কৰি মোৰ কাৰ্যভাৰ গ্ৰহণ কৰি উক্ত বিভাগটো নিয়াৰিকৈ চলাই যাবলৈ সংকল্পবদ্ধ হওঁ।

মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ত ২০১২-১৩ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। মই মোৰ বিভাগৰ জৰিয়তে তৰ্ক, কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰিছিলোঁ।

মোৰ কাৰ্যকালতে যোৱা ০২-১০-২০১৩ তাৰিখে 'গান্ধী জয়ন্তী' উপলক্ষে তৰ্ক আৰু মহামানৱ মহাত্মা গান্ধীৰ জীৱনৰ বিভিন্ন শিতানৰ ওপৰত ভিত্তি কৰি আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰা হৈছিল। তৰ্কৰ বিষয়বস্তু আছিল — "সুকীয়া ৰাজ্যৰ গঠনে জনগোষ্ঠী সমূহৰ শান্তি আৰু প্ৰগতি নিশ্চিত কৰিব নোৱাৰে।" মোৰ কাৰ্যকালত হোৱা প্ৰতিযোগিতাৰ ফলাফল সমূহ তলত দিয়া হ'ল ঃ

**মহাবিদ্যালয় সপ্তাহ ২০১২-১৩**

**তৰ্ক প্ৰতিযোগিতাৰ ফলাফল**

১ম স্থানঃ আনজুৰ আলী (3rd Sem.)

২য় স্থান ঃ মফিদুল ইছলাম খলিফা (3rd Sem.)

৩য় স্থান ঃ হানিফ আলী (1st Sem.)

গান্ধী জয়ন্তী উপলক্ষে হোৱা প্ৰতিযোগিতাৰ ফলাফল সমূহ হ'ল ঃ

**তৰ্ক প্ৰতিযোগিতাৰ ফলাফল**

১ম স্থান ঃ মফিদুল ইছলাম খলিফা (3rd Sem.)

২য় স্থান ঃ আনজুৰ আলী (3rd Sem.)

৩য় স্থান ঃ ছাদ্দাম হুছেইন (H.S. 2nd year.)

**আকস্মিক বক্তৃতাৰ ফলাফল**

১ম স্থান ঃ আনজুৰ আলী (3rd Sem.)

২য় স্থান ঃ মফিদুল ইছলাম খলিফা (3rd Sem.)

৩য় স্থান ঃ আমিৰ হুছেইন (5th Sem.)

মোৰ কাৰ্যকালত প্ৰতিটো খোজতে দিহা-পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱ, ছাত্ৰ একতা সভাৰ মাননীয় কাৰ্যকৰী সভাপতি জালাল উদ্দিন আহমেদ, মাননীয় তৰ্ক আৰু বক্তৃতা বিভাগৰ তত্বাৱধায়ক মহোদয়লৈ মোৰ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

লগতে মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাব বিচাৰিছো মোৰ বন্ধু-বান্ধৱী সকল ক্ৰমে — আৰ্জিনা বেগম, মহম্মদ আলী, ছেলিমা বেগম, মেহদী আলম, তাৰ্জিনা বেগম, শ্বেখ জাফৰ শ্বৰীফ, আৰিফা বেগম, শ্বাহাদুৰ আলী, নিজামউদ্দিন, মিৰ্জিনা বেগম, হুছেইন আলী, বাহাৰুল ইছলাম, নূৰ ইছলাম, ছাদ্দাম হুছেইন, আবুল কালাম, জেহেৰুল ইছলাম, হাফিজা বেগম, খালিদা বেগম, আতিফা বেগম, মইনুদ্দিন, ছাহানুৰ, ছালেহ উদ্দিন, আৰিফ আলী, জিল্লুল (দা), ছুলতান (দা), নূৰ ইছলাম (দা), বাবুল হক, বিল্লাল হক, আতিকুল, আছমত আলী, আশ্ৰফ আলী, মুক্তাৰ আলী, জাহিদা বেগম, আশ্ৰাফুল (বাইটি), ছাইদুৰ ইছলাম, আইনুল হক, ফাইজুৰ আলী, আমিৰ আলী, মিজানুৰ ৰহমান, নৌসাদ আলী, তাছলিমা বেগম, ববি চুলতানা, ৰেহেনা বেগম, আৰ্শ্বিদা বেগম, মেৰিনা বেগম, নাৰ্জিমা বেগম, ছাৰ্জিনা বেগম, আজাহাৰ (দা), মফিদুল ইছলাম, কফিলুদ্দিন, চুলতান আলী, জিয়াৰুল হক, নূৰ ইছলাম, নূৰ হুছেইন, নজৰুল (দা), আছকৰ আলী, বিশেষকৈ মঃ মহম্মদ আলী আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ কৰ্মকৰ্তাৰ পৰা ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

" জয় আই অসম"

শ্ৰদ্ধা আৰু সেৱাৰে—

পিয়াৰুল ইছলাম

সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ



## মহাবিদ্যালয়ৰ গৌৰৱ —

### উচ্চতৰ মাধ্যমিক কলা শাখাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকল (২০১২-২০১৩)



ওমৰ আলী
১ম বিভাগত উত্তীৰ্ণ



নাছিৰ উদ্দিন
১ম বিভাগত উত্তীৰ্ণ



নিজামুদ্দিন আহমেদ
১ম বিভাগত উত্তীৰ্ণ



মনজুৰ ইলাহি
১ম বিভাগত উত্তীৰ্ণ



চালেহা খাতুন
১ম বিভাগত উত্তীৰ্ণ



নজমুল হক
১ম বিভাগত উত্তীৰ্ণ



ইয়াছমিন বেগম
১ম বিভাগত উত্তীৰ্ণ

### স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী (২০১৩)



মহঃ বাকি বিল্লাহ
মেজৰ (শিক্ষা) সহ
১ম শ্ৰেণীত উত্তীৰ্ণ



আজিজা বেগম
মেজৰ (শিক্ষা) সহ
১ম শ্ৰেণীত উত্তীৰ্ণ

## আলোকচিত্ৰত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশ —



বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ মঃ হবিবুৰ ৰহমান, জাবেৰ আহমেদ, নুৰ জামান, আব্দুল কৰিম, জালালউদ্দিন আহমেদ, আবুল বাসাৰ আহমেদ, আব্দুৰ ৰহিম, শিকদাৰ আনোৱাৰুল ইছলাম, আব্দুল মতিন, নাজিৰ হুছেইন সৰকাৰ, মিজানুৰ ৰহমান, আব্দুল হান্নান, জ্যোতিষ চহৰীয়া, ইমৰাণ আলী, আমজাদ হুছেইন মজুমদাৰ, নুৰুল ইছলাম, জাহিদা চুলতানা, আব্দুৰ ৰহমান, ভূপেন্দ্ৰ নাথ বৰা, কনকলতা শইকীয়া।
বাওঁফালৰ পৰা (থিয় হৈ) ক্ৰমে ঃ জাকিৰ হুছেইন আহমেদ, জীৱেন্দ্ৰ মোহন দেৱশৰ্মা, আব্দুল আওৱাল, নীলক ৰাজবংশী, মোস্তাফা নুৰ জামান, ৰোকন উদ্দিন আহমেদ, জাকিৰ হুছেইন চৌধুৰী, হেমেন সাহা, হবিবুৰ ৰহমান।



গ্ৰন্থগাৰৰ কৰ্মকৰ্ত্তাসকল (বাওঁফালৰ পৰা ক্ৰমে) ঃ আবু তালেব (গ্ৰন্থগাৰ বাহক), জীৱেন্দ্ৰ মোহন দেৱ শৰ্ম্মা (গ্ৰন্থগাৰিক), মঃ শ্বাহ আলম (গ্ৰন্থগাৰ সহায়ক, অমঞ্জুৰিকৃত), মঃ অবীৰ আলী (চতুৰ্থ বৰ্গ কৰ্মচাৰী, অমঞ্জুৰীকৃত)



## বিভাগীয় তত্বাৱধায়ক সকলৰ সৈতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল



বহি (বাঁওফালৰ পৰা) তত্বাৱধায়ক সকল ক্ৰমে ঃ শ্ৰীজ্যোতিষ চহৰীয়া (ক্ৰীড়া অন্তঃ), হবিবুৰ ৰহমান (ছাত্ৰ জিৰণীকোঠা), ড° বুদ্ধিন চন্দ্ৰ হাজৰিকা (সভাপতি), আমজাদ হুছেইন মজুমদাৰ (ক্ৰীড়া বহিঃ), জীৱেন্দ্ৰ মোহন দেৱশৰ্মা (সাংস্কৃতিক), জালালউদ্দিন আহমেদ (কাৰ্যকৰী সভাপতি), আব্দুল আওৱাল (আলোচনী), মৌচুমী সাহা কলিতা (ছাত্ৰী জিৰণীকোঠা), আব্দুৰ ৰহমান (সমাজসেৱা)।
ঠিয় হৈ (বাঁওফালৰ পৰা) ক্ৰমে ঃ হেফজুৰ ৰহমান, (সম্পাদক — খেল বহিঃ), জাকিৰ হুছেইন (সম্পাদক — ছাত্ৰ জিৰণী কোঠা), শ্বাহ ছাদিক আহমেদ (উপ সভাপতি), মফিদুৰ ইছলাম (সম্পাদক — খেল অন্তঃ), আছান আলী ((সম্পাদক — সাংস্কৃতিক), ছোলেমান হক (সাধাৰণ সম্পাদক), মাজিদুল হক ((সম্পাদক — আলোচনী), আখতাৰা আলম (সম্পাদিকা — ছাত্ৰী জিৰণী কোঠা), নুৰ ইছলাম (সহঃ সাধাৰণ সম্পাদক)।



অধ্যক্ষৰ সৈতে কৰ্মচাৰী সকল (বহি বাঁওফালৰ পৰা ক্ৰমে) ঃ ছামিজুৰ ৰহমান, কিনাল আলী, ইছলামুদ্দিন আহমেদ, খন্দকাৰ দিলোৱাৰ হুছেইন, ড° বুদ্ধিন চন্দ্ৰ হাজৰিকা (অধ্যক্ষ) আবুবক্কৰ ছিদ্দিক, লাল মিঞা, আব্দুছ ছামাদ খন্দকাৰ, আব্দুল খালেক।

File Photo



মহাবিদ্যালয় সপ্তাহৰ পতাকা উত্তোলন কৰা সময়ত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ



মহাবিদ্যালয় সপ্তাহৰ ভেশচন প্রতিযোগিতাৰ এটি বিশেষ মুহূর্ত




মহাবিদ্যালয় সপ্তাহৰ মুকলি ও বঁটা বিতৰণী সভাৰ এটি মুহূর্ত





চাফাই কার্যসূচী ৰূপায়ণত মহাবিদ্যালয়ৰ এন. এচ. এচ. গোটৰ একাংশ স্বেচ্ছাসেৱক-সেৱিকা



মহাবিদ্যালয় সপ্তাহৰ আন্ত:শ্রেণী ক্রিকেট প্রতিযোগিতাৰ এটি মুহূর্ত

